# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ৭/২/২০২৪ বুধবাৰ**

---

আজি ইংৰাজী ০৭-০২-২০২৪ তাৰিখে অসম বিধান সভাৰ নৱ-নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯ঃ৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** Question No.21.শ্ৰী অজয় কুমাৰ ৰায়। শ্ৰী ৰামকৃষ্ণ ঘোষ ডাঙৰীয়াই attened কৰিব।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অজয় ৰায়ৰ হৈ প্ৰশ্নটো উত্থাপন কৰিব খুজিছো। তেখেতৰ প্ৰশ্নটো আছিল যে অসমত ৰাসায়নিক সাৰৰ যিটো বিৰূপ প্ৰভাৱ পৰিছে, বিশেষকৈ climate change ৰ ক্ষেত্ৰত খুব বেয়া প্ৰভাৱ পৰিছে। এই ক্ষেত্ৰত আমি যদি চাও, চাহ বাগানৰ ক্ষেত্ৰত দেখিছো pesticides ব্যৱহাৰ কৰাৰ কাৰণে তাত কি অৱস্থা হৈছে বা অসমৰ চাহৰ যিটো মানদণ্ড সেইটো কিমান তললৈ নামি গৈছে। এই ক্ষেত্ৰত কেনিয়া, বাংলাদেশ আৰু বহুতো সৰু সৰু দেশ আগবাঢ়ি গৈছে আৰু তাৰ ওপৰত মোৰ প্ৰশ্ন এইটোৱে আছিলে যে এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কিবা awarness ৰ বা শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে নেকি? পাঞ্জাৱৰ ক্ষেত্ৰত আমি জানো যে তাত কেঞ্চাৰ ট্ৰেইন দিয়া হৈছে য'ত বহুতো কেঞ্চাৰ ৰোগী অহা যোৱা কৰে। তাত এই chemical shower আৰু climate change ৰ প্ৰভাৱ পৰিছে।

দ্বিতীয়তে, যিটো প্ৰশ্ন আছিল যে জৈৱিক সাৰৰ ক্ষেত্ৰত আমি কিবা ব্যৱস্থা কৰিছো নেকি? আমি যদি জৈৱিক সাৰৰ ব্যৱস্থা কৰো তেনেহ'লে আমি এই কু-প্ৰভাৱৰ পৰা মুক্ত হ'ব পাৰিম। মন্ত্ৰী মহোদয়লৈ মোৰ এইটোৱে প্ৰশ্ন আছিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, খুব বিস্তৃতভাৱে আমি সন্মানীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰ দিছো। এই বিষয়টো সম্পৰ্কে আমি জ্ঞাত। এই বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ। আনহাতে climate change টো আমাৰ কাৰণে এটা প্ৰত্যাহ্বান। আমি যোৱা সময়ছোৱাত বিভিন্ন ঠাইত প্ৰশিক্ষণ কৰিছো। আমাৰ যি International Agri-horti show অনুষ্ঠিত হৈছিল তাত কেইবাহাজাৰো ৰাজ্যখনৰ কৃষকক সজাগতা বৃদ্ধিৰ কাৰণে এই সম্পৰ্কত প্ৰশিক্ষণ দিয়া হৈছিল। তাতকৈ ডাঙৰ কথা আমি inspection ৰ ব্যৱস্থা কৰিছো। Task force গঠন কৰা হৈছে, বিভিন্ন সময়ত inspection কৰা হৈছে আৰু বৰ্তমান সময়ত এটা সিদ্ধান্ত চৰকাৰে লৈছে। এটা sophisticated machine যিটো health department য়ে ক্ৰয় কৰিব আৰু তাৰকাৰণে ইতিমধ্যে কৃষি বি ভাগৰ লগত আলোচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰে গ্ৰহন কৰিছে আৰু মই ভাৱো যে আমাৰ সকলো সন্মানীয় সদস্যই আহি থকা দিনবিলাকত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ কাৰণেও ব্যৱস্থা ল'ব। তেতিয়া স্বাভাৱিকতেই এই সমস্যা সমূহৰ সমাধান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ প্ৰয়োগৰ

বাবে কৃষকক আকৰ্ষিত কৰিব পৰাকৈ চৰকাৰে কিবা আঁচনি গ্ৰহন কৰিছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি গুৰুত্ব দিছো organic cultivation ৰ ওপৰ ত, আমি গুৰুত্ব দিছো পৰম্পৰাগত কৃষিৰ ওপৰত আৰু প্ৰাকৃতিক কৃষিৰ ওপৰত । সেইকাৰণে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্ৰীক এটা কথা কৈছিল যে গুজৰাটৰ যিগৰাকী সন্মানীয় ৰাজ্যপাল আছে তেখেত এই বিষয়ত অভিজ্ঞ আৰু জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ কাৰণে তেখেতকো নিমন্ত্ৰণ কৰি এটা এনেধৰণৰ ব্যৱস্থা কৰিলে ভাল হয়। আমি মাননীয় মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালৰ উপস্থিতিত প্ৰায় ৮০০০ কৃষকৰ মাজত সজাগতা বৃদ্ধিৰ কাৰণে চেষ্টা কৰিছিলো। ইয়াৰ উপৰিও আমি এটা কথা দেখিছো যে Bhabha Atomic Research Centre ৰ পৰা আমি তাৎক্ষণিকভাৱে পৰীক্ষা কৰিবৰ বাবে ৯৪ টা নমুনা সংগ্ৰহ কৰিছিলো। সেই নমুনাত কীটনাশক দ্ৰব্যৰ উপস্থিতি ধৰা নপৰিলে। তথাপিও এইটো সত্য যে ৰাজ্যখনৰ বিভিন্ন ঠাইত জনসংখ্যা বৃদ্ধি পাইছে। জনসংখ্যাৰ জোৰা মাৰিব পৰাকৈ আমাৰ উৎপাদন বৃদ্ধিৰো প্ৰয়োজন আছে। সেইবুলি অত্যাধিক মাত্ৰাত ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিব বা অত্যাধিক মাত্ৰাত কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ কৰিব সেইটো যাতে নকৰে তাৰবাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও ২০,০০০ কৃষকক সামৰি ২২ টা কৃষক উৎপাদন কোম্পানী ইতিমধ্যে চৰকাৰখনে গঠন কৰিছে। ইতিমধ্যে ২০,০০০ হেক্টৰ মাটি জৈৱিক কৃষিভূমি লৈ ৰূপান্তৰ কৰিবৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহন কৰা হৈছে। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা আৰু নিয়মাৱলী অনুসৰি কৃষি বিভাগে SOPD আঁচনিৰ অধীনত প্ৰাকৃতিক কৃষি পদ্ধতিৰে শস্য উৎপাদন কৰিবলৈ, কৃষকৰ মাজত সজাগতা বৃদ্ধিৰ প্ৰচেষ্টা হাতত লৈছে লগতে কৃষকক বীজ যোগানৰ সময়ত শস্য উৎপাদনৰ অত্যাৱশ্যকীয় উপাদান হিচাপে Bio pesticides, Bio fertilizer, Micro Nutrients component যোগান ধৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং-২২। শ্ৰী আমিনুল ইছলাম, কণিষ্ঠ। মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো যদিও আমালৈ আহিছিল এই বিষয়টো অসম চুক্তি ৰূপায়ণৰ লগত সম্পৰ্কীত নহয়। এইটো গৃহ বিভাগৰ লগত সম্পৰ্কীত আৰু আমাৰ হাতত পৰা তথ্য মতে গৃহ বিভাগে সদনৰ মজিয়াত ইয়াৰ উত্তৰ submit কৰিছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰটো পোৱা নাই। অনুগ্ৰহ কৰি উত্তৰটো আমাকো দিবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ এনেকুৱা ধৰণৰ বহুত প্ৰশ্ন আহে যিবোৰ সন্মানীয় সদস্য সকলে ভুলক্ৰমে ভুল মন্ত্ৰীক প্ৰশ্নটো দিয়ে। কেতিয়াবা বিধানসভাৰ Question branch য়ো প্ৰশ্নটো ধৰিব নোৱাৰাৰ কাৰণে concern মন্ত্ৰীৰ তাত গুছি যায়। গতিকে মন্ত্ৰীৰ যিটো বিভাগ এতিয়া Assam Accord implementation লৈ গুছি গ'ল কিন্তু subject টো related to political department.গতিকে আপুনি উত্তৰটো পাব। ---হুলস্থুল----

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** এইটো Home Department ৰ প্ৰশ্ন। আমাৰ বিধান সভাত সিদ্ধান্ত লোৱা আছে যে যদি বেলেগ বিভাগৰ প্ৰশ্ন হয়, concern minister য়ে সেই বিভাগলৈ পঠাই দি য়ে।

**শ্ৰী আমিনুল ইছলাম, মানকাচৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, matter টো NRC ৰ লগত

জড়িত আছিল আৰু অসম চুক্তিৰ লগত জড়িত আছিল। সেইকাৰণে আমি এই question টো raise কৰিছিলো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মই বিৰোধী দলৰ দলপতি ডাঙৰীয়াক অনুৰোধ কৰিছো। তাত AIUDF ৰ দলপতি ডাঙৰীয়াও আছিল। আমি BAC ত সিদ্ধান্ত লৈছিলো যে যদি concern department ৰ উত্তৰটো নহয় তেন্তে বেলেগ বিভাগলৈ পঠাই দিব আৰু বিধান সভাত এইটো উত্থাপন নহ'ব। আপুনি ভুল কৰিছে। গতিকে আপুনি এতিয়া অনুগ্ৰহ কৰি বহি দিয়ক। উত্তৰটো concern বিধায়ক গৰাকীক ইতিমধ্যে দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ ইতিমধ্যে এটা সিদ্ধান্ত আছে যে যিকোনো বিভাগত ভুলক্ৰমেও যদি প্ৰশ্নটো গুছি যায়, আগতে not related বুলি দিছিল। এতিয়া সেইটো দিব নোৱাৰিব। তেওঁলোকে concern department লৈ forward কৰি দিব লাগিব আৰু concern department য়ে সেই উত্তৰটো সদস্য গৰাকীক দি দিব।

এতিয়া প্ৰশ্ন নং- ২৩। শ্ৰী অখিল গগৈ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰথম supplementary question টো হ'ল যে অসম বিধান সভাত বাৰম্বাৰ অসমৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৈ আহিছে যে অসমৰ ৩৪৪১.৮৬০১ হেক্টৰ মাটি মেঘালয়ে দখল কৰি আছে। আজিৰ দিনটোত যেতিয়া উত্তৰ দিছে ইয়াত মেঘালয়ে আমাৰ অসমৰ সাংবিধানিক সীমাৰ ভিতৰত কিমান মাটি পালে সেই প্ৰশ্নটোৰ উত্তৰ মই পালো। কিন্তু মেঘালয়ৰ সাংবিধানিক সীমাৰ পৰা আমি কিমান মাটি পালো সেই প্ৰশ্নটোৰ উত্তৰ ইয়াত নাই। তাৰমানে আমাৰ মাটি ইমানদিনে বেদখল কৰি আছিল আৰু সেই বেদখল কৰা মাটি খিনিকে, অসমৰ মাটি খিনিকে এতিয়া দুভাগ কৰি আধা মেঘালয়ক দিলে আৰু আধা অসমক দিলে। সেইটোকে অসমে পোৱা বুলি কলো নেকি, তাৰমানে অসমৰ মাটি মেঘালয়ক পুৰা দি দিছো। অৰুণাচল প্ৰদেশক অসমৰ মাটি ইয়াতে লিখি থোৱা আছে যে অৰুণাচল প্ৰদেশে অসমৰ ১৬১৪৪.০০১১৭ হেক্টৰ মাটি দখল কৰি আছে। অৰুণাচলক যেতিয়া আমি ৭২ খন গাঁও এৰি দিবলৈ লৈছো তেতিয়াহলে আমাৰ অসমৰ মাটি অৰুণাচলক দি দিছো, অসমৰ সাংবিধানিক সীমাৰ ভিতৰত মাটি দিবলৈ লৈছো আৰু সেই প্ৰশ্নটোৰ সঠিক উত্তৰ নিদিয়াত বাৰম্বাৰ কেৱল কৈ আছে আমি যেতিয়া প্ৰশ্নটো সুধিছো তেতিয়া কেৱল কৈ আছে যে সাংবিধানিক সীমাৰ পৰা আমি ইফালেও পাইছো, সিফালেও পাইছো। অৰুণাচল প্ৰদেশৰ সাংবিধানিক সীমাৰ পৰা আমি মাটি পাইছো নেকি? মেঘালয়ৰ সাংবিধানিক সীমাৰ পৰা আমি কিমান মাটি পাইছো? এই প্ৰশ্নটোৰ সঠিক উত্তৰ লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চুবুৰীয়া ৰাজ্যৰ সৈতে আমাৰ সীমা বিবাদ পুৰণি। যেতিয়া এই ৰাজ্যবোৰ সৃষ্টি হৈছিল তেতিয়াই এই সমস্যাটো আচলতে ৰাখি যোৱা হৈছিল। Once for all settled যদি তেতিয়াই কৰিলেহেতেন, তেতিয়াহলে চুবুৰীয়া ৰাজ্যসমূহৰ লগত সময়ে সময়ে এনে ধৰণৰ সংঘাট নহ'লহেতেন আমাৰ মানুহে জীৱন দিব লগীয়া নহ'লহেতেন আৰু সেই অঞ্চল বিলাকত উন্নয়ন পূৰ্ণ গতিত চলিল হেতেন ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া ৰাজ্য খনৰ মুখ্যমন্ত্ৰী হোৱাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী গৰাকীয়ে দায়িত্ব লোৱাৰ পিছতে চুবুৰীয়া ৰাজ্য সমূহক কৈছিল আৰু এই সদনৰ মজিয়াতো কৈছিল যে দীৰ্ঘদিনীয়া সমস্যাটো আমি সমধান কৰিব

লাগিব আৰু তাৰ বাবে যাৱতীয়া ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইতিমধ্যে অসম-অৰুণাচলৰ লগত আলোচনা হৈছে, অসম-মিজুৰামৰ লগত আলোচনা হৈছে, অসম-মেঘালয়ৰ লগত আলোচনা হৈছে, অসম-মেঘালয় আৰু অসম-অৰুণাচলৰ লগত যথেষ্টখিনি এই ক্ষেত্ৰত আগবঢ়াতো সম্ভৱ হৈছে। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে তেখেতে এনে ধৰণে এখন ছবি দাঙি ধৰিব বিচাৰিছে বা চৰকাৰ খনৰ ৰাজনৈতিৰ ইচ্ছাৰ ওপৰত জনসাধৰণৰ ওপৰত সন্দেহ বিয়পাব খুজিছে যে চৰকাৰে নিজৰ মাটি খিনি আচলতে চুবুৰীয়া ৰাজ্যক দি এই ব্যৱস্থাটোৰ অৱসান ঘটাব বিচাৰিছে বা এই সমস্যাটোৰ সমধান কৰিব বিচাৰিছে। আচলতে মাননীয় অধ্যক্ষ মহোদয়, কাৰণ এতিয়াও ভূমি জৰীপৰ কাম চলি আছে। ভূমি জৰীপৰ কাম চলি থকাৰ কাৰণে আমি সম্পূৰ্ণ প্ৰতিবেদন চূড়ান্ত ভূমি জৰীপৰ পিছত আমি দাখিল কৰিব পাৰিম। তৎসত্বেও ইয়াত যিখিনি দিয়া হৈছে খুব বিস্তৃত ভাৱে দিয়া হৈছে, আমি গা এৰা দিয়া উত্তৰো দিয়া নাই, সম্পূৰ্ণ ইয়াত স্বচ্ছ, ইয়াত কোনো লুক-ঢাক কৰিব লগীয়া কথা নাই। আপোনালোকে জানে যে মাননীয় মুখ্যমন্ত্ৰীয়ে অসম-অৰুণাচলৰ লগত আলোচনা কৰিবৰ কাৰণে কেইখনমান Regional Committee কৰি দিছে। অসম-মেঘালয়ৰ লগত আলোচনা কৰিবৰ কাৰণে Regional Committee কৰি দিছে। ঠিক তেনেকৈ মিজোৰামৰ পূৰ্বৰ কোনো ক্লেম নাই, আৰু সেই কাৰণে আমি মিজোৰামক সুধিছিলো, আপোনালোকে জানে মাননীয় অধ্যক্ষ মহোদয়, সদনে জানে যে অসম-মিজোৰাম সীমান্তত এটা দূৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছিল য'ত কেইবাজনো লোকে প্ৰাণ দিব লগীয়া হ'ল। তৎসত্বেও আমি এৰি দিয়া নাই। কাৰণ বিষয়টোৰ এটা মীমাংসা লাগে। Once for all settled কৰিব লাগে, যাতে ভৱিষ্যতৰ দিনত চুবুৰীয়া ৰাজ্যৰ সীমান্তত বসবাস কৰা সেই অঞ্চলৰ সম উন্নয়ন হ'ব লাগে। গতিকে ইয়াত বিস্তৃতভাৱে গোটেই কথাখিনি দাখিল কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ধন্যবাদ। মাননীয় সদস্য আপোনাক কি তথ্য লাগে specific কৈ দিয়ক, specific questionটো কৰক।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো তথ্য বিচাৰিছিলো তেখেতে নিদিলে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আপোনালোকে নিজৰ আবেগটো কিবা কৰাৰ নিচিনা হোৱাৰ কাৰণে উত্তৰ দিয়া জনেও specific দিব নোৱাৰ হৈ যায়। গতিকে আপুনি কি বিচাৰিছে সেইটো কৰক।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মই প্ৰথম প্ৰশ্নটোত সুধিছিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰথম, দ্বিতীয় যাব নালাগে। আপোনাক কি লাগে specific তেখেতৰ পৰা ?

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মেঘালয়ৰ কোনকেইটা ৰাজহ চক্ৰৰ পৰা অসমে মাটি পাইছে ইয়াত উত্তৰ লিখি দিয়া আছে যে অসমৰ কোনকেইটা ৰাজহ চক্ৰৰ পৰা মেঘালয়ে মাটি পাইছে সেইটো লিখা আছে। মেঘালয়ৰ কোনকেইটা ৰাজহ চক্ৰৰ পৰা অসমে মাটি পাইছে? কাৰণ তেখেতে কৈছে যে আমি দিছো আৰু লৈছোঁ। ইয়াত কোনো মেঘালয়ৰ ৰাজহ চক্ৰৰ নাম নাই।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া মাননীয় মন্ত্ৰী। কিবা পাইছে, নাইপোৱা।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত স্পষ্ট ভাৱে দেখুওৱা হৈছে, মই মাত্ৰ এটা উদাহৰণ দিছো, কামৰূপ জিলাৰ বকোত ঠাই নাম কেইটা আছে, টাৰাবাৰী, গিজাং আৰু বকলাপাৰা। এতিয়া বিবাদমান ভূমিৰ পৰিমাণ তাৰাবাৰী ৪.৬৯, সেই তাৰাবাৰীত এৰি দিয়া ভূমিৰ

পৰিমাণ ৪.৬৯। এইটোত কোনো লুকঢাক কৰা নাই।

**माননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী তেখেতে বিচাৰিছে যে মেঘালয়ৰ পৰা কিবা আছে নেকি?

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মেঘালয়ৰ পৰা কিমান পালে সেইটো লাগে মোক।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মই কৈছো, আপুনি শুনক, গিজাঙত বিবাদমান ভূমিৰ পৰিমাণ ১৩.৫৩, কিন্তু এৰি দিয়া ভূমিৰ পৰিমাণ ২.৯০ আৰু আমি পাম ১০.৬৩। বকলাপাৰাত বিবাদমান ভূমিৰ পৰিমাণ ৩.৫১ আৰু এৰিদিয়া ভূমিৰ পৰিমাণ ৩.২১ পাবলগীয়া ভূমিৰ পৰিমাণ ৩০। এনেধৰণে আমি গোটেই তথ্য সহকাৰে এইখনত দিছো।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ তাৰমানে ক'ৰ পৰা পাইছো, এইটো সব অসমৰ মাটি লিখি দিছে আপুনি।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ আৰে, মইটো কলোৱে গিজাঙত কিমান পাইছো। আপুনি সদনত জোৰকৈ কলে কথাবোৰ সত্য নহয়।

**শ্ৰীঅখিল গগৈ** ঃ সব অসমৰ মাটি দি আছে।

**মাননীয় অধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া আগতে শুনি লওক।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ মই উত্তৰ দি আছো সদস্যজনৰ শুনিবলৈ ধৈৰ্য্য নাই।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ মিছা কথা কলে কেনেকৈ ধৈৰ্য্য ৰাখিম।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া আগতে শুনি লওক।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ এই অখিল গগৈয়ে সদনৰ মজিয়াত যিমান অসুবিধা কৰিছে যোৱা দিন বিলাকত হয়তো কোনেও ইমান অসুবিধা কৰা নাই। এখেতক উত্তৰ দি কোনো সন্তুষ্টি দিব নোৱাৰে ছাৰ। মই দিব নোৱাৰো, কোনেও দিব নোৱাৰে। গতিকে কব লগীয়া কথাখিনি কলো আৰু মই ভাৱো যে এই কথাখিনি ইমান স্পষ্টকৈ কলো, ইয়াত কোনো লুকঢাক কৰিব লগীয়া কথা নাই।

**মাননীয় অধ্যক্ষ** ঃ গোটেই Dispute কৰি দিলে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ মেঘালয়ৰ পৰা কিমান মাটি পাইছে সেইটো কলে হৈ গ'ল। ইয়াত গোটেই অসমৰ ৰাজহ চক্ৰৰ নামহে দিছে। অসমৰ মাটি চব মেঘালয়ক দি দিছে।

**মাননীয় অধ্যক্ষ** ঃ নাই নাই, অখিল গগৈ ডাঙৰীয়া তেখেতে মেঘালয় অসম বুলি নহয়।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ Dispute শব্দটো সদস্য গৰাকীয়ে বুজি পাইনে? বিবাদমান শব্দটো বুজি পাইনে?

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ মেঘালয়ৰ ৰাজহ চক্ৰৰ নাম দিয়ক। আপোনালোকক অসমৰ মাটি দিবলৈ দানবীৰ পাতিছে নেকি?

(হুলস্থূল)

**মাননীয় অধ্যক্ষ** ঃ হ'ব। মাননীয় সদস্য, please, please এজনৰ পিছত এজন। আপুনি বহক।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ মই ডিটেইলচত কৈ আছো, আৰু কম।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ ছাৰ, তেখেতে এনেকৈ চিঞৰ বাখৰ কৰি থাকিলে হ'ব নেকি?

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ ছাৰ, এখন regional committeeৰ ময়ো সভাপতিত্ব কৰিছো, এখেতক মই challenge কৰো এখেতে মোৰ লগত বলক পাঠৰকুচিলৈ।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ যাব নালাগে ইয়াত উত্তৰটো দিয়ক।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মোৰ লগত বলক।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ এ আপুনি দম নিদিব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য, please, please বহক।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ ছাৰ, মেঘালয়ে বনোৱা পুখুৰী, তেওঁলোকে বাউণ্ডাৰী দিয়া, তেওঁলোকে আধাৰশীলা কৰা, তেওঁলোকে আমাক হস্তান্তৰ কৰিছে, আপুনি মোৰ লগত বলক।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ ইয়াত দিয়া নাই কিয়?

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য, please, please বহক। ৰ না, গণ্ডোগলে হৈ আছে। সন্মানীয় সদস্য মই এটা কথা কওঁ, সদনত প্ৰশ্ন সদস্যই কৰিবই আৰু মন্ত্ৰী ডাঙৰীয়াৰ হাতত যি উত্তৰ আছে সেইটোৱে দিব। মই বুজাত এতিয়া আপুনিও ক্লিয়াৰ কৰি দিলে ভাল যে মেঘালয়ৰ আণ্ডাৰত disputed land কি কি আছিল, যিটো উল্লেখ কৰা নাই। তেখেতে কৈছে যিখিনি disputed আছিল অসমৰ ব্লকৰ এৰিয়াত এই ভিতৰত ক্লিয়াৰ হৈ গ'ল যে মেঘালয় এটা পৰ্চন ফাইনেল হৈ গ'ল। মই বুজাত এতিয়া আপুনিও ক্লিয়াৰ কৰি দিলে ভাল যে মেঘালয়ৰ অধীনত Disputed land কি কি আছিল, যিটো উল্লেখ কৰা নাই। তেখেতে কৈছে যিখিনি Disputed আছিল অসমৰ ব্লকৰ এৰিয়াত, এই Disputed ৰ ভিতৰত ক্লিয়াৰ হৈ গ'ল যে মেঘালয়ৰ এটা portion ফাইনেল হৈ গ'ল আৰু এটা portion অসমত থাকি গ'ল। এতিয়া আপোনাৰ হাতত তেনেকুৱা আছে নেকি যে মেঘালয়ৰ কোনোবা ব্লকৰ অধীনত মাটি আছিল নেকি Disputed. গতিকে আপুনি সোধক এই Disputed land খিনিৰ কি হৈ আছে? specific যদি আপোনাৰ আছে এই কথাটো সুধিলেই হ'ল। তেতিয়া মন্ত্ৰী ডাঙৰীয়াই আলোচনা চলি আছে নে settle হৈ গ'ল তেখেতে ক'ব।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া মোৰ প্ৰশ্নটো একেবাৰে simple যে মোক যিমানখিনি উত্তৰ দিছে ইয়াত মই সুধিছিলো যে অসমৰ মাটি কিমান মেঘালয়লৈ গ'ল? আৰু মেঘালয়ৰ মাটি কিমান আহিল?

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কলে এইটো, আপুনি specific কৈ কৈ দিয়ক। মেঘালয়ৰ কোন খন জিলাৰ কোনটো চাৰ্কোলৰ কিমান মাটি Disputed land আছে, যিটো অসমে বিচাৰি আছে, সেইটো পালে নে নাই, আপোনাৰ হাতত যদি মেঘালয়ৰ তথ্য আছে, যিটো Disputed. তেখেতে অসমৰ যিটো কৈ আছে, অসমৰ ব্লকত তেওঁ দেখুৱাই আছে কাৰণ Disputed land টো দুয়োখন ৰাজ্যই বিচাৰিব। এতিয়া আপোনাৰ হাতত আপুনি যিটো ব্লকৰ কথা, Disputed land ৰ কথা আপুনি পোৱা নাই বুলি কৈছে। সেইটো specific কৈ কৈ দিলে তেখেতে ক'ব যে আলোচনাৰ মাজত আছে নে final settlement হৈ গ'ল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া কথাটো হ'ল এনেকুৱা যে অসমে মেঘালয়ৰ কোনো মাটি বিচৰা নাই। মেঘালয়েহে সদায় অসমৰ মাটি ডিমাণ্ড কৰি আছে। এতিয়া মেঘালয়ে অসমৰ সাংবিধানিক সীমাৰ ভিতৰত থকা মাটি এফালৰ পৰা এই বিলাক ডিমাণ্ড কৰি কৰি লৈ ললে। অসমে এটুকুৰা মাটি মেঘালয়ৰ পৰা পোৱা নাই। মেঘালয়ক মাটি দান দিবৰ বাবে আমি চৰকাৰখন পাতি দিছো নেকি?

**মাননীয় অধ্যক্ষ ঃ** হৈছে, এইটো বিষয় হৈছে আৰু। এতিয়া প্ৰশ্ন নং ২৪ । এতিয়া Supplementary . মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন এই প্ৰশ্ন কেইবাখনো ৰাজ্যক লৈ হৈ আছে, প্ৰকৃততে মেঘালয়,মিজোৰাম, অৰুনাচলকে আদি কৰি কিন্তু মেঘালয়ৰ ক্ষেত্ৰত আমি যি সিদ্ধান্ত ললো সেই সিদ্ধান্ত প্ৰকৃততে ১৯৮৩ চনত এটা independent commission হৈছিল বৰ্তমানৰ চিফ জাষ্টিচৰ দেউতাক ভিউ আই চন্দ্ৰশ্বোৰ আৰু জাষ্টিচ ডেচাই আৰু সেইখনেই মেঘালয়ৰ গোটেই ক্লেইমখিনি খাৰিচ কৰি দিছিল। তাৰ পিছত আমি আৰু Disputed বুলি ক'ব নালাগিছিল। কিন্তু কিবা কাৰণত আমি কৈ আছো। সেই কাৰণে মেঘালয়ৰ খিনি অলপ বেলেগ ধৰণে চিন্তা কৰিব নেকি চৰকাৰে। মই জানিব বিচাৰিছো অন্য বিলাকৰ

ক্ষেত্ৰত আছে কিন্তু মেঘালয়ৰ ক্ষেত্ৰত independent commission নে মেঘালয়ৰ ক্লেইমটো baseless বুলি ১৯৮৫ চনত ৰায় দি থৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও commission নে তেনে এটা ৰাই দিছে কিন্তু সমস্যাটো যদি সমাধান হ'লহেতেন তেতিয়া হ'লে সময়ে সময়ে এই ঘটণাবোৰ সংঘটিত ন'হলহেতেন। সময়ে সময়ে এনেকুৱা ঘটণাবোৰ সংঘটিত নোহোৱা হ'লে বা সময়ে সময়ে বিবাদ সৃষ্টি নোহোৱা হ'লে আলোচনাৰ প্ৰশ্নটো নাহিলহেতেন। গতিকে এতিয়া আলোচনাৰ প্ৰশ্নটো আহিছে। মই আকৌ কৈছো এই ক্ষেত্ৰত চৰকাৰখনে যি সিদ্ধান্ত লৈছে এই সিদ্ধান্তবোৰ আলাপ আলোচনাৰ মাজেৰে লৈছে। দুয়োখন চৰকাৰে গঠন কৰি দিয়া regional committee য়ে স্থানীয় সীমাত বসবাস কৰা লোকৰ স্থানীয়লোকৰ মতামত ethnicity, geographical contiguity, administrative convenience এই গোটেইখিনি চাই সিদ্ধান্ত লৈছে। মই ইয়াত এইটো স্পষ্টভাৱে উল্লেখ কৰিছিলো যে বিবাদমান ভূমিৰ পৰিমান এই ৰাজহ চক্ৰতে কামৰূপ আৰু কাছাৰত ৩৬.৭৯ আৰু এৰি দিয়া ভূমিৰ পৰিমান ১৮.৩৩ আৰু পাব লগা ভূমিৰ পৰিমান ১৮.৪৬। গতিকে ইয়াত যে কেৱল আমিয়েই এৰি দিছো তেওঁলোকৰ পৰা লোৱা নাই তেনেকুৱা কথা নহয়। গতিকে সুন্দৰ ভাবে এই কথাখিনি সন্নিবিষ্ট কৰি কিমানবৰ্গ কিঃ মিঃ, ভূমিৰ পৰিমান কিমান এইবিলাক আমি চাবমিট কৰিছো।

**শ্ৰী আমিনুল ইছলাম (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কেৱল দুটা কথা ক'ব বিচাৰিছো। আমাৰ বিভাগে যেতিয়া all party ৰ মিটিং পাতিছিলসেই সময়ত আমাক যিটো কথা কোৱা হৈছিল যে আমাৰ ৩৬ বিবাদমান এৰিয়া আছে। তাৰে ১৮ টা চেটেল কৰা হ'ল আৰু ১৮ টা বাকী আছে। এতিয়া আমাৰ কথাটো হ'ল যে এই ৩৬ টা এৰিয়াত আমি কেতিয়াও গৈ মেঘালয়ৰ মাটি দখল কৰা নাছিলো। এই ৩৬ টা এৰিয়াতে মেঘালয়ে আমাৰ মাটি দখল কৰিছে। বুজা বুজিটো ১৮ খন ঠাইত এনেকুৱা হ'ল যে আমি আধা মাটি তেওঁলোকক এৰি দিলো। এৰি দিয়া পাৰ্টটো আমাৰ। ঠিক একেদৰে আমি মেঘালয়ৰ পৰা এক ইঞ্চি মাটি পাইছো নে নাই সেইটোত আমাৰ কথা নাই, আমি কেতিয়াও মেঘালয়ৰ মাটি দখল কৰা নাই। অসমে কেতিয়াও মেঘালয়ৰ মাটি দখল কৰা নাই, মেঘালয়ে অসমৰ মাটি দখল কৰিছে। মোৰ সমষ্টিত যিটো মিৰজুমলাৰ যিটো কবৰ স্থান, এতিয়া মেঘালয়ে কৈছে যে সেইটো সিহঁতৰ। সিহঁতে আহি বোৰ্ড মাৰি দিছে। মানকাছাৰৰ কাম্যাখ্যা মন্দিৰ এতিয়া সেইটোও মেঘালয়ে কৈ আছে যে সেইটো সিহঁতৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি specific প্ৰশ্নটো কৰক।

**শ্ৰী আমিনুল ইছলাম (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল আমি যিখিনি ভূমি এৰি দিছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত স্পষ্ট কৰিছিল যে মেঘালয়ে আৰু একইঞ্চি মাটিও দখল নকৰে। তাৰ পিছতো মোৰ সমষ্টিটে চাৰিটা ঘটনা হৈ আছে। য'ত মেঘালয়ে আকৌ নতুনকৈ বিবাদ কৰি আছে। এই সমস্যাটো সমাধান কেনেকৈ হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়,

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে এইখিনিত তেখেত অতি স্পষ্ট আৰু দৃঢ়। সেই কথাখিনি আমাৰ counter part মেঘালয় চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী আৰু যিবিলাক regional committee আছে সেহ regional committee কো সেই কথাটো অৱগত কৰা হৈছিল। এই কথাত মই আকৌ কওঁ যে এতিয়াও জৰিপৰ কাম চলি আছে। যিহেতু পিছৰ পৰ্য্যায়ত আৰু কেইখনমান regional

committee পাতি দিছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মুঠতে আপোনালোকে আমাৰ অসমৰ মাটি দিবই নহয় জানো? মেঘালয়ক মাটি দিবই।

**মাননীয় অধ্যক্ষ** ঃ please, please, please বহক। এতিয়া প্ৰশ্ন নং ২৪ খলিল উদ্দিন মজুমদাৰ। মাননীয় মন্ত্ৰী

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীখলিল উদ্দিন মজুমদাৰ** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদয়ের কাছে জানতে চাই, কাছাড় জেলার কাটিগড়া সমষ্টির বৰ্ডারের রাস্তার অত্যন্ত সমস্যা, যে সমস্যার জন্য বিগত ২০২৩ -২৪ সালে কোন ফান্ড দেওয়া হয়নি। বৰ্তমানে রাস্তার সমস্যা নিয়ে মন্ত্ৰী মহোদয়ের কাছে আমি জানতে চাই আগামী ২০২৫-২৬ সালে কি কি দেওয়া হবে। সেটা জানতে চাই।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয় তেখেতে যিটো কথা কৈছে ২৩-২৪ ত দিব পৰা নগ'ল আমি পৰৱৰ্তী বাজেটত সেই কামখিনি কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**শ্ৰীখলিল উদ্দিন মজুমদাৰ** ঃ- অত্যন্ত গুরুত্বপূৰ্ণ বিষয় বৰ্ডার ডেভেলপড আমরা সবাই জানি। কিন্তু বিগত ২ বছর থেকে কোন ফান্ড দেওয়া হয় না তার কারণ কি?

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ পুজিঁ সাপেক্ষে কাম হয়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে ,এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২১-২২,২২-২৩,২৩-২৪, ২৪-২৫, ২৫-২৬ চনত পাচঁবছৰীয়া প্লেন লোৱা হৈছিল। আমিও স্কীমখিনি দিছিলো, অধ্যক্ষ মহোদয় অতি দুখেৰে ক'ব লগা হৈছে যে এতিয়া ২৩-২৪ চনত গৈ আছে। এই যে পাচঁ বছৰীয়া প্লেনত আমি যিখিনি স্কীম দিছিলো এই স্কীম বিলাকৰ কামৰ টেণ্ডাৰ এই বিত্তীয় বৰ্ষত হ'বনে? এই বিষয়ে আমাক ক্লিয়াৰকৈ কৈ দিয়ক। যদি নহয় তেতিয়া আমি বেলেগ স্কীমত ধৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৫। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইতমধ্যে উত্তৰত কৈছে যে খানাজান নদীত খহনীয়া প্ৰতিৰোধৰ বাবে গাৰ্ড ৱালৰ কাৰণে ১৫ কোটি টকাৰ এটা আঁচনি গ্ৰহণ কৰিছে আৰু এইটো সম্পাদনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই গৰাখহনীয়া প্ৰতিৰোধৰ বাবে যি ১৫ কোটি টকা সম্পাদনৰ প্ৰস্তাৱ ৰখা হৈছে বুলি কৈছে, চলিত বিত্তীয় বৰ্ষত এই কামটো কৰা হ'ব নে নহয়?

মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে আমাৰ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ ভিতৰত যি কৃত্ৰিম বানপানী হয় তাৰ প্ৰতিৰোধৰ বাবে ১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত হোৱা এই কৃত্ৰিম বানপানীৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে যথেষ্ট দুৰ্ভোগ ভূগিব লগীয়া হৈছে। গতিকে বাৰিষাৰ আগত এই কামটো কৰাৰ কিবা ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো খানাজান নদীত খহনীয়া প্ৰতিৰোধৰ বাবে গাৰ্ড ৱালৰ কথা কৈছে সেইটোৰ টেণ্ডাৰ ইতিমধ্যে float হৈ গ'ল। আমি যেতিয়া

উত্তৰটো দিছিলো তেতিয়ালৈকে টেণ্ডাৰ float হোৱা নাছিল। গতিকে আমি উত্তৰত প্ৰস্তাৱ ৰাখিছো ÂåÙ ÆBÁåÈÜ ±¼ßÁ ÷ýÃ±òÒÏûþüöÃÉá1±ßÃßÁæÃ±ÂÎù Â±ýÃüåÏ ÆýÈåÃÎû ১৫ কোটি টকাৰ টেণ্ডাৰ ইতিমধ্যে float হৈছে আৰু অতি সোনকালে কামটো আৰম্ভ হ'ব।

তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যি বানপানীৰ কথা কৈছে, আঁচলতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃত্ৰিম বানপানীৰ লগত জনসম্পদ বিভাগ directly related নহয়। কিন্তু মই আজিৰ পৰা প্ৰায় দুবছৰ আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশত গৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃত্ৰিম বানপানী চাবলৈ গৈছিলো। মই পুনৰ কৈছো যে Guwahati City বা Guwahati University ৰ কৃত্ৰিম বানপানীৰ লগত আমাৰ জলসম্পদ বিভাগটো জড়িত নহয়। তাৰ লগে লগে আমি কেঁচা নলা খান্দি পানীখিনি উলিয়াই দিয়াৰ ব্যৱস্থা কৰিছিলো আৰু যোৱাবছৰো মই নিজে গৈ নলা খান্দি পানীখিনি উলিয়াই দিয়াৰ ব্যৱস্থা কৰিছিলো। এইবাৰ আমি ১৫ কোটি টকাৰ আবণ্টন দিছো। ইয়াৰ টেণ্ডাৰ হ'ল আৰু এই নলা সমূহৰ কাম আৰম্ভ কৰা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজাৰাৰ মাজেৰে যিখন কালমণি নদী আছে, সেই কালমই নদীটো খনন কাৰ্য্য আৰম্ভ কৰিছে তাৰ বাবে মই ধন্যবাদ দিছো। কাৰণ এইখন খনন কৰাৰ কাৰণে আমাৰ দ্বীপৰ বিলত পানীখিনি সোমাইছে। কিন্তু কথাটো হৈছে এই কালমণি নদীৰ যিখিনি পানী দ্বীপৰ বিলত পেলোৱা হৈছে সেইটো ধাৰাপুৰ, গৰল, মাজিৰ গাওঁ হৈ যদি ব্ৰহ্মপুত্ৰত পেলোৱা যায় তেতিয়া দ্বীপৰ বিলৰ পানীখিনি প্ৰদুষিত নহ'ব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে ধাৰাপুৰৰ পৰা যদি এটা কেনেল কৰি পানীখিনি ব্ৰহ্মপুত্ৰত পেলোৱাৰ ব্যৱস্থা কৰে তেতিয়া এটা সুন্দৰ কাম হ'ব। মই মন্ত্ৰী মহোদয়ক এই বিষয়টো বিবেচনা কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালমণি বুলি যে এখন নদী আছিল তাৰ কোনো অৱস্থান আজিৰ পৰা ডেৰ বছৰ আগলৈকে নাছিল। আমি যেতিয়া Airport লৈ গৈ থাকো তেতিয়া ৰাস্তাৰ বাওঁফালে দ্বীপৰ বিল আৰু সোঁফালে ৰাস্তাৰ লগতেই parallely এটা channel আছিল আৰু সেইটোৰ বিষয়ে কোনেও নাজানিছিল। কাৰণ সেই ঠাইবোৰ মানুহে দখল কৰিলে আৰু মাটিৰে পোট গ'ল। এই বিষয়ে মোক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে এই নদীখন খনন কৰিব লাগে যাতে পানী ওলাই যাব পাৰে। সেইমতে আমি নলাটো খনন কৰিলো। কালমণি নদীখন ডাঙৰ আছিল যদিও এতিয়া সেই নদীখন ডাঙৰ নদী হিচাপে নাপাওঁ। যদিও আমি ৬-৭ ফুট মান খান্দিলো। খন্দাৰ পাছত পানীখিনি আমি দ্বীপৰ বিললৈ সোমোৱাব পাৰিলো। দ্বীপৰ বিললৈ পানী বেছিকৈ সোমোৱাটো আমাৰ লক্ষ্য। মাননীয় বিধায়ক গৰাকীৰ যিটো পৰামৰ্শ আছিল সেইটো আমি নিশ্চয় আলোচনা কৰিম। আমাৰ লক্ষ্য হৈছে দ্বীপৰ বিলখন প্ৰদূষণ মুক্ত কৰা আৰু তাৰবাবে পানীবোৰ তালৈ বোৱাই নিয়া। তেখেতৰ নতুন এটা পৰামৰ্শ যে ধাৰাপুৰ হৈ ব্ৰহ্মপুত্ৰলৈ পানীখিনি উলিয়াই দিব পাৰি নেকি সেই বিষয়েও আমি চিন্তা-চৰ্চা কৰিম। তাত মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত নিশ্চয় কিছু সমস্যা আহিব যদিও আমি এই ক্ষেত্ৰত নিশ্চয় আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৬। শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ আছিল যে মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ যিটো প্ৰশ্ন আছিল তেতিয়া তাত ২০ মিনিট সময়

গৈছিল। গতিকে মোক ২০ মিনিট সময় নালাগে, ৫ মিনিট সময় দিলেই হ'ব। মই দলগাওঁ সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো আৰু এই দলগাওঁ সমষ্টিটো অসমৰ ভিতৰতেই এনেকুৱা এটা সমষ্টি য'ত শতকাৰ ৯০ শতাংশ মানুহেই কৃষিজীৱি। আমাৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যিমানবোৰ শাক-পাচলি যায়, সেই শাক-পাচলি সমূহ মোৰ সমষ্টিৰ খাৰুপেটীয়া আৰু বেছিমাৰীৰ পৰা যায়। সেয়েহে মই ক'ব বিচাৰিছো যে যদিহে কৃষি খণ্ডৰ এটা আমূল পৰিবৰ্তন কৰিব পৰা যায় তেতিয়াহ'লে মই ভাৱো আমাৰ দেশৰ GDP ত আগবাঢ়ি যাব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে যে অসমখন ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত এখন হ'ব লাগে। শিক্ষাখণ্ড আৰু স্বাস্থ্যখণ্ডক যেনেদৰে আগবঢ়াই লৈ গৈ আছে সেইটো মই ভাল পাইছো। গতিকে ইয়াৰ লগতে কৃষিখণ্ডও যাতে সমানে আগবঢ়াই লৈ যায় তেতিয়াহ'লে আমাৰ ৰাজ্যখন আগবাঢ়ি যাব। মাননীয় মন্ত্ৰী মহোদয়ে সদনত উত্তৰ দিছে যে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত মোৰ সমষ্টিত দুখন trasar, ৭ খন tractor, ১খন rotavator আৰু ৩ খন পাৱাৰ টিলাৰ দিছে। মাননীয় অধ্যক্ষ মহোদয়, Delimitation ৰ পিছত দলগাওঁ সমষ্টিত ৩ লাখ ৫ হাজাৰ জনসংখ্যা আছে। সেই ৩ লাখ ৫ হাজাৰ জনসংখ্যাৰ ভিতৰত প্ৰায় ২ লাখ ৮০ হাজাৰ জনসংখ্যা কৃষিৰ ওপৰত নিৰ্ভৰশীল। গতিকে সেই খেতিয়ক সকলৰ মাজত ................

**মাননীয় অধ্যক্ষ ঃ** আপুনি মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ প্ৰশ্নটো কৰক।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ) ঃ** প্ৰায় ৪০ হাজাৰ খেতিয়ক আছে। তাৰ ভিতৰত যদি ৭ খন ট্ৰেক্টৰ আৰু ২ খন পাৱাৰ টিলাৰ দিয়ে তেতিয়াহ'লে কেনেকৈ আমাৰ সমষ্টিখনৰ কৃষি ক্ষেত্ৰত উন্নয়ন হ'ব। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, তেখেতে এই কথাটো আমাৰ সদনৰ মজিয়াত আশ্বস্ত কৰিব লাগে যে Agriculture sector খন আগুৱাই লৈ যাবৰ কাৰণে মোৰ সমষ্টিত (যিহেতুকে মোৰ সমষ্টিৰ পৰা গোটেই অসমত শাক-পাচলি চাপ্লাই কৰি আছো)

**মাননীয় অধ্যক্ষ ঃ** আপুনি specific প্ৰশ্নটো নক'লে মন্ত্ৰী মন্ত্ৰী মহোদয়ে কেনেকৈ উত্তৰ দিব?

**শ্ৰী মজিবুৰ ৰহমান, বিধায়ক, দলগাওঁ ঃ** ...........আমাৰ সমষ্টিত এশখন ট্ৰেক্টৰ, এশখন পাৱাৰটিলাৰ আৰু biochemical pesticides আৰু যিবিলাকক সাৰৰ প্ৰয়োজন হয় সেইবিলাক লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এইটো ডিবেট নহয়। আপোনাক এশখন ট্ৰেক্টৰ দিব নে নাই এইটো আপুনি প্ৰশ্ন কৰক। এইটো question hour. মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (কৃষি বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত কৃষি খণ্ডৰ অন্তঃগাঠনি উন্নয়নৰ কাৰণে বহুতবোৰ কাম ইতিমধ্যে কৰিছে। তাৰ কাৰণে যোৱা সময়চোৱাত এক পৰিবৰ্তন আহিছে আৰু নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকল কৃষি খণ্ডৰ লগত জড়িত হৈ পৰিছে।

সন্মানীয় সদস্য গৰাকীয়ে ঠিকে কৈছে যে দলগাওঁত বেছি সংখ্যকে কৃষক আৰু তাত বাণিজ্যিক মূল্য থকা খেতি কৰে। কিন্তু বৰ্তমান সময়ত ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে উঠি অহা শিক্ষিত চাম কৃষি খণ্ডৰ লগত জড়িত হৈ পৰিছে। সন্মানীয় সদস্য গৰাকীয়ে ঠিকে কৈছে যে ঘৰুৱা আয়ৰ প্ৰায় ২১ শতাংশ কৃষি আৰু আনুসাংগিক খণ্ডৰ পৰা আহে আৰু এইটো বৃদ্ধি কৰিবৰ কাৰণে আমাৰ চৰকাৰে খনে যথেষ্ট ব্যৱস্থা লৈছে। মই সদনৰ মজিয়াত জনাবলৈ পাই ভাল পাম যে যোৱা ২০২২-২৩ বৰ্ষত ৪ হাজাৰ কোটি টকাৰ অসমৰ উৎপাদন বিদেশৰ বজাৰলৈ গৈছে আৰু ২০২৬-২৭

বৰ্ষলৈকে ১০ হাজাৰ কোটি টকাৰ অসমৰ উৎপাদন বিদেশৰ বজাৰলৈ যাব বুলি আমি ধাৰণা কৰিছো।

এতিয়া দলগাওঁত যিখিনি বস্তু দিয়াৰ কথা কৈছে, সেইখিনিৰ উপৰিও আমি তাত বীজ দিছো, link component দিছো আৰু প্ৰায় ১০০ টা knowledge centre কৃষি উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ত স্থাপন কৰিছো ৰাজ্যখনৰ বিভিন্ন ঠাইত, গতিকে দলগাওঁতো পৰিছে। গতিকে দলগাওঁত বিশেষভাৱে সুকীয়াকৈ দিয়াৰ ব্যৱস্থা নাই। ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি আছে, RKVY আছে, Horticulture ৰ বিভিন্ন আঁচনি আছে, তাত power tiller যথেষ্ট subsidy ত কৃষি সকলে ল'ব পৰা ব্যৱস্থা আছে, লগতে combined harvesting ৰাজ্যখনৰ ১২৬ টা সমষ্টিত দিছিলো আৰু প্ৰায় ১.৭৯ লাখ কৃষি মেচিনাৰি, য'ত power tiller, tractor, thresher আদি আছে।

সন্মানীয় সদস্য গৰাকীয়ে বিচৰা ধৰণে আমি যিহেতু সমষ্টিভিত্তিত বস্তু বিলাক দিয়া নহয়। তথাপিও তেখেতৰ সমষ্টিত যিহেতু যথেষ্ট সংখ্যক বাণিজ্যিক ভিত্তিত কৃষক আছে, আমি অলপ অগ্ৰাধিকাৰ ভিত্তিত কামখিনি কৰিবলৈ যত্ন কৰিম, লগতে সন্মানীয় সদস্য গৰাকীয়ে এইটোও চাব লাগিব যে তাত যাতে অত্যাধিক ৰাসায়নিক সাৰ, কীটনাশক সাৰৰ ব্যৱহাৰ দলগাওঁ এলেকাত যথেষ্ট হয়, সেইখিনি যাতে নাইকিয়া কৰিব পাৰে।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অত্যাধিক ৰাসায়নিক সাৰ, কীটনাশক সাৰ দলগাওঁ এলেকাত এতিয়া নাইকিয়া হৈছে।

ইয়াৰ লগতে আৰু এটা supplementary আছে যে storage godown দিয়াৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা, (কৃষি বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, storage godown অগ্ৰাধিকাৰ ভিত্তিত দিয়াৰ ব্যৱস্থা কৰিছে। coal storage ও ইতিমধ্যে দলগাওঁৰ ওচৰতে নিৰ্মাণ হৈছিল, সেইটো মুকলি কৰাৰ ব্যৱস্থা লোৱা হৈছে। দলগাওঁত storage godown ৰ প্ৰয়োজন আছে, গতিকে সেইটো দিয়াৰ কাৰণে ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ভাস্কৰ বৰুৱা।

**শ্ৰী ভাস্কৰ বৰুৱা, (তিতাবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে কৃষি বিভাগৰ ২৬ নং প্ৰশ্নৰ (গ) ত কৃষক সকলৰ উৎপাদিত কৃষি সামগ্ৰী বজাৰত উচিত মূল্য পাবৰ বাবে চৰকাৰে কি ধৰণে পৰিকল্পনা কৰিছে।

ইয়াতে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে Agriculture Marketing Board ৰ guidline আছিল, সেই guideline বিলাক কৃষকে উচিত মূল্য পাবৰ কাৰণে enforce কৰিব নেকি?

দ্বিতীয়তে, Agriculture product বিলাক একে ঠাইতে বিক্ৰী কৰিবৰ কাৰণে এখন integrated agriculture producer market ৰ দৰে এখন মাৰ্কেট সমষ্টিত ভিত্তিত কৰাৰ কাৰণে অনুৰোধ কৰিলো। য'ত Natural farming ৰ কথা কোৱা হৈছে, organic farming ৰ কথা কোৱা হৈছে। Natural farming যিবিলাক product হ'ব, আমাৰ organic যিখিনি product থাকিব, সেইখিনিৰ তেনেকুৱা এটা counter কৰি, লগতে আমাৰ তিতাবৰ অঞ্চলত cold storage ৰ খুব প্ৰয়োজন, তাত যথেষ্ট বিলাহী আৰু অমিতাৰ খেতি হয়। সেইখিনি ৰাখিবৰ কাৰণে যদি cold storage দিয়ে, তেতিয়া কৃষকে খুব সোনকালে নষ্ট

হৈ যোৱা উৎপাদন সমূহ ৰাখিব পাৰি, তাৰ দাম যাতে sustain কৰিব পাৰে, এইখিনি সুবিধা কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে কৰিব দিব নেকি।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (কৃষি বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে cold storage ৰ কথা কৈছে আৰু আমি কভি'ডৰ সময়ত অনুভৱো কৰিছিলো যে cold storage ৰ প্ৰয়োজন আছে। সেই কাৰণে কেইখনমান নতুন ঠাইত য'ত বেছিকৈ খেতি হয় তাত cold storage নিৰ্মাণৰ কাৰণে পৰিকল্পনা কৰা হৈছে। কিন্তু ইয়াৰ উপৰিও ৫০ শতাংশ subsidy ৰে cold storage বনাব পৰা যায়। মই ভাৱো 50% subsidy ৰে বনোৱা যি ব্যৱস্থা চৰকাৰৰ হাতত আছে, সেই সুবিধা আমাৰ enterpreneur বিলাকে ললে আৰু সদস্য ডাঙৰীয়াই অলপ support দিলে, এই কামখিনি তিতাবৰ অঞ্চলত হৈ যাব।

বাকী যিখিনি কথা কৈছে Agriculture Marketing Board ৰ বা অন্যান্য যিখিনি পৰামৰ্শ দিছে, মই তেখেতক ধন্যবাদ জনাইছো আৰু আমি ভৱিষ্যতে এইখিনি চিন্তা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৭, সন্মানীয় সদস্য শ্ৰী নজৰুল হক।

**শ্ৰী অতুল বৰা, কৃষি বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নজৰুল হক, ধুবুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত সমগ্ৰ অসমত কৃষি বিভাগে খেতিয়ক সকলক সকাহ দিয়াৰ কাৰণে কি কি বীজ যোগান ধৰিছে।

মাননীয় মন্ত্ৰী মহোদয়ে কলে যে অসমৰ পৰা বিদেশলৈ export কৰা হৈছে অসমৰ কৃষি উৎপাদিত সামগ্ৰী, এইটো ভাল কথা। বীজৰ quality ভাল, কিন্তু quantity ইমান কম, ধুবুৰীৰ নিচিনা এখন জিলাত ধান দিছে ৩ কুইন্টল, পিয়াজৰ গুটি দিছে ১ টন ৪৭ কিলো । এখন জিলাত য'ত ৭ টা সমষ্টি আছে, এইখিনিৰে কি হ'ব। কৃষকসকলক সকাহ দিয়াৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে আগলৈ যাতে ইয়াৰ quantity বঢ়াই দিয়ে তাৰ কাৰণে অনুৰোধ কৰিলো।

কৃষি বিভাগে হিতাধিকাৰী নিৰ্বাচন কেনেকৈ কৰে, প্ৰকৃত কৃষসকলে এটাও বীজ নাপায়, এইটো বাহিৰা বজাৰত বিক্ৰী হয়। এইখিনি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, কৃষি বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো আৰু তেখেতে যিবিলাক প্ৰশ্ন উত্থাপন কৰিছিল, আমি নিশ্চিত ভাৱে সদনৰ মজিয়াত দিছো আৰু ইয়াৰ উপৰি যিটো supplementary আহিছে যে বীজৰ quantity কম, এতিয়া প্ৰতি গৰাকী কৃষক আমি বীজ দিবলৈ হলে বহুত টকাৰ প্ৰয়োজন আছে। এতিয়া cut motion আনিছে । সন্মানীয় সদস্য সকলে বিৰোধী পক্ষই কয় যে বাজেট cut কৰিব লাগে। বাজেট বৃদ্ধি কৰিলেহে আমি বীজ ইত্যাদি দিব পাৰিম, link component দিব পাৰিম। বীজৰ quality ভাল বুলি কৈছে তেখেতে। তেখেতক আমি ধন্যবাদ জনাইছো। বাকী যিখিনি কৃষি ক্ষেত্ৰত suppot লাগে, যিমানে পাৰে চৰকাৰে কৰিবলৈ চেষ্টা কৰিছে আৰু ভৱিষ্যতলৈ চেষ্টা কৰিব।

**শ্ৰী নজৰুল হক, ধুবুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা supplementary আছিল যে ধুবুৰী জিলাক কৃষি বিষয়া সকল কিমান দিন ধৰি চাকৰি কৰি আছে। চৰকাৰ অৱগত নে?

মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে কৰ্মৰত জীৱনৰ আৰম্ভণিৰ

পৰা ১৫, ২০ বছৰ ধৰি home district ত চাকৰি কৰি আছে। এই ব্যক্তি সকলে যাৰ কাৰণে গুৰু গোঁসাই নমনা হৈছে। হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত তেখেত সকলে কৃষকক নিদি বেলেগক দিয়ে। মন্ত্ৰী মহোদয়, এই গোটেই বিলাক অসমত কৃষি খণ্ডত অন্ততঃ যিবিলাক বহুদিনীয়া বিষয়া কৰ্মচাৰী আছে তেখেতসকলক যাতে বদলি কৰণৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিৰ্বাচনো আহিছে। Ellection Commissioner ৰ নতুন নতুন instruction ও আহিছে, আমি পাইছো। গতিকে তাৰ ওপৰত ভিত্তি কৰি আৰু হয়, দীঘলীয়া দিন, দীঘলীয়া সময় একে ঠাইতে থাকিলে আৰু মই ভবা নাই যে বিষয়া সকল দীঘলীয়া দিন একে ঠাইতে আছে, কৰ্মচাৰীসকলক আছে। যিবিলাক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সেই ক্ষেত্ৰত কিছু অসুবিধাও আছে। তথাপিও তৎসত্ত্বেও একে ঠাইৰ পৰিবৰ্তে ঠাইবিলাক অলপ সলনি কৰাৰ কাৰণে আমি নিশ্চয় চেষ্টা কৰিম। ঠিক আছে আপুনি পৰামৰ্শ দিব আমি চাই ল'ম কাৰ কাৰ নাম দিব।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰীজাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মমেহাদয়, মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ কৃষক সকলৰ কাৰণে যিখিনি বাখ্যা কৰিছে এনেকুৱা লাগিছে যে কৃষক সকলৰ বৰ্তমানৰ সময়ত কোনো অভাৱেই নাই, কিন্তু প্ৰকৃত অৰ্থত কৃষক সকলে কিন্তু লাভান্বিত হোৱা নাই। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম প্ৰশ্ন নং ২৭ (ক) ত মন্ত্ৰী ডাঙৰীয়াই কৃষক সকলৰ কাৰণে ১৮ টা আঁচনিৰ কথা উল্লেখ কৰিছে। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ পৰা আৰম্ভ কৰি ১৮ টা আঁচনিৰ কথা উল্লেখ কৰিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম এই আঁচনি সমূহৰ জৰিয়তে ৰাজ্যৰ কিমান কৃষক উপকৃত হৈছে আৰু প্ৰতিটো আঁচনিৰ বিপৰীতে কিমান ধন ব্যয় হৈছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ বহুবোৰ আঁচনি আছে। মই ইতিমধ্যে সদনৰ মজিয়াত এইখিনি দাখিল কৰিছো। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, Food and Nutrition Security, National Mission on Edible Oil আৰু বৰ্তমান সময়ত আমাৰ চৰকাৰখনে, আমাৰ বিভাগে গুৰুত্ব দিছে বাণিজ্যিক মূল্য থকা কৃষিৰ ওপৰত। সেই কাৰণে Millet Mission ৰ কথা কৈছো, আমি oil pump ৰ কথা কৈছো, Voder Mission ৰ কথা কৈছো, Floriculture Mission আমি লৈছো আৰু ইয়াৰ জৰিয়তে যদি উপকাৰে নহ'লহেঁতেন, তেতিয়াহ'লে নতুন প্ৰজন্মৰ যুৱক-যুৱতী সকল কৃষি ক্ষেত্ৰৰ লগত জড়িত নহ'লহেঁতেন। আজি কৃষকে পদ্মশ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে, অসম গৌৰৱ লাভ কৰিবলৈ সক্ষম হৈছে, বটা লাভ কৰিবলৈ সক্ষম হৈছে আৰু অসমে চাৰি হাজাৰ কোটি টকাৰ কৃষকে product বিদেশৰ বজাৰলৈ পঠিয়াবলৈ সক্ষম হৈছে, বহিৰ্ৰাজ্যলৈ পঠিয়াবলৈ সক্ষম হৈছে। ক'ত হোৱা নাই দেখুৱাই দিলে আমি অন্ততঃ এই কথাখিনি চালিজাৰি চাই হোৱাৰ ব্যৱস্থা কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং- ২৮।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো নাপালো। মই যিটো প্ৰশ্ন কৰিছিলো উত্তৰেই নিদিলে। মই কৈছিলো তেখেতে ১৮ টা আঁচনিৰ কথা উল্লেখ কৰিছে আৰু এই আঁচনিসমূহৰ দ্বাৰাই কৃষক সকল উপকৃত হৈছে। মই সুধিছিলো প্ৰত্যেকটো আঁচনি

সমূহৰ দ্বাৰাই  কিমান কৃষক উপকৃত হৈছে আৰু প্ৰতিটো আঁচনিৰ নামত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান ধন পাইছে বা ৰাজ্য চৰকাৰে কিমান ব্যয় কৰিছে মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰ নাহিলে।

**মাননীয় অধ্যক্ষ ঃ** তথ্যটো দি দিলেই হ'ল আপুনি।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই তথ্যখি নিতো মই এটা শব্দত প্ৰকাশ কৰিব নোৱাৰিম। ভৱিষ্যতে তেওঁ যদি এনে প্ৰশ্ন আনে, তেতিয়াহ'লে উত্তৰ আমি যথাযথ ভাৱে সদনত দিব পাৰিম।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নয়েই হয়। যেতিয়া কোনো আঁচনি ব্যয় কৰিছে তাৰ তথ্য যদি নাথাকে, কৃষি ক্ষেত্ৰত এটা দুৰ্ভাগ্যজনক কথা।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন সুধিছে, মই ভাৱো যে, সন্মানীয় সদস্য গৰাকী satisfied. তেখেতে মনে মনে আছে। Supplementary দি দিলেই হ'ল।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰো প্ৰশ্ন সুধাৰ অধিকাৰ আছে। সদনত উত্তৰখিনি দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** পিছত দি দিব।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঁচনি চলি আছে, তাৰ পাছত কিয় তথ্য নাই।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি গৰাকী সন্মানীয় সদস্যই প্ৰশ্ন কৰিছে তেখেত অসন্তুষ্ট নহয়।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Supplimantory সুধাৰ অধিকাৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** Please.

(সদনত হুলস্থূল)

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, লিখিতভাৱে সদনৰ মজিয়াত দিব নোৱাৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পিছত দি দিব। প্ৰশ্ন নং -২৮ শ্ৰীৰূপজ্যোতি কুৰ্মী। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, মৰিয়নি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মোৰ যি প্ৰশ্ন আছিল, তাৰ উত্তৰ পাইছো। ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মোৰ Supplementary প্ৰথম প্ৰশ্নটো হ'ল মই সৰু কালৰ পৰা দেখা পাইছিলো মোৰ খুৰা বা মামাৰ ঘৰত খেতিত যোৱাৰ পিছত ধান মিললৈ যোৱা আৰু ধানৰ আগত মূল্য আছিল কেতিয়াবা কোনোবা কৃষকে বিক্ৰী কৰিবলগীয়া হৈছিল ৮ শ বা হাজাৰ টকাত।  এতিয়া মাননীয় মুখ্য মন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰৰ মাননীয় মন্ত্ৰী মহোদয়ৰ তৎপৰতাত ১৯৪০ ৰ পৰা লাহে লাহে ২১৮৩ প্ৰায় ২২ শ হ'লে ১ কুইণ্টল  পাবলৈ গৈ আছো। ইতিমধ্যে আমি অৱগত হৈছো যে য'ত কৃষক সকলে বহুত কষ্ট কৰি সৰিয়হ খেতি কৰি ১৭ শ বা ২ হাজাৰ পাইছিল, এতিয়া ৫

হাজাৰ ৪৫০  পাবলৈ গৈ আছে। সমান্তৰালভাৱে Millet আৰু Urad ৰ ক্ষেত্ৰতো MSP চৰকাৰে কিবা চিন্তা কৰিছে নেকি এইক্ষেত্ৰ মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। আমি যিখিনি উত্তৰ দিছে তেখেত সন্তুষ্ট বুলি কৈছে, তেখেতে Supplementary এটা প্ৰশ্ন আনিছে তাত millet ৰ কথা কৈছে আমাৰ ৰাজ্যখনৰ millet খুৱ কম production হয়। এতিয়া Millet Mission টো চৰকাৰে লোৱাৰ পিছত ৰাজ্যখনৰ বহু কৃষকে millet কৰিব লৈছে চৰকাৰে চিন্তা কৰিছে যে processing plant millet ৰ বাবে বহুৱাৰ কথা। ইয়াৰ উপৰিও ক্ৰয় কৰাৰ কথা আৰু আপোনালোক সদস্য সকলে জানে যে MSP দিয়াৰ পিছত বহুত কৃষকে ধান খেতি কৰিবলৈ এৰি দিছিল। কিন্তু যোৱাবছৰ আমি দেখিছো যে ৰাজ্যখনৰ কৃষক সকলে আকৌ ধান খেতিত মনোনিবেশ কৰিছে আৰু যোৱাবাৰ MSP বৃদ্ধি পাইছে। গতিকে millet ৰ ক্ষেত্ৰত তেখেতে যি পৰামৰ্শ দিছে সেই পৰামৰ্শ আমি গ্ৰহণ কৰিছো আৰু ক্ৰয় কৰাৰ কাৰণে আমি নিশ্চয় ব্যৱস্থা ল'ম।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, মৰিয়নি ঃ** মাননীয় অধ্যক্ষ মহোদয়, শেষত এটা আছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, মাননীয় মন্ত্ৰী মহোদয় জ্যেষ্ঠ বিধায়ক আৰু মন্ত্ৰী হিচাপে অৱগত। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা আছিল কিন্তু বিগত চৰকাৰৰ সময়ত আমি দেখা নাপালো বিশেষকৈ কৃষি বিভাগটো আগবাঢ়িবলৈ হ'লে আৰু দুটা বিভাগ একেলগে মিলি কাম কৰিব লাগিব। Irrigation আৰু Soil Conservation আৰু DISHA Meeting আৰু ব্লক পৰ্য্যায়ত, জিলা পৰ্য্যায়ত কৃষি বিভাগৰ, বিভিন্ন বিভাগৰ কৃষি ভিজন কেন্দ্ৰত সবাতকৈ আমি যিহেতু অৱগত হৈছো এই তিনিটা বিভাগে কাম কৰাৰ প্ৰয়াস কৰিছে মাননীয় মুখ্য মন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ তৎপৰতাত কিন্তু আৰু নতুন বৰ্ষ আৰু নতুন পৰিকল্পনা লৈ এই তিনিটা বিভাগ মিলি Soil Conservation আৰু Irrigation লৈ আৰু তৎপৰতাৰে কাম কৰাৰ এনেধৰণৰ কিবা পৰিকল্পনা চৰকাৰে লৈছে নেকি?

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমি তেনে পৰিকল্পনা কৰিছো। Irrigation বিভাগৰ মাননীয় মন্ত্ৰী আৰু মই আমি নিজে জ্যেষ্ঠ বিষয়া সকলক মাতি আমি বহিছো আৰু জিলা পৰ্য্যায়ত, State Level, official level ত coordination ৰ জড়িয়তে যাতে অনাগত দিনত কামখিনি হয় তাৰ কাৰণে আমি যাৱতীয় ব্যৱস্থা বহন কৰিছো। কাৰণ আমি বৰ্তমান সময়ত এটা কথা উপলব্ধি কৰিছো যে সাংঘাটিক ধৰণে বতৰৰ পৰিবৰ্তন ঘটিছে, জলবায়ুৰ পৰিবৰ্তন ঘটিছে। এতিয়া মাঘৰ বিহুৰ পিছত সাধাৰণতে ঠাণ্ডা কমি যায়। এতিয়া আমি সকলোৱে উপলব্ধি কৰিছো যে সাংঘাটিক ধৰণে বতৰৰ পৰিবৰ্তন ঘটিছে আৰু climate change য়ে স্বাভাৱিকতে Agriculture যিহেতু এটা science কেতিয়া ঠাণ্ডা হয়, কেতিয়া গৰম হয় এইবিলাকৰ ওপৰত বহুত খেতি নিৰ্ভৰ কৰে। গতিকে সেই কথাখিনিৰ ওপৰত আমি গুৰুত্ব দিছো আৰু লগতে তেখেতে soil conservation ৰ কথা কৈছে। Soil Conservation লগতো আমি ালোচনা কৰিছো কাৰণ ক্ষুদ্ৰ জলসিঞ্চনৰ বাবে চৰকাৰে বহুত ব্যৱস্থা গ্ৰহণ কৰিছে, বিভাগে কৰিছে। STW Electrical pump, Diesel pump, solar pump য'ত ৭৫ শতাংশ subsidy আছে, য'ত ৮৫ শতাংশ subsidy আছে। কিন্তু irrigation বিভাগে যথেষ্ট ডাঙৰ প্ৰকল্পও হাতত লয়। সৰু তেনে ধৰণৰ প্ৰকল্পও আছে। গতিকে যৌথভাৱে আমি কাম কৰিলে আমি

ভাৰো যে কৃষি ক্ষেত্ৰখনলৈ আৰু আমি পৰিবৰ্তন আনিব পাৰিম যিটো মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ সপোন যে একেটুকুৰা মাটিত কেইবা তৰপীয়া খেতি কৰিব লাগে। যাতে income বঢ়াব পৰা যায়। Income বৃদ্ধিৰ স্বাৰ্থতে আমি তেনে ধৰণে কৰিব লৈছো আৰু সন্মানীয় সদস্য গৰাকীক এটা কথা মই জনাই থও যে ইয়াৰ উপৰিও তেখেতে MSP ধানৰ উপৰিও ইতিমধ্যে mustard ত MSP দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মই দেখিছো যে mustard ৰ যিসকল cultivator আছে, কৃষক আছে, তেওঁলোক সিমান আগবাঢ়ি অহা নাই। কাৰণ সমস্যা এটা হৈছে ক্ৰয় কৰাৰ ক্ষেত্ৰত মই যোগাযোগ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. এতিয়া Zero Hour. শ্ৰী নুৰুল হুদা।

**শ্ৰীনৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘন্টাত মোৰ জাননী গ্ৰহণ কৰাৰ বাবে আপোনাক মই ধন্যবাদ জনাইছো । চচলত কোভিড ছাফাই কৰ্মীৰ উত্তাল প্ৰতিবাদ। প্ৰতিবাদ স্থলীত তিনিটা সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰি আছে । বিশেষকৈ কোভিদ মহামাৰীৰ সময়ত যুদ্ধকালীনভাৱে কৰ্ত্তব্যত সম্পাদন কৰা চাফাই কৰ্মীসকলে তেওলোকৰ চাকৰি নিয়মীয়াকৰণৰ সন্দৰ্ভত চৰকাৰে কৰা প্ৰতাৰনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি আছে । সদৌ অসম ছাফাই কোভিদ সন্থাই প্ৰতিবাদ কৰি আহিছে । কোভিদৰ সময়ত চৰকাৰে এক হাজাৰ তিনিশ চৌবিশ গৰাকী যুৱক -যুৱতীক ৰাজ্যৰ ছাফাই কৰ্মী হিচাপে নিয়োগ কৰিছিল । সেই সময়ত সেই ছাফাই কৰ্মীসকলে নিজৰ জীৱনকো তুচ্ছ কৰি ৰাইজক সেৱা আগবঢ়াই গৈছিল । আনকি তেওলোকে সেই সময়ত কৰি থকা আন কাম বাদ দি হ'লেও কোভিডৰ ছাফাই কাম কৰিছিল । কিন্তু তদানীন্তন স্বাস্থ্য মন্ত্ৰী তথা বৰ্ত্তমানৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সেই সময়ত প্ৰতিশ্ৰুতি দিছিল যে তেওলোকৰ চাকৰি স্থায়ী কৰা হ'ব আৰু কোনেও তেওলোকক আগলৈ উলিয়াই দিব নোৱাৰে কিন্তু এই প্ৰতিশ্ৰুতি এতিয়া অসাৰ হ'ল । এতিয়া এনে পৰিস্থিতিত চাকৰী নিয়মীয়াকৰণৰ বাবে তেওলোকে প্ৰতিবাদ সাব্যস্থ কৰি আছে । কোভিদৰ সময়ত ছাফাই কৰ্মীৰ লগতে আশা কৰ্মীসকলেও দিনে নিশাই যথেষ্ঠ সহায় কৰিছিল এতিয়াও কৰি আছে । গাওঁত গৈ ঘৰে ঘৰে খৱৰ লৈ কোভিদৰ ৰোগীৰ সন্ধান কৰা তাৰ পিচত পৰীক্ষাৰ ব্যৱস্থা কৰা, ঠায়ে ঠায়ে চাইনবোৰ্ড লগোৱা , কোভিড ৰোগীক সেৱা কৰা আদিকে ধৰি যথেষ্ঠখিনি সহায় আশা কৰ্মীসকলে কৰিছিল। চৰকাৰে দিয়া দায়িত্ব তেওলোকে পালন কৰিছিল , তেনে ক্ষেত্ৰত চৰকাৰে তেওলোকক পুৰস্কাৰ দিব লাগিছিল কিন্তু আজি তিনি বছৰ পাৰ হোৱাৰ পিছতো ছাফাই কৰ্মীসকলৰ চাকৰি নিয়মীয়াকৰণ চৰকাৰে নকৰিলে । লগতেং আশা কৰ্মীসকলোকো কোনোধৰণৰ সহায় চৰকাৰে আগনবঢ়ালে । গতিকে মই মাননীয় অধ্যক্ষৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ছাফাই কৰ্মীসকলৰ লগতে আশা কৰ্মীসকলোকো ৰাজ্য চৰকাৰৰ স্থায়ী কৰ্মচাৰী হিচাপে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰৰ ৰিপ্লাই ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, কোভিদৰ সময়ত অস্থায়ীভাবে নিয়োজিত যিসকল ছাফাই কৰ্মীয়ে সেৱা তথা চৰকাৰক সহায় আগবঢ়ালে এই কথাটো বিধায়ক নুৰুল হুদা ডাঙৰীয়াই তেখেতৰ বক্তব্যত বিষয়টো উত্থাপন কৰিছে আৰু সেইটো আমাৰ দৃষ্টিগোচৰ কৰিছে । যেতিয়া কোভিদ মহামাৰী হৈছিল সেই সময়ত ৰাজ্যখনৰ বহু ঠাইত অস্থায়ীভাৱে চিকিৎসালয় স্থাপন কৰিব লগা হৈছিল আৰু তাত এই বাবে বহুখিনি অস্থায়ী ছাফাই কৰ্মী নিয়োজিত কৰা

হৈছিল কিন্তু এইসকল আমাৰ চৰকাৰীভাৱে পোনপটীয়াকৈ নিয়োজিত কৰা হোৱা নাছিল । ঠায়ে ঠায়ে থকা হস্পিটেল চোছাইটিৰ ফালৰ পৰা এই ছাফাই কৰ্মীসকলক নিয়োজিত কৰিছিল । তেখেতসকলে যে যথেষ্ঠ ত্যাগ স্বীকাৰ কৰিছে সেইটো আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। সেই সময়ত কোভিডৰ যিটো ভয়াবহ পৰিস্থিতি হৈছিল তাৰ পিছতো ছাফাই কৰ্মীসকলে অতি নিষ্ঠাৰে কাম কৰিবলৈ আগবাঢ়ি আহিছিল । এতিয়া চৰকাৰৰ যিটো নিয়োগ পলিচি সেইমতে নিয়োগ পলিচিত অৰ্ন্তভূক্ত কৰিব পৰাকৈ এই বিষয়টো আমি এতিয়া বিবেচনা কৰিব পৰা হোৱা নাই । আৰু তেনেধৰণে স্থায়ীভাৱে যদি নিয়োগ কৰিব লগা হয় তেনেহ'লে তাৰ কাৰণে এটা সুকীয়া বিচাৰ বিবেচনাৰ প্ৰয়োজন হ'ব । এতিয়া ধৰকএটা কাৰ্য্যালয়ত অস্থায়ীভাৱে কিছুমান মানুহে কাম কৰি আছে তেওলোকৰ ৰেজিষ্টাৰ মেইনটেন কৰা হৈছে আৰু তেওলোকক আমি এটা পাৰিতোষিক দি আছো । সেইখিনি সময়তে কিছুমানে কাম কৰি থকাৰ পৰা আধাতে ওলাই গৈছিল বা পিচত আকৌ কামত ঘুৰি আহিছে , তেনেধৰণৰ বহু কৰ্মী আছে । এনেক্ষেত্ৰতো মই স্বীকাৰ কৰো যে তেওলোকে দায়িত্ববোধেৰে কাম কৰিছিল। মই আজি এই বিভাগৰ দায়িত্ব থকা মন্ত্ৰী হিচাপে একেবাৰে কৈ দিব নোৱাৰো যে তেওলোকক ইয়াতে সংস্থাপন কৰিব পৰা যাব । এই ক্ষেত্ৰত যথেষ্ঠ বিচাৰ বিবেচনা কৰিব লাগিব। আশা কৰ্মীসকলৰ যিটো কথা কৈছে কিন্তু কথা হ'ল আশা কৰ্মীসকল কেন্দ্ৰীয় চৰকাৰৰ এটা আঁচনিৰ ভিত্তিতহে আছে । এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক দুই হাজাৰ দিয়ে আৰু আমি ৰাজ্য চৰকাৰৰ পৰা এক হাজাৰ পাৰিতোষিক দিওঁ লগতে আৰু এনেধৰনৰ যিবিলাক কাম আছে সেইবিলাক কৰি তেওলোকে ইনটেনচিভ পাই গৈ থাকে । এতিয়া যদিও তেওলোকে তিনি হাজাৰ পাৰিতোষিক তথাপিও তেওলোকে বেলেগ বেলেগ স্কীমৰ পৰা টকা পাই থাকে । আশা কৰ্মীসকল গোটেই ভাৰতবৰ্ষতে স্থায়ী চাকৰি নহয় । আৰু তেনেধৰণৰ কোনো পলিচিও চৰকাৰৰ নাই আৰু তেওলোকৰ এনগেজমেন্টৰ সময়ত স্বেচ্ছাসেৱী বুলি কোৱা হৈছে । গতিকে আশা কৰ্মীসকলক আমি সময়ে সময়ে আৰু উদ্‌গণি দিব পাৰিম কিন্তু ভৱিষ্যতে স্থায়ী চাকৰি হিচাপে নহয় স্বেচ্ছাসেৱী হিচাপেহে হ'ব। গতিকে মই এইখিনিকে ক'লো কিন্তু ছাফাই কৰ্মীৰ যিটো বিষয় উত্থাপন কৰা হৈছে সেইটো আমি নিশ্চয় আলোচনা কৰিম ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** অধ্যক্ষ মহোদয়, যিসকল কোভিদ ছাফাই কৰ্মী আছিল তেওলোকক গামোছা- ফুলৰ তোৰা দি আমি পঠিয়াই দিলো আৰু এতিয়া সেই ছাফাই কৰ্মীসকল নাজোল নাথোল অৱস্থাত পৰিছে । চৰকাৰে সেই সময়ত বহু কথা কৈছিলে তেওলোকক তেওলোকক এনগেজ কৰাৰ বাবে পূৰ্ব্বতো এই সদনত উত্থাপন হৈছে ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয় , মই এই কথাটো সমৰ্থন কৰিছো । মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো বিবেচনা কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব , হ'ব বহক । এই কথাটো মনোৰঞ্জন তালুকদাৰ, অখিল গগৈ, আৰু আমিনুল ইছলামে এচোচিয়েট কৰিছে । ঠিক আছে ... এতিয়া আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৈনিক অগ্ৰদুত কাকতত যোৱা ৫ ফেব্ৰুৱাৰী তাৰিখে প্ৰকাশিত পৌৰসভাৰ অন্তৰ্গত হ'লেও নগৰৰ কোনো চিন মোকামেই নাই ধিঙত । চৌদিশে কেৱল বিদ্বস্ততা সমস্যা, আবন্টিত চৰকাৰী ধনৰ ওপৰত সামুহিক লুণ্ঠনে উন্নয়ণৰ অন্তৰায় শীৰ্ষক বাতৰিটো মই আপোনাৰ জৰিয়তে নগৰ আৰু গৃহ উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোছৰ কৰিব বিচাৰিছো । ধিং নগৰ সমিতিখন প্ৰায় পোন্ধৰ বছৰ পূৰ্ব্বে পৌৰ সভালৈ উন্নীত

কৰা হৈছিল । টাউন কমিটিটো এতিয়া মিউনিচিপালটি বোৰ্ড হ'ল - নামটো উন্নীতকৰণ হৈছে কিন্তু কাৰ্য্যক্ষেত্ৰত পৌৰসভাই যিখিনি সা সুবিধা পাব লাগে তাৰ পৰা বঞ্চিত হৈছে ধিং নগৰ বাসী । ধিং মিনিচিপালটি বোৰ্ডত ১০ টা ৱাৰ্ড আছে । যিমান পুঁজি উন্নয়ণৰ বাবে আবন্টন হয় আমি দেখিছো মাত্ৰ ২-৩ টা ৱাৰ্ডতহে অলপ উন্নয়ণ হৈছে । বাকী ৭ টা ৱাৰ্ডত উন্নয়মে চুৰ পৰা নাই । ধিং টাউনখন নগাওঁ জিলাৰ এখন অতি পুৰনি টাউন আৰু এই টাউনত শেৰালি কবি ৰত্নকান্ত বৰকাকতী তেখেতৰ জন্মস্থান আ্ৰু তাৰ লগতে তেখেতৰ স্মৃতিত আছে ৰত্ন ভৱন যিটোৰ আজি বিদ্বস্ত অৱস্থা । তাত আজি এখন মিটিঙ কৰাৰো পৰিবেশ নাই । এই ৰত্মভৱনৰ পূব ফালৰ বিষ্ণু ৰাভা পথ , ধিং মিনিচিপালটি বোৰ্ডৰ পৰা মাত্ৰ ১৫০ মিটাৰ দুৰ এই পথটো যিটো দূৰাৱস্থা মাননীয় উপাধক্ষ মহোদয়, নগাওঁ চহৰৰ পৰা ধিং বজাৰলৈ যোৰা অসম মালাৰ যিটো ৰাস্তা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লিখিতভাৱে জনাইছিলো, এই অসম মালাৰ ৰাস্তটো ধিং টাউনৰ মাজেদি গৈ মৈৰাবাৰী হৈ ভূৰগাওঁ হৈ মৰিগাওঁ বাসনাঘাটলৈকে । বনাব লাগে। অসম মালাটো যিহেতু হাইৱেৰ পৰা হাইৱেলৈ এটা মালা হ'ব লাগে, সেয়েহে ধিং বজাৰ পাৰ হৈ মৰিগাওঁলৈকে মালাটো বনালে এই বৃহৎ অঞ্চলৰ লোকসকল উপকৃত হ'লহেঁতেন। কিন্তু নগাওঁ চহৰৰ পৰা ধিং বজাৰলৈকে মাত্ৰ ২৪ কিলোমিটাৰ ৰাস্তাহে চেংচন হ'ল। বাকীখিনিৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে লিখি বিভাগক দিছে যদিও আজি দুবছৰে আমি একো সু-ফল নাপালো। এই ধিং পৌৰসভাৰ অধীনত আমি দেখিছো যে কোনো ৱাৰ্ডত ডাষ্টবিন নাই। যাৰ কাৰণে আৱৰ্জনাবিলাক বিভিন্ন ঠাইত সিঁচৰিত হৈ পৰি থাকে আৰু ষ্ট্ৰীট লাইটবিলাকো বেছিভাগ ৱাৰ্ডতে নাই, যিটো পৌৰসভাত থাকিব লাগে। 'দিপ্তীশুভা' নামৰ বহুলাখ টকাৰ আঁচনি এটা লোৱা হৈছে যদিও এই আঁচনিটোত ও বিভিন্ন অনিয়ম সংঘটিত হোৱাৰ কাৰণে এইটো এটা প্ৰহসনত পৰিণত হৈছে আৰু 'দিপ্তীশুভা'ৰ অধীনত বৈদ্যুতিক লাইট সংযুক্ত এটা খুটাও ধিং নগৰ সমিতিৰ অধীনত নাই। ধিং যিটো চাৰ্কোল অফিচ তাৰ লগতেই পৌৰসভাৰ কাৰ্য্যালয়, থানা আৰু ধিং কে বি হাইয়াৰ চেকেণ্ডাৰী স্কুল আছে, নাতি দূৰত আছে ধিং ছোৱালী হাইস্কুল। কিন্তু ইমান বিলাক অনুষ্ঠান-প্ৰতিষ্ঠান থাকাৰ পিছতো আমি দেখিছো যে সেই ঠাইখনৰ ৰাস্তা-ঘাট, নলা-নৰ্দমাৰ অৱস্থা একেবাৰে ভাল নহয়। বেছিভাগ নলা বন্ধ হৈ যোৱাৰ কাৰণে নলাৰ পানী ৰাস্তাৰ ওপৰলৈ উঠি আহে। আটাইতকৈ দুখ লগা অৱস্থাটো হ'ল ধিং নগৰ সমিতিৰ বৰ্তমানৰ পৌৰসভা। পৌৰসভাৰ যিটো ১০ নং ৱাৰ্ডৰ নিজডিং মৰ্কেটিঙৰ ওচৰৰ এখন সম্পূৰ্ণ গাওঁ য'ত কোনো দোকান-পোহাৰ বা নগৰৰ কোনো চিন-মোকাম নাই, চাকৰিয়াল মানুহ নাই, ব্যৱসায় কৰা মানুহ নাই আৰু ইয়াৰ লোকসকল সম্পূৰ্ণভাৱে কৃষিজীৱি আৰু খেতি-বাতি কৰা লোক। এই গাওঁখনক আনি ১০ নং ৱাৰ্ড বনাই দিয়া হৈছে। সেইখন গাওঁ বুলি নগৰ সমিতিৰ কোনো আঁচনিৰ এক টকাও ১০ নং ৱাৰ্ডত খৰচ কৰা নহয়। সেয়েহে স্থানীয় ৰাইজে এটাই আহ্বান কৰি থকে যে আমাৰ এইখন যিহেতু গাওঁ আৰু আমাক পৌৰসভাই গাওঁ হিচাবে ট্ৰীট কৰে, আমি কেৱল ১০ নং ৱাৰ্ড হিচাবে ভোট দি ৱাৰ্ড কমিশ্যনাৰক জিকাই দিওঁ। কিন্তু পৌৰসভাৰ কোনো আঁচনিয়েই আমাক দিয়া নহয়। গতিকে আমাৰ ১০ নং ৱাৰ্ডটো নগৰ সমিতি বা পৌৰসভাৰ পৰা কাটি আনি নিজডিং গাওঁ পঞ্চায়তত সোমাই দিব লাগে বুলি এই অঞ্চলৰ ৰাইজে বহুদিন ধৰি দাবী কৰি আহিছে। মই এই কথাখিনি পূৰ্বেও আমাৰ যি নগৰ উন্নয়ণ মন্ত্ৰী আছিল তেখেতকো জনাইছিলো আৰু আজিও উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে তেখেতকো জনাম যে ১০ নং ৱাৰ্ডটো যিহেতু গাওঁ, তাত কোনো ব্যৱসায়িক প্ৰতিষ্ঠান বা শিক্ষানুষ্ঠান নাই। কেৱলমাত্ৰ কৃষিজীৱি লোক। যদি তাত একো কামেই কৰা নহয়, সেয়েহে এই ১০ নং ৱাৰ্ডটো নগৰ সমিতিৰ পৰা কাটি দি গাওঁ

পঞ্চায়তত যাতে সোমাই দিয়ে আৰু তাৰ লগে লগে অন্যান্য যিমান আঁচনিৰ ধন পৌৰসভাই পাব লাগে, পৌৰসভা হিচাবে আঁচনিৰ ধন তাত যোৱা নাই। ধিং পৌৰসভা দুটা সমষ্টিত পৰে। আগতে বটদ্ৰৱা আৰু ধিং সমষ্টিত পাঁচটা পাঁচটা ৱাৰ্ডত পৰে। তাত মিটিং হ'লে স্থানীয় বিধায়কক মাতিব লাগে। কিন্তু আমি তিনি বছৰত মাত্ৰ এবাৰ আহ্বান পাইছিলো আমি এবাৰেই গৈছিলো। ভালকৈ নাজানো কি হৈ আছে। গতিকে মই আজি আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। যাতে মন্ত্ৰী মহোদয়ে পৌৰসভাৰ সা-সুবিধাবিলাক ধিং নগৰত দিয়া হয় আৰু বাকী পৰ্য্যৱেক্ষণবিলাকো যাতে তেখেতে ভালকৈ কৰে তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী অশোক সিংঘাল, মাননীয় মন্ত্ৰী, নগৰ উন্নয়ণ ইত্যাদি বিভাগ ঃ** মাননীয় উপধ্যক্ষ মহোদয়, কালি যেতিয়া সন্ধিয়া মই গম পালো যে তেনেকুৱা এটা ৩০১ ত নোটিচ আহিছে। ধিং পৌৰসভাৰ হৈ আমিনুল ডাঙৰীয়াই মাত মাতিছে, ভাল কথা। আনৰ মিউনিচিপালিটিৰ যদি কিবা প্ৰবলেম আছে, আন বিধায়কে মাত মতাটো ভাল কথা। মই ভাৱিছিলো যে বটদ্ৰৱা সমষ্টিৰ সন্মানীয়া বিধায়িকা শ্ৰীমতী শিবামণি বৰা বাইদেউৰে সমষ্টিত পৰে। পিছত যেতিয়া মই তথ্যপাতি আনিবলৈ দিলো আৰু আজি তেখেতে যিখিনি অভিযোগ চৰকাৰৰ ওপৰত দিছে সেইটো based on fact নহয়। আজি মই অতি কষ্টৰে জনাওঁ যে প্ৰতিটো পৌৰসভাত স্থানীয় বিধায়ক আৰু সাংসদ Ex-officio Member হৈ থাকে আৰু Ex-officio Member হিচাবে তেখেতসকলে শপত ল'ব লাগে আৰু যেতিয়া মিটিং হয় তেতিয়া মিটিঙত যাব লাগে। কিন্তু দুখৰ কথা যে Executive Officer এ জনোৱা মতে স্থানীয় সাংসদ আৰু ধিং আৰু বটদ্ৰৱা সমষ্টিৰ দুজন বিধায়কক কোৱাৰ পিছতো আজিলৈকে তেখেতসকলে মিউনিচিপালিটিৰ Ex-officio Member হিচাবে শপত লোৱা নাই আৰু যিটো অভিযোগ দিছে যে ১০ নং ৱাৰ্ডটো উলিয়াই দিব লাগে। উলিয়াই দিয়া আৰু সোমোৱা কামটোৰ ক্ষেত্ৰত এটা ডি-লিমিটেশ্যন কমিশ্যন থাকে আৰু এই কামটো ডি-লিমিটেশ্যন কমিশ্যনহে কৰে। নিশ্চিত যেতিয়া টাউন কমিটিৰ পৰা পৌৰসভা হৈছিল তেতিয়া নতুনকৈ সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল, সীমাবোৰ publish কৰা হৈছিল আৰু ওজৰ-আপত্তিবোৰ বিচৰা হৈছিল, claims and objection বোৰ বিচৰা হৈছিল আৰু এটা নিৰ্দ্দিষ্ট সময় দিয়াৰ পিছত যি ওজৰ-আপত্তি থাকে তাৰ নিষ্পত্তি কৰাৰ পিছতহে সীমাত মীমাংসা কৰি সিদ্ধান্ত লোৱা হয়। সেই কাৰণে চৰকাৰে নিজডিং গাওঁ-অঞ্চলক ১০ নং ৱাৰ্ড বনাই দিলে। কিন্তু এইটো সঠিক নহয়। তেখেতে পইচা পোৱা নাই বা পইচা দিয়া নাই বুলি যিটো অভিযোগ দি আছে সেই ক্ষেত্ৰত মই এটা তথ্য দিব বিচাৰিছো। মই আৰু এটা তথ্য দিব বিচাৰিছো। মই বিত্তীয় আয়োগৰ কথা কৈছো, বেলেগৰ কথা কোৱাই নাই। যোৱা কেইবাটাও বছৰত কেৱল বিত্তীয় আয়োগৰ শিতানতে প্ৰায় তেৰ কোটি টকা দিয়া হ'ল, ২০১৮-১৯ ৰ পৰা আজিলৈকে তাত মাত্ৰ চাৰি কোটি বাইশ লাখ টকা খৰচ হৈছে। আঠ কোটি সত্তৰ লাখ টকা এতিয়াও ধিং মিনিষ্ট্ৰীয়েল বোৰ্ডৰ একাউণ্টত আছে। এইটো মই অন ৰেকৰ্ড সদনৰ ভিতৰত দাখিল কৰি আছো। মই ভাৱো যে ইয়াত কথাবোৰ কোৱাতকৈ যদি মিটিঙত অংশ গ্ৰহণ কৰি মিউনিচিপালিটি সমূহক ভালকৈ পৰিচালনা কৰো তেতিয়াহ'লে ভাল হ'ব। ডাষ্টবিন দিয়া নাই বুলি কৈছে। কিন্তু যিটো টাইড গ্ৰাণ্ট আছে, তাত ডাষ্টবিন দিয়াৰ ব্যৱস্থা আছে। তাৰ পৰা ডাষ্টবিন দিব পাৰে। স্বচ্ছ ভাৰত মিশ্যনতো যথেষ্ট পইচা দিয়া হৈছে। স্বচ্ছ ভাৰতৰ কাৰণে প্ৰকল্প লগাবৰ বাবেও পইচা দিয়া হৈছে আৰু লিগেচী ওৱাইজ

চাফা কৰাৰ বাবেও পইচা দিয়া হৈছে। মই বাৰো যে যোৱা আঢ়ৈ বছৰত মিউনিচিপালিটি সমূহক আমি যি ধৰণে সহায় কৰিছো সেইটো আগতে কেতিয়াও হোৱা নাছিল। প্ৰপাৰ্টি টেক্স দিয়াৰ পৰা আৰম্ভ কৰি আমি বহুখিনি সংশোধন আনিছো। ভাৰত চৰকাৰে অসম চৰকাৰক আঠ শ কোটি টকা এই সমূহ সশোধন কৰাৰ বাবে পুৰস্কাৰ হিচাবে দিছে। সেয়েহে কাম কৰা নাই বুলি কোৱাটো অনুচিত হ'ব। তেওঁ যিটো কথা কৈছে যে চাফা নাথাকে, চাফা কৰি ৰখাটো মিউনিচিপালিটিৰ কাম। বিধায়ক এজনে যদি মিউনিচিপালিটিলৈ নাযায় বা মিটিঙতো শপত নলয়, তেতিয়া কথা কোৱাৰ অধিকাৰটো ক'ত থাকিব। সেইকাৰণে নিজৰ নিজৰ চহৰখন মাননীয় বিধায়কসকলে নিজে লাগি ভাল কৰিব লাগে। ধিং ৰ কাষত নগাওঁ চহৰখন আছে। নগাওঁৰ মাননীয় বিধায়য়ক গৰাকীয়ে কামৰ বাবে লাগি থাকে আৰু লাগি থকাৰ কাৰণে সৰ্বভাৰতীয় পৰ্য্যায়ত স্বচ্ছ ভাৰত পুৰস্কাৰ পালে। যিসকলে কামৰ বাবে লাগি থকে তেওঁলোকে পুৰস্কাৰ পায় আৰু যিসকলে লাগি নাথাকি কথা কৈ থাকে তেওঁলোকৰ কাম নহয়। কথা কৈ থাকিলে কাম নহয় কাম কৰিব লাগিব। ভাষণ দিলে যদি সকলো কাম হয় তেতিয়া সেইটো বেলেগ কথা আছিল। কিন্তু মই সন্মানীয় বিধায়কক অনুৰোধ কৰিম যে আপোনাৰ মিউনিচিপালিটিত পইচা যথেষ্ট আছে। আপুনি মিউনিচিপালিটিত গৈ Ex-officio Member হিচাবে শপত ল'ব লাগে। যোৱা একৈশ মাহত তেখেতে তাত শপত লোৱা নাই আৰু মিটিঙত অংশ গ্ৰহণ কৰা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ আপোনাৰ জৰিয়তে অনুৰোধ কৰিম যে প্ৰথমতে তাত গৈ Ex-officio Member হিচাবে শপত লওক আৰু মিটিঙত অংশ গ্ৰহণ কৰি দিহা-পৰামৰ্শ দি নিজৰ মিউনিচিপালিটিখন ভাল কৰি লওঁক। তাৰ ওপৰত যদি কিবা থাকে মই মন্ত্ৰী হিচাবে আছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় উপধক্ষ্য মহোদয়, আগৰবাৰ কমিটিত আমাক মাতিছিল আৰু আমি শপত লৈছিলো। এইবাৰ কমিটি হোৱাৰ পিছত আমাক মতা নাই । যিহেতু আমি বিৰোধী দলৰ সদস্য সেইকাৰণে আমাৰ দৰকাৰ নাই বুলি হয়তো ভাৱিছে। এই কথাটো মন্ত্ৰী মহোদয়ে চাব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। ইয়াত ডিবেটৰ স্ক'প নাই। আপুনি মাননীয় মন্ত্ৰী মহোদয়ৰ চেম্বাৰত গৈ আৰু কিছু কথা পাতি ল'ব আৰু পুৰস্কাৰৰ বাবে চেষ্টা কৰক।

**শ্ৰী অশোক সিংঘাল, মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদিঃ** উপাধ্যক্ষ মহোদয়, তেখেতে যিটো কথা ক'লে, সেইটোত সদন অলপ বিপথে পৰিচালিত হ'ব বুলি মই কৈ দিব খুজিছো । মই Assembly ত report place কৰি আছো যে তেখেতক মতা হৈছিল কিন্তু তেখেত যোৱা নাই। E.O.ই লিখিত ভাৱে দিছে, Director, Municipal Administration এ counter-sign কৰি দিছে, গতিকে আপোনালোকৰ বিচাৰৰ বাবে এইখিনি মই Assembly ত জমা দি আছো। এই কথা কোৱাটো সম্পূৰ্ণভাৱে অন্যায় হ'ব যে বিজেপিৰ বোৰ্ড বুলি তেওঁলোকক গুৰুত্ব দিয়া নহয়। ভাৰতীয় জনতা পাৰ্টীয়ে য'তে বোৰ্ড বনাইছে, ক'তো, কাকো বাদ দি কাম কৰাৰ চেষ্টা কৰা নাই, সকলোকে লগত লৈ কাম কৰাৰ চেষ্টা কৰি আছো। তাৰোপৰিও, তেখেতে যদি ভাৱে যে আমি কিবা কাৰণত তেখেতক .....interruptions .....

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মহোদয়, বটদ্ৰৱাৰ বিধায়িকা থাকিলেও ক'ব পাৰিলে হয়, আমাক মাতিলে oath ল'লো হয়, কিয়নো নল'ম, আগৰবাৰো লৈছো .....interruptions ....আপুনিতো তাত নাই,আপোনাক হয়তো তেওঁলোকে misguide কৰিছে........interruptions .....

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য please ....interruptions ..

**শ্ৰী অশোক সিংঘাল,(গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদি)ঃ** উপাধ্যক্ষ মহোদয়, *বিজেপিৰ বোৰ্ডে মোৰ লগত co-operate কৰা নাই* এই শব্দটো উঠাই ল'ব লাগে .....interruptions ..

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** বটদ্ৰৱাৰ বিধায়িকা আৰু সাংসদক সুধিলেও গ'ম পাব যে আজিলৈকে আমাক জনোৱা নাই, আগতে আমি একেলগে ......interruptions ..

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া, আপুনি মন্ত্ৰী মহোদয়ৰ চেম্বাৰত বহি লৈ কি কি কথা আছে পাতি ল'ব। কাৰণ তেখেতসকলে circular দিছে, তাৰ পিছতো যদি নাই মতা বুলি কয় এইটো mislead কৰা হ'ব। গতিকে, এইবিলাক বস্তু আপুনি আগতেই sure হৈ ল'ব, তাৰ পিছতহে সদনত কথাবোৰ ক'ব।

**শ্ৰী অশোক সিংঘাল, (মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদি)ঃ** উপাধ্যক্ষ মহোদয়, মই আপোনাৰ সচিবালয়ত জমা দিলো আৰু *বিজেপিৰ বোৰ্ড থকা বাবে তেওঁৰ লগত co-operate কৰা নাই* -এই শব্দটো উঠাই ল'ব লাগে...interruptions ..

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** আগৰ বাৰ কৰিছিল, এইবাৰ নকৰিলে আমি সেইটোৱে ভাৰি লৈছো....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** নহয়, তেখেতেতো এতিয়া evidence দি দিছে, এই ক্ষেত্ৰত কি ক'ব? উঠাই লওঁক, নহ'লে এইটো expunge কৰিব লাগিব । মাননীয় সদস্য, মন্ত্ৰী মহোদয়ে কিবা এটা অনুৰোধ কৰিছে, আপুনি তাৰ ওপৰত কি ক'ব?

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** ঠিক আছে, মই তেখেতৰ লগত বহি এইটো চাই ল'ম ...interruptions ...

**শ্ৰী অশোক সিংঘাল, (মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদি)ঃ** উপাধ্যক্ষ মহোদয়, *বিজেপিৰ বোৰ্ড থকা বাবে তেওঁৰ লগত co-operate কৰা নাই* -এই শব্দটো উঠাই ল'ব লাগে।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** চাৰ আমি সন্দেহ কৰিছো .......interruptions ..

**শ্ৰী অশোক সিংঘাল, মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা, ইত্যাদিঃ** সন্দেহ কৰিলে নহ'ব। মই তথ্যৰ ভিত্তিত কৈছো....interruptions ..

**মোঃ আমিনুল ইছলাম, (মানকাচাৰ)ঃ** যদি দোষী সাব্যস্ত কৰিব খোজে, এটা তদন্ত হওঁকযে মন্ত্ৰী মহোদয়ে যি papers দাখিল কৰিছে, সেই papers খিনি বিধায়ক আৰু সাংসদলৈ deliver কৰিছে নে নাই .....interruptions ...

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষঃ** সকলোৱে বহক। এনেকৈ নহ'ব। শূন্যকালীন ঘণ্টাত debate ৰ কোনো scope নাই।

এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যোৱা ০৩ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত-" শ শ অংগনবাদী কৰ্মী-সহায়িকাৰ বিক্ষোভ- অসম ৰাজ্যিক অংগনবাদী কৰ্মী-সহায়িকাৰ দ্বাৰা প্ৰতিবাদ অব্যাহত" শীৰ্ষক বাতৰি শূন্যকালীন ঘণ্টাত আলোচনা কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাৰ লগতে, আপোনাৰ জৰিয়তে মাননীয় অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, অংগনবাদী কৰ্মী-সহায়িকাসকলে প্ৰাক্-প্ৰাথমিক শিক্ষাকে ধৰি আমাৰ মাতৃসকলৰ কোলাৰ পৰা যেতিয়া শিশুসকল আনুষ্ঠানিক শিক্ষাৰ দিশে ধাৱমান হয় তেতিয়া অংগনবাদী কৰ্মী-সহায়িকাসকলে প্ৰতিজন শিশুক নিজৰ সন্তানৰ দৰে মৰম আদৰ কৰি যতন কৰি তেওঁলোকক শিক্ষাদান কৰে। তেওঁলোকৰ এই অৱদান আমি প্ৰতিজনেই একেমুখে স্বীকাৰ কৰিব লাগিব যে অংগনবাদী কৰ্মী-সহায়িকাসকলে কিমান ত্যাগ কৰে। কেৱল প্ৰাক্-প্ৰাথমিক শিক্ষাই নহয়, অংগনবাদী কৰ্মী-সহায়িকাসকলে প্ৰতিষেধক প্ৰেৰিত সেৱা, পুষ্টি আৰু স্বাস্থ্য শিক্ষা, স্বাস্থ্য পৰীক্ষা, পলিঅ' duty, BLO, ভোট কেন্দ্ৰৰ dutyৰ পৰা আৰম্ভ কৰি বিভিন্ন কামৰ লগত তেওঁলোক জড়িত হয়। প্ৰাক্-প্ৰাথমিক শিক্ষাৰ লগতে কেইবাটাও বিষয়ত জড়িত হোৱাৰ লগে লগে তেওঁলোকে দিনটো বা ৰাতিটো, বহু সময় ২৪ ঘণ্টাৰ প্ৰায় ১৭-১৮ ঘণ্টাকৈ সেৱা আগবঢ়াবলগীয়া হয়। অংগনবাদী কৰ্মী-সহায়িকাসকলক পোষণৰ কাম কৰিবলৈ যিসমূহ মোবাইল, বিভাগৰ তৰফৰ পৰা যোগান দিয়া হৈছে, সেইবোৰ প্ৰায় ৯০% বেয়া হৈছে। উন্নতমানৰ নাছিল যাৰ ফলত তেওঁলোকৰ কাম কৰাত যথেষ্ট অসুবিধা হৈছিল। প্ৰত্যেকটো মাহতে অংগনবাদী কৰ্মী-সহায়িকাসকলে অফিচত ৰিপৰ্ট দিব লাগে। তাৰ বাবে যি Form লাগে সেইবোৰ বিভাগীয় অফিচৰ পৰা যোগান দিয়া নহয়। তেওঁলোকে Formবোৰ কিনিব লাগে, যাৰ বাবে তেওঁলোকৰ পকেটৰ পৰা যথেষ্ট ধন ব্যয় হয়। মডেল অংগনবাদী কেন্দ্ৰৰ যোগেদি বিভাগে কিছু কেন্দ্ৰৰ কাম কৰিছে, তাক আমি স্বীকাৰ কৰো, কিন্তু এতিয়াও জৰাজীৰ্ণ ৰূপত হাজাৰ হাজাৰ অংগনবাদী গৃহ আছে, য'ত কণমানি শিশু সকলক শিক্ষা দিয়াৰ সময়ত বিভিন্ন ভাবুকি আহি পৰে। গতিকে, অংগনবাদী কৰ্মী-সহায়িকাসকলৰ যি অৱদান, সেই অৱদান হিচাপে যোৱা ৭ টা বছৰ ধৰি চৰকাৰৰ ফালৰ পৰা অসমৰ অংগনবাদী কৰ্মী সকলক ৬৫০০ টকা আৰু সহায়িকা সকলক ৩২৫০ টকাকৈ মাননি দি আছে। এই মাননি বৰ্তমান মূল্যবৃদ্ধিৰ সময় ক্ষণত বা তেখেতসকলক যি কামৰ দায়িত্ব দিয়া হৈছে, সেই অনুপাতে যথেষ্টখিনি কম। আজি বছৰ বছৰ ধৰি অংগনবাদী কৰ্মী-সহায়িকাসকলে বিভিন্ন প্ৰতিবাদ কৰি আহিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিভাগীয় মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ অফিচে অফিচে অংগনবাদী কৰ্মী-সহায়িকাসকলে সময়ে সময়ে প্ৰতিবাদ কৰে। কিন্তু, আজিৰ তাৰিখলৈকে ৰাজ্য চৰকাৰে সেই অংগনবাদী কৰ্মী-সহায়িকাসকলৰ ওপৰত কোনো ধৰণৰ দৰদ বা তেওঁলোকে যি কাম কৰে সেই হিচাপে তেওঁলোকক সন্মান দিয়া নাই বুলি আমি সকলোৱে জানো। উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে ভাৰতবৰ্ষৰ বেলেগ বেলেগ ৰাজ্যসমূহত অংগনবাদী কৰ্মী-সহায়িকাসকলক কি ধৰণে মাননি দিয়ে তাৰ এটা তথ্য দিব বিচাৰিছো— তামিলনাডুত কৰ্মী সকলক ২৪,২০০ টকা, সহায়িকাসকলক ১২,৫০০ টকা; কেৰালা ৰাজ্যই কৰ্মীসকলক ১০,০০০ টকা, সহায়িকাসকলক ৭০০০ টকা; দিল্লীয়ে কৰ্মীসকলক ১২,৭২০ টকা, সহায়িকাসকলক ৬৮১০ টকা; মধ্য প্ৰদেশে কৰ্মীসকলক ১০,০০০ টকা, সহায়িকাসকলক ৫০০০ টকা; গুজৰাটে কৰ্মীসকলক ১০,০০০ টকা, সহায়িকাসকলক ৫,৫০০ টকা; হিমাচল প্ৰদেশে কৰ্মীসকলক ৯,১০০ টকা, সহায়িকাসকলক ৪,৭০০ টকা; ঝাৰখণ্ডে কৰ্মীসকলক ৯,৫০০ টকা, সহায়িকাসকলক ৬,৭০০ টকা; মহাৰাষ্ট্ৰই কৰ্মীসকলক ৮,৩২৫ টকা, সহায়িকাসকলক ৪,৪২৫ টকা; কৰ্ণাটকত কৰ্মীসকলক ১১,৫০০ টকা, সহায়িকাসকলক ৬,৭৫০ টকা; উৰিষ্যাই কৰ্মীসকলক ৭,৫০০ টকা, সহায়িকাসকলক ৩৭৫০ টকা, ত্ৰিপুৰা ৰাজ্যই কৰ্মী সকলক ৯,৮৪৬ টকা, সহায়িকাসকলক ৫,৭৬৮ টকা; পঞ্জাৱে কৰ্মীসকলক ৯,৫০০ টকা, সহায়িকাসকলক ৫,১০০ টকা দিয়ে। এনেদৰে বেলেগ বেলেগ ৰাজ্যৰ আৰু উদাহৰণ দিব পাৰো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ

ৰাজ্য চৰকাৰে প্ৰতিটো মূহুৰ্ততে অসমক ভাৰতবৰ্ষৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত লৈ যোৱাৰ কথা কয়। বেলেগ বেলেগ ৰাজ্যবোৰত যদি কৰ্মী আৰু সহায়িকাসকলক ইমান সুবিধা দিব পাৰে, ইমান মাননি দিব পাৰে, আমাৰ অসমৰ ৰাজ্য চৰকাৰে কিয় দিব নোৱাৰে? সেয়েহে, উপাধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰৰ লগতে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে অসমৰ অংগনবাদী কৰ্মী আৰু সহায়িকাসকলৰ দীৰ্ঘদিনীয়া যি দাবী, সেই দাবীক ন্যায্যতা দিব লাগে, তেওঁলোকৰ মাননি বৃদ্ধি কৰিব লাগে। সেই কথাখিনিকে কৈ আকৌ সুযোগ দিয়াৰ বাবে আৰু ৰাজ্য চৰকাৰৰ পৰা উপযুক্ত এটা ভাল উত্তৰ পাম বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য, মন্ত্ৰী মহোদয়ে request কৰিছে যে আপোনাৰ replyটো অহা কাইলৈ দিব। অহাকালি আপুনি উত্তৰটো পাই যাব।

এতিয়া কাৰ্য্যসূচী নং-০২ . Under Rule 54, মই মাননীয় সদস্য আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়াক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**মোঃ আমিনুল ইছলাম, (মানকাচাৰ)ঃ** অসম বিধান সভাৰ কাৰ্য্য আৰু পৰিচালনাৰ নিয়মাৱলীৰ Rule 54 ৰ অধীনত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আজি যি বিষয় উত্থাপন কৰিব বিচাৰিছো, অসমৰ ২৭ লাখ মানুহৰ আধাৰ কাৰ্ডৰ বিষয়ে, সেইটো ইতিমধ্যে Question তো আহিছিল। আমি লক্ষ্য কৰিছো, NRC ৰ যেতিয়া প্ৰস্তুতকৰণ চলি আছিল, সেই সময়ত ১৯ লাখ ৬ হাজাৰ মানুহৰ আধাৰ কাৰ্ড হোৱা নাছিল আৰু কোৱা হৈছিল যে এটা SOP বনোৱা হৈছিল। সেই SOP মতে কোৱা হৈছিল যে . এইখিনি মানুহ আধাৰ কাৰ্ড ঘৰে ঘৰে যাব। তেখেতসকলৰ biometric collect কৰা হৈছিল। এই ১৯,০৬,০০০ মানুহৰ আধাৰ কাৰ্ড আজিলৈকে নহ'ল। লগতে যিসকল মানুহৰ NRC আহিল তেখেতসকলৰো ৮,০০,০০০ মানুহৰ আধাৰ কাৰ্ড নহ'ল। যাৰকাৰণে ৰেচন কাৰ্ড হোৱা নাই, অৰুণোদয় আঁচনি পোৱা নাই, উজ্বলা বেঙ্ক একাউন্ট, জনধন একাউন্ট, লোন ফেচিলিটি, driving license, Government beneficiary, ayusman card, digital india ৰ বিভিন্ন সুবিধা, job card ৰ লগত adhar link আদি যি বিভিন্ন সুবিধা পাব লাগে ৰাজ্যৰ ১৯,০০০০০ মানুহে ২০১৮ চনৰ পৰা পোৱা নাই। এই বিষয়ে ইয়াৰ আগতেও মই বিধান সভাত উত্থাপন কৰিছিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে আধাৰ কাৰ্ড যিহেতু Supreme Court ৰ এটা matter হৈ আছে, আমি জানো যে NRC প্ৰস্তুত কৰণৰ সময়ত প্ৰায় ১৬,০০০ কোটি টকা ৫৬,০০০ কৰ্মচাৰী ৬ বছৰ কাম কৰি NRC prepare কৰিছে। তাৰ পিছত Supreme Court যে স্পষ্টভাৱে clear কৰিলে যে এই বস্তুটো claim and objection ৰ জৰিয়তে যেতিয়া হ'ব তেতিয়া আধাৰ কাৰ্ড বিলাক প্ৰদান কৰা হ'ব। আজিলৈকে এই claim and objection ৰ বিষয়টো স্পষ্ট হোৱা নাই। ২০২২ চনৰ ১৭ মে'ত এটা PIL হ'ল Supreme Court ত। সেই সম্পৰ্কেও Supreme Court য়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ, Register General of India, UIDAI তেখেতসকলে এখন letter দিলে যে এই বিষয়টো কেনেকৈ সমাধান কৰিব পাৰি। তাৰ ওপৰত এটা সিদ্ধান্ত ল'ব লাগে। সেই মৰ্মে ২০২২ চনত অসমত এখন কেবিনেট হ'ল। সেই কেবিনেটৰ সিদ্ধান্তটো RGI ক জনোৱা হ'লনে? যদিও অসমত ৯৪ শতাংশ মানুহে আধাৰ কাৰ্ড পোৱা বুলি কোৱা হৈছে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে Ministry of Electronics and Information Technology য়ে UIDAI লৈ ১১-০৮-২০২২ তাৰিখে এখন চিঠি issue কৰিছিল। সেইমতে তেখেতসকলে কৈছে যে ৯৯

শতাংশ মানুহৰ আধাৰ কাৰ্ড হৈ গৈছে আৰু এই বিষয়ে under section of the other and targeted delivery of the Financial and the other Subsidies Benifit and Service Act, 2016 as amended is Section-7 ত এই কথাটো স্পষ্টভাৱে কৈ দিয়া হৈছে যে State Government may require the Adhar number holder to under go authentication or to furnish proof or possession of the Adhar Number for delivery of the subsidies, benifits, services under section-7 of this Act. The Adhar no.has been assigned to an individual he or she may make an application for enrolment and till such time Adhar No. is assigned to such individual he or she may avail the subsidies, benifits, services through alternate and viable means of identification along with the Adhar enrolment benifits.এতিয়া কথাটো হ'ল Central Government য়ে already 11-08-2022 চনত তেখেতসকলে জনাইছে Acts amendment কৰি other benifit বিলাক দিব দিয়া হৈছে। তাৰপিছতো কিয় ২০১৮-২০২৪ চনলৈকে ৰাজ্যৰ ১৯,০০০০০ মানুহে এই আধাৰৰ পৰা বঞ্চিত হৈ আছে?

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ আচল কথাটো হৈছে অসমৰ ২৭,০০০০০ মানুহে আধাৰ কাৰ্ড পোৱা নাই, সেইটো কেনেকৈ পাব পাৰে।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰটো তেখেতে দিছে। এইটো এটা উদ্বেগজনক কথা যে ২৬,৫২,৭৮৪ গৰাকী মানুহৰ আধাৰ কাৰ্ড নাই। কিন্তু এই গোটেই বিষয়টো NRC related আৰু NRC ৰ গোটেই কেচটো এতিয়াও সম্পূৰ্ণকৈ নিস্পত্তি হোৱা নাই। NRC ৰ গোটেই বিষয়টো subjudice. গতিকে subjudice কাৰণে এই মানুহখিনিক সহায় কৰিবলৈ অপাৰগ , কিন্তু অসম চৰকাৰে এই ক্ষেত্ৰত কৰণীয়খিনি নিশ্চয়কৈ কৰিছে। সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ এখন sub committee আছিল। মাননীয় অতুল বৰা ডাঙৰীয়া তাৰ অধ্যক্ষ আছিল আৰু মইও তাৰ সদস্য আছিলো, মাননীয় যোগেন মহন ডাঙৰীয়াও তাৰ সদস্য আছিল। অসমৰ যিসকল ব্যক্তি এই NRC ৰ কেচটোৰ লগত related AASU, AJYCP বা বিভিন্ন জাতীয় সংগঠন সমূহৰ লগত আলোচনা কৰি আমি সিদ্ধান্ত লৈছিলো বা তেখেতলোকেও আমাক পৰামৰ্শ দিছিল যে এইসকল ব্যক্তিয়ে আধাৰ কাৰ্ড পাব লাগে, বিদেশী হয় নে নহয় সেইটো Supreme Court য়ে থিৰাং কৰিব। কিন্তু উপাধ্যক্ষ ডাঙৰীয়া, আমি এই বিষয়ে কেন্দ্ৰীয় চৰকাৰক জনাইছো, কেন্দ্ৰীয় চৰকাৰেও office memorandum প্ৰেৰণ কৰিছে। কিন্তু মই আকৌ কৈছো যে যিহেতু এই গোটেই বস্তুটো উচ্চতম ন্যায়ালয়ৰ বিচৰাধীন গতিকে আমাৰ কিছু অসুবিধা হৈছে। উচ্চতম ন্যায়ালয়ত কেইবাটাও কেচ চলি আছে, সকলোৱে জানে। যিহেতু কেচ চলি আছে subjudice matter, সেইকাৰণে আমি কৰিব পৰা নাই। কোৰ্টে যদি আমাক নিৰ্দেশ দিয়ে অতি সোনকালে আমি কৰিবলৈ সিদ্ধান্ত লম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, (মানকাচৰ) ঃ** মই মাত্ৰ এটা কথা ক'ব বিচাৰিছো। এইটো যে এটা subjudice matter মই বুজি পাইছো। ৰাজ্য চৰকাৰে কেবিনেট সিদ্ধান্ত লৈ RGI ৰ জৰিয়তে যিখিনি পৰিবলগা আছিল সেইখিনি কৰি ৰাজ্যচৰকাৰে যদি RGI ৰ জৰিয়তে এখন affidavit কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰে যে আমাৰ এই বিষয়টো subjudice হৈ আছে আৰু ১৯ লাখ মানুহ বঞ্চিত হৈ আছে। ইতিমধ্যে Indian Government ৰ পৰা Assam Government লৈ letter আহিছে যে এই বাকী যিখিনি benifit আছে, সেইখিনি পাব লাগে। গতিকে সেই সুবিধাখিনি immediately ব্যৱহাৰ কৰিবলৈ দিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়ে চিন্তা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৩। Under Rule-301.ইয়াত তিনিগৰাকী সদস্য আছে। মই আপোনালোকক অনুৰোধ জনাম যাতে ৫ মিনিটত কথাখিনি শেষ কৰে। এতিয়া মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা, ডুলীয়াজান ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। অসমৰ চাহ জনগোষ্ঠীৰ প্ৰায় ৩১ টাৰো অধিক গোষ্ঠী এতিয়াও চৰকাৰৰ ঘৰত নাম নথকাৰ এটা জৰুৰী বিষয় আজি ৩০১ ত উত্থাপন কৰাৰ বাবে। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মই বিষয়টো আলোচনা কৰিব বিচাৰিছো। বিষয়টো হৈছে চাহ জনগোষ্ঠীৰ একাংশ লোকে জাতিগত প্ৰমান পত্ৰ নোপোৱা সম্পৰ্কে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি জানো যে বৰ্তমান ভাৰতৰ সংবিধানেও বিভিন্ন category ত বা বিভিন্ন শ্ৰেণীত বিভিন্ন ব্যৱস্থা সংৰক্ষণ কৰি সুবিধা প্ৰদান কৰি আছে। অসম চৰকাৰেও চাহ জনগোষ্ঠীৰ লোক সকলৰ বাবে বিশেষ বিবেচনাৰে কেইবাটাও অভিলাসী আঁচনি গ্ৰহন কৰি ইতিমধ্যে Directorate of Tea Tribes Welfare নামৰ এটা বিভাগ খুলি যথেষ্ট সহায় আগবঢ়াইছে। কিন্তু আমাৰ প্ৰায় শতাধিক জাতি গোষ্ঠী সম্প্ৰদায় থকাৰ পাছত প্ৰায় ৩১ টাৰো অধিক গোষ্ঠী সম্প্ৰদায়ে এতিয়াও পূৰ্বৰ WPT&BC আৰু বৰ্তমানৰ Social Justice and Empowerment Department ত এই সকলৰ নাম নাই। নাম নথকাৰ কাৰণে এই লোকসকলে বৰ্তমান জাতিগত প্ৰমান পত্ৰৰ পৰা বঞ্চিত হ'বলগা হৈছে।

দ্বিতীয়তে, অসম চৰকাৰে বিশেষ বিবেচনাৰে উচ্চ শিক্ষাৰ বাবে যি আসন সংৰক্ষণ কৰিছে বিশ্ববিদ্যালয় পৰ্য্যায়ত অধ্যয়ন কৰিবৰ কাৰণে তাৰ পৰা বঞ্চিত হৈছে। চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত প্ৰায় ১৮ টাত কৈও অধিক আসন সংৰক্ষণ কৰিছে কিন্তু এই ৩১ টাতকৈ অধিক জনগোষ্ঠীৰ লোকসকলে তাত অধ্যয়ন কৰাৰ সুবিধা পোৱা নাই। চাহ জনজাতি কল্যাণ বিভাগে আগবঢ়োৱা সকলো সা-সুবিধাৰ পৰা তেওঁলোক বঞ্চিত হৈছে। চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলে ছাত্ৰ বৃত্তি বা জলপানীৰ পৰা তেওঁলোক বঞ্চিত হৈছে। অসমৰ চাহ জনগোষ্ঠীৰ অন্তৰ্ভুক্ত ১) বাক্তি, ২) ভূইহঁৰ, ৩) বনিয়া, ৪) ভূঁই, ৫) দেৰমাঝি/দণ্ডচুতাৰ, ৬) টংলা, ৭) কালাৰ/কালুৱাৰ, ৮) খৈৰা, ৯) কায়স্থ, ১০) মাৰাৰ, ১১) মেহেৰা, ১২) পাতৰ, ১৩) পাইক, ১৪) পুজৰভক্তা, ১৫) পুৰান, ১৬) ৰাজপুত/চত্ৰী, ১৭) ৰাওতিয়া, ১৮) চবৰ, ১৯) চুৰি/চুণ্ডী, ২০) হো, ২১) কুৰ্কু, ২২)গোঁছাই,

২৩) হাজাম, ২৪) মালাহাৰ, ২৫) মৈৰা, ২৬) মাল, ২৭) ভাইনা, ২৮) দেহুৰি, ২৯) কাছাঁৰী, ৩০) গঞ্জু, ৩১) উজিৰ এই ৩১ টা গোষ্ঠীৰ উপৰিও আৰু কেইবাটাও গোষ্ঠী বাদ পৰি গৈছে। আপোনাক জনাইছো যে প্ৰায় ১৯৭৫ চনত প্ৰথমবাৰৰ বাবে যদি WPTBC ত তালিকা অন্তৰ্ভুক্ত কৰা হৈছিল আৰু ভাৰতৰ সংবিধানৰ ৩৪২ এ আৰু সংবিধান ১০২ আৰু ১০৫ নং সংশোধনীৰ জৰিয়তে সামাজিক আৰু শিক্ষাগত ভাৱে পিছপৰা শ্ৰেণীৰ এই কিছু লোকক ইয়াত তালিকাভূক্ত কৰা হৈছিল। এই কাৰণে এই বিষয়টোত যিহেতু মই জড়িত, সেই কাৰণে মই যোৱা বিধান সভা চলি থাকোতে প্ৰায় ৩০ টাৰ অধিক গোষ্ঠী আবেদন লৈ আহিছিল মাননীয় মন্ত্ৰী মহোদয়ক যেনেকৈ বিধান সভাত কলো পৰৱৰ্তী সময়ত WPTBC ত যদি হিয়াৰিং হৈ আছে কিন্তু যথেষ্ট পলম হৈছে, মই ভাৱো অতি সোনকালে ইয়াৰ হিয়াৰিং সম্পূৰ্ণ কৰিব লাগে শুনাণি সম্পূৰ্ণ কৰি এই গোষ্ঠী বিলাকক যাতে অতি সোনকালে তালিকা ভুক্ত কৰিব লাগে। আৰু existing যি তালিকা আছে এই তালিকাত যথেষ্ট নাম বিলাক ভুলকৈ আছে আৰু মই দেখিছো যে ১৯৭৫ ৰ ২৭ নৱেম্বৰত যিটো অসম চৰকাৰে তালিকা প্ৰকাশ কৰিছিল আৰু তাৰ পিছত tea and ST garden tribes বুলি কৈছে। তাতেও যিবিলাক আমাৰ original committeeত include নহয় সেইবিলাকৰ ইয়াত নাম ভৰোৱা হৈছে আৰু original যিখিনি আছে তেওঁলোকৰ নামবোৰো ইয়াত ভুলকৈ লিপি বদ্ধ কৰা আছে। উদাহৰণ স্বৰূপে আমাৰ মিৰ্ধা গোষ্ঠী আছে, কিন্তু ইয়াত মিৰ্ধাৰ লিখিছে। বাউৰী আছে কিন্তু ইয়াত বৌৰী লিখিছে। বৰাইক আছে কিন্তু ইয়াত বৰাক লিখিছে। এই ধৰণে ভুল বিলাক আছে মই ভাৱো ইয়াৰ কাৰণে এটা কমিটী বনাই ইয়াৰ পুনৰ স্কুটুনি কৰিব লাগে আৰু শুদ্ধকৈ নাম ভৰাব লাগে। যিহেতু এইটোত ভুল হোৱাৰ কাৰণে চাহ বাগিছাত বিশেষকৈ আগৰ দিনত শ্ৰমিক বিলাকৰ নাম মাংগ্ৰা, চম্ৰা আদি ধৰণে লিখা আছিল এতিয়া আধাৰ লিং কৰাৰ পিছত আজি যি জৰজীৰ্ণ অৱস্থা হৈছে তেওঁলোকে যি হতশাত ভূগিছে মই ভাৱো ইয়াৰ কাৰণে স্পিচিয়েল এটা বিবেচনা কৰিব লাগে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাম যে অতি সোনকালে যাতে এই বিষয়টো সমধানৰ কাৰণে যিহেতু OBC Commissioner ৰ হাতত যথেষ্ঠ তথ্য নাই। মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছে যে তথ্য নাই। গতিকে চাহ জনগোষ্ঠীৰ যি সকল বৰেণ্য ব্যক্তি আছে বিভিন্ন সমাজ বিলাক আছে মই এটা অনুষ্ঠান পাতিছিলো তাত প্ৰায় ৯৩ টা সমাজ সংগঠনৰ সভাপতি সম্পাদক সকল আছে, তেওঁলোকে ইন্টাৰভিউ দি তেওঁলোকৰ বিভিন্ন নিতাত্বিক বিষয় বিলাকৰ কিতাপ বিলাক আছে এই ক্ষেত্ৰত সহায় কৰিবৰ কাৰণে এটা পূৰ্ণংগ পৰ্য্যায়ত এটা সভা আহ্বান কৰি যাতে আমিও সহায় কৰিব পাৰো, আমিও সমধান কৰিব পাৰো তাৰ কাৰণে আহ্বান জনাই মই আজি ৩০১ ত এই বিষয়টো উত্থাপন কৰিব দিয়াৰ কাৰণে পুনৰবাৰ ধন্যবাদ জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া উত্তৰ দিয়াৰ আগতে মই আৰু এটা কথা ইয়াত কৈছো এটা জনগোষ্ঠী আছিল লুনীয়া, তেনেধৰণৰ তেখেত সকলে ও বি চি ৰ প্ৰমাণপত্ৰ পাই থাকে কিন্তু এতিয়া ও বি চি ৰ প্ৰমাণ পত্ৰ পাবলৈ আকৌ Tea Tribe Welfare Board ৰ পৰা NOC ল'ব লাগে। কিন্তু তেখেত সকলে TGL /Ex-TGL claim নকৰে। এই ও বি চি যিখিনিয়ে পাই আছে সেই খিনিয়ে পাই থকাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ অসুবিধাটো হৈছে TGL, Ex-TGL. গতিকে এই NOC লোৱাৰ অসুবিধা পাইছে এইখিনি বস্তু চাব। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উপস্থাপন কৰিছে, কিন্তু তেখেতে জানে যে কাম খিনি বৰ্তমান চলি আছে। অৱশ্যে কৈছে

তেখেতে কাম খিনি অলপ স্পিডত হ'ব লাগে বুলি কৈছে। সন্মানীয় সদস্য গৰাকীয়ে কৈছে যে ১) বাক্‌তি, ২) ভূইহঁৰ, ৩) বনিয়া, ৪) ভূঁই, ৫) দেৰমাঝি/দণ্ডচুতাৰ, ৬) টংলা, ৭) কালাৰ/কালুৱাৰ, ৮) খৈৰা, ৯) কায়স্থ, ১০) মাৰাৰ, ১১) মেহেৰা, ১২) পাতৰ, ১৩) পাইক, ১৪) পুজৰভক্তা, ১৫) পুৰান, ১৬) ৰাজপুত/চত্ৰী, ১৭) ৰাওতিয়া, ১৮) চবৰ, ১৯) চুৰি/চুণ্ডী, ২০) হো, ২১) কুৰ্কু, ২২)গোঁছাই, ২৩) হাজাম, ২৪) মালাহাৰ, ২৫) মৈৰা, ২৬) মাল, ২৭) ভাইনা, ২৮) দেহুৰি, ২৯) কাছাঁৰী, ৩০) গঞ্জু, ৩১) উজিৰ এই কেইটা এতিয়ালৈকে ও বি চিত তালিকাভুক্ত হোৱা নাই। আমি পৰ্য্যায়ক্ৰমে OBC ত তালিকাভূক্ত কিছু কিছু সম্প্ৰদায়ক আমি কৰি আছো, জাতি জনগোষ্ঠীক আমি কৰি আছো আৰু এই কেইটাৰ কাৰণেও আমি আমাৰ যিখন পিছপৰা শ্ৰেণীৰ আয়োগ আছে তেওঁলোকলৈ প্ৰেৰণ কৰিছোঁ। তেখেত লোকেও পিছপৰা আমাৰ যিখন OBC কমিচন আছে ও বি চি কমিচন তেখেতলোকে আবেদন দিছিল, সেই আবেদন খনৰ মাধ্যমত এই ৩১ টা জনগোষ্ঠীক কেনেকৈ MOBC ৰ তালিকা ভুক্ত কৰিব পাৰি তাৰ কাৰণে শুনাণি গ্ৰহণ কৰিছে। এই শুনাণি মৰ্মে অসম পিছপৰা শ্ৰেণীৰ আয়োগৰ ১৯-০১-২০২৪ ইং তাৰিখে অনুষ্ঠিত বৈঠকত জনগোষ্ঠী সমূহৰ সামাজিক শৈক্ষিক আৰু অৰ্থনৈতিক পিছপৰা পাৰ্মেনেন্ট তথ্য আহৰণৰ কাৰণে স্থানীয় জৰীপ চলোৱা সিদ্ধান্ত লৈছে। অলপ যিহেতু জৰীপ কৰিব লাগিব তেওঁলোক প্ৰকৃততে MOBC হ'ব লাগে নে নালাগে, গতিকে জৰীপৰ যোগেদিহে এই কামটো সম্পূৰ্ণ কৰিব পাৰি জৰীপ চলি আছে কিন্তু আমাৰ যিখন ও বি চি কমিচন আছে তেখেত সকলক মই অনুৰোধ কৰিম যাতে গোটেই প্ৰক্ৰিয়াটো expedite কৰে, সোনকালে, যিখিনি অন্তৰ্ভুক্ত হ'ব লাগে। এই মুহূৰ্তত জৰীপ নোহোৱালৈকে বা তেখেতলোকৰ ৰিকমেণ্ডচন নহালৈকে ক'ব নোৱাৰো যে ৩১ টাৰ ৩১ টায়ে MOBC ৰ তালিকাভূক্ত হ'ব বা OBC ৰ তালিকাভূক্ত হ'ব বুলি আমি বিভাগক কব নোৱাৰো। কিন্তু তেখেত সকলে যাতে অলপ সোনকালে কৰি দিয়ে তাৰ কাৰণে মই তেখেত সকলক অনুৰোধ জনাম আৰু মাননীয় সদস্য গৰাকীয়ে যি এড্ভাইচ কৰিছে, সেইটো প্ৰকৃততে খুব complicated বিষয়। তেখেত সকলে এই বিষয় জানে কাৰণ তেওঁলোকৰ এই জাতি জনগোষ্ঠীৰ লগত একেলগে বসবাস কৰে। গতিকে তেখেত সকলৰ পৰা সময়মতে আমি এড্ভাইচ লওঁ। কিন্তু মাননীয় সদস্য গৰাকীয়ে আকৌ যি ধৰণে কৈছে চাহ জনগোষ্ঠীৰ বিশিষ্ট ব্যক্তি সকলক মাতি আনি তেখেত সকলৰ মতামত ল'ব লাগে এই ক্ষেত্ৰত অতি সোনকালে তেখেত সকলক মতা হ'ব আৰু এই প্ৰক্ৰিয়াটো যিমানপাৰো খৰটকীয়া কৰি এই মানুহসকলক অ বি চি হওঁক বা এম অ বি চি ৰ তালিকাভুক্ত কৰিবলৈ চেষ্টা চলাম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এটা confusion থাকে, একে উপাধি TGL, EX-TGL ও থাকে আৰু বিহাৰী সম্প্ৰদায়ৰ লোকো থাকে। এইটো অলপ চালে আমাৰ যি সকলে ও বি চি পাই আছে তেখেত সকলে পাই থকাত যাতে অসুবিধা নহয় আৰু TGL, EX-TGL ত বেলেগ মানুহো সোমাব নালাগে। এই বস্তুটো অকমান চাব লাগিব। এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া।

**শ্ৰীঅখিল গগৈ ঃ** অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি মোক অসমৰ পৰ্যটন ক্ষেত্ৰলৈ পৰ্যটকক আকৰ্ষণ কৰিবলৈ চৰকাৰী উদ্যোগৰ প্ৰয়োজনীয়তা। এই বিষয়টোত কবলৈ দিয়াৰ কাৰণে মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ পৰ্যটন ক্ষেত্ৰটোৰে যথেষ্ট পৰিমাণে সংকতৰ সন্মূখীন হৈছে

এইবাৰ ২০২৩ চনত। ২০২২ চনত অসমলৈ পৰ্যটক খুব আহিছিল। মুঠৰওপৰত ২০২২ ত এটা বুম হৈছিল পৰ্যটকৰ। কাৰণ কভিডৰ পিছত মানুহ বিলাক বিদেশলৈ যাব পৰা নাছিল গোটেই ভাৰতৰ domestic পৰ্যটক বিলাক আমাৰ অসমলৈ আহিছিল। এতিয়া ২০২৩ চনত যথেষ্ট পৰ্যটক কমিছে। যেনেকৈ ধৰক আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যাণ তাত ২০২৩ চনতকৈ ২০২৪ চনৰ জানুৱাৰী মাহত ৮৫৮ জন পৰ্যটক কমে। শিৱসাগৰৰ তলাতল ঘৰত ২০২২ চনত ডিচেম্বৰত যিমান আহিছিল তাতকৈ ২০২৩ চনৰ ডিচেম্বৰত ১১৫৫৮ কমি গ'ল। ৰংঘৰত আকৌ ৪১৮৪ জন এইবাৰ ডিচেম্বৰ মাহত কমিলে। কাজিৰঙাৰ অৰ্কিত পাৰ্কত জানুৱাৰী২০২৩ চনত যিমান আছিল ২০২৪ চনত ৪৭৬৪ জন কমিছে। গুৱাহাটীৰ এখন ক্ৰুজত মই সুধিছিলো যোৱা ৰবিবাৰে, তেখেতে কৈছিল যে সাধাৰণতে এই সময়খিনিত আগতীয়াকৈ বুকিং কৰে আৰু মানুহসকলে ক্ৰুজত উঠিবলৈ সুযোগ নপায়, কিন্তু সেই ৰবিবাৰৰ দিনা মাত্ৰ দিনাৰ পৰ্যটক ৫ জন থকাৰ কাৰণে ক্ৰুজৰ টুৰটোৱে কেনচেল কৰিব লগীয়া অৱস্থা হৈছে। অৰ্থাৎ এই সময়ত পৰিস্থিতি খুব বেয়া। পৰিস্থিতি অভুতপূৰ্ব, পৰ্যটকত আমাৰ এটা declining পৰ্য্যয় এটা আহি গৈছে। এনেকুৱা সময়ত আমি আলোচনা কৰিবলগীয়া মূল বিষয়টো হ'ল যে পৰ্যটন খণ্ডটোত আমি সচাঁকৈ আৰু boostup কৰিব লাগে। আজিৰ দিনটোলৈকে অসম পৰ্যটক মানে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান যেতিয়া খোলে অসমত পৰ্যটন খোলে সেই চিজনটোত, আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান যেতিয়া বন্ধ হৈ যায় তেতিয়া পৰ্যটন অহা বন্ধ হৈ যায়। তাৰ মানে আজিৰ দিনটোতে অসমত পৰ্যটন পৰ্যটন বিভাগে চলাই থকা নাই। অসমত পৰ্যটন চলাই আছে বন বিভাগে। এতিয়ালৈকে পৰ্যটন বিভাগে বিশেষ কাম কৰিবই পৰা নাই। তাৰোপৰি আজি আপুনি যদি চাই হেৰিটেট পৰ্যটনৰ ক্ষেত্ৰতো যদি চাই ৰং ঘৰ বা তলাতল ঘৰৰ ক্ষেত্ৰতো যদি চাই তেতিয়া আমাৰ state archeological য়ে আচলতে তাত পৰ্যটন চলাইছে। আমাৰ পৰ্যটন বিভাগে এতিয়ালৈকে বিশেষ ধৰণৰ কোনো কাম কৰিব পৰা নাই। আমি কামাখ্যাৰ ক্ষেত্ৰতো চাইছো পৰ্যটন। কিন্তু আমি জানি এইটো আচৰিত হওঁ যে কামাখ্যালৈ যিখিনি মানুহ আহে বিশেষকৈ অম্বুবাসি মেলাৰ সময়ত যিখিনি মানুহ আহে তাৰ পৰা অৰ্থনৈতিক ভাৱে আমি কি ধৰণে উপকৃত হ'ম। অম্বুবাসি মেলালৈ অহা গোটেই ভক্ত সকলক খাদ্যৰ যোগান ধৰা হয় থাকিবলৈ ঠাই দি দিয়া হয়। গতিকে আমি পাব লগীয়া অৰ্থনৈতিক যিটো সুবিধা সেইটো বিশেষকৈ অম্বুবাসীৰ মেলাৰ সময়ত যিখিনি মানুহ আহে, তাৰ পৰা আমি টুৰিষ্ট হিচাপে অৰ্থনৈতিক ভাবে কি ধৰণে উপকৃত হওঁ। গোটেই অম্বুবাসী মেলালৈ অহা ভক্ত সকলক খাদ্য যোগান ধৰা হয় আশ্ৰয়ৰ কাৰণে ঠাই দিয়া হয় । গতিকে আমি পাবলগীয়া যিটো অৰ্থনৈতিক সুবিধা, যিখিনি আমি পইচা পাব লাগে, ইয়াত investment হ'ব লাগে সেই বিলাক আমি নাপাওঁ। গতিকে এই গোটেই কথাবিলাক চাই আমি ভাবো যে এতিয়া tourism সম্পৰ্কে এটা নতুন দৃষ্টিভংগী হ'ব লাগে। মই তিনিটা দৃষ্টিকোণৰ পৰা এই কথাটো ক'ব খুজিম। ১) আমাৰ tourism , all season tourism হ'ব লাগে। আটাইতকৈ ডাঙৰ কথা আচলতে অসমত no season is off season in Assam অসমত আচলতে কোনো off season থাকিবই নোৱাৰে। আচলতে এপ্ৰিল মাহত যেতিয়া কাজিৰঙা বন্ধ হৈ যায়, tourism বন্ধ হৈ যায় কিন্তু এপ্ৰিলৰ পৰা আমাৰ অসমখন বেছি সেউজীয়াহে হৈ যায়। অসমৰ বাহিৰত নাম আছে কি, greenery ৰ কাৰণে। কিন্তু যেতিয়া আচল সেউজীখিনি আহে তেতিয়া tourism য়ে বন্ধ হৈ যায়। গতিকে আমাৰ tourism টোক যদি sustainable Industry ত পৰিণত কৰিব লাগে। তেতিয়া হ'লে আমি অসমক all season tourism কৰিবৰ কাৰণে ব্যৱস্থা ল'ব লাগিব। যদি আমি সেইটো কৰিব

নোৱাৰো তেতিয়াহ'লে tourism sector ত প্ৰকৃতাৰ্থত বিকাশ কেতিয়াও সম্ভৱ নহয়। ২ য়তে এপ্ৰিল মাহ অহাৰ লগে লগে বিহু আহে। বিহুটো কিমান ডাঙৰ tourism ৰ পাৰ্ট হ'ব পাৰে? ৭ দিন বিহু । এই ৭ দিনৰ বিহুৰ প্ৰত্যেক দিনৰ বিহুৰ কাৰণে এদিন এদিনৰ অভিজ্ঞতা আমি এজন এজন টুৰিষ্টক দিব পাৰো। এখন গাঁৱত বা এটা পৰিয়ালত এদিন এদিনৰ অভিজ্ঞতা দিব পাৰো। এইটো সাংঘাটিক ধৰনৰ tourism কিন্তু আমি সেই কাম কৰিবৰ কাৰণে এতিয়ালৈকে ব্যৱস্থা গ্ৰহণ কৰা নাই। অসমত ৯৭ টা মান বিভিন্ন জনগোষ্ঠীৰ লোক আছে। তেওঁলোকৰ নিজৰ মুখৰ ভাষা আছে বেলেগ, কৃষ্টি আছে বেলেগ, পোচাক আছে বেলেগ, জীৱন যাত্ৰাও বেলেগ, এই বিলাক আজি কালি পৃথিবীৰ tourism ৰ পাৰ্ট। কিন্তু আমি এতিয়ালৈকে অসমত tourism ষ্টাৰ্ট য়ে কৰা নাই। অসমত কৃষি আৰু গ্ৰাম্য tourism টো যে কিমান ডাঙৰ আকৰ এটা tourism ৰ, কিন্তু এতিয়ালৈকে কৃষি বা গ্ৰাম্য tourismক লৈ মিনিমাম কামখিনিও tourism বিভাগে বা অসম চৰকাৰে এতিয়ালৈকে ষ্টাৰ্ট কৰা নাই। আটাইতকৈ ডাঙৰ কথা যে এতিয়া অতি গুৰুত্বপুৰ্ণ কথাটো হ'ল এতিয়া আমি experiential tourism start কৰিব লাগে। এজন tourist আমাৰ ইয়ালৈ আহোতে অহাটো গুৰুত্বপুৰ্ণ কিন্তু কিমান দিন ৰাখিব পাৰিছো, কিমান টুৰিষ্টক পইচা খৰচ কৰাব পাৰিছো সেইটোহে আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ। কিন্তু আমি ইয়াত experiential tourism টো দিব নোৱাৰাৰ কাৰণে আমি অভিজ্ঞতা দিব নোৱাৰাৰ কাৰণে আজি আপুনি দেখিবলৈ পাব যে অসমলৈ অহা টুৰিষ্ট জনে দুদিন অসমত থাকি বা এদিন অসমত থাকি ৭ দিন কিন্তু অৰুণাচলত থাকেগৈ। আমি দেখিবলৈ পাইছো যে অৰুণাচলত বহুত দিন থাকেগৈ, নাগালেণ্ডত বহুত দিন থাকে গৈ। আমি experiential tourism টো দিব নোৱাৰাৰ কাৰণে এতিয়ালৈকে tourism ৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। নতুন নতুন পৰ্য্যটন ক্ষেত্ৰ বিলাক আমি তৈয়াৰ কৰিব লাগে। আজি সকলোৱে কৈ থাকে যে কেৰেলালৈ বহুত মানুহ যায়, গোৱালৈ বেছি মানুহ যায় কাৰণ তাত সাগৰ আছে। কিন্তু আমাৰ আটাইতকৈ ডাঙৰ সম্পত্তি আছে ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰক লৈ যে কিমান tourism হ'ব পাৰে, river cruise, house boat, cultural tourism, water sports, adventure tourism **কিমান** tourism হ'ব পাৰে একেবাৰে ধুবুৰীৰ পৰা শদিয়ালৈ। গৈ থকা এই গোটেই অংশটোত কেনেকুৱা ধৰণৰ tourism হ'ব পাৰে। ইয়াৰ পিছত Heritage tourism আজি আপোনাৰ শিৱসাগৰৰ tourism এই tourism টো ইমান ধুনীয়া হ'ব পাৰে কিন্তু আমি এতিয়ালৈকে Heritage tourism টোক শিৱসাগৰ tourism টো বিকাশ কৰিবৰ কাৰণে এতিয়ালৈকে বিশেষ একো কৰা নাই। ৩ নং তে আন্তঃগাথনি আৰু প্ৰচাৰ এইটো আটাইতকৈ গুৰুত্বপুৰ্ণ অংশ। কিন্তু আমি দেখিছো অসমৰ আন্তঃগাঠনি সচাঁকে অতি দুৰ্বল। আমাৰ টুৰিষ্ট এজন আহিছে এজন ভাল ড্ৰাইভাৰ নাই, ভাল টুৰিষ্ট গাইডো নাই আৰু আটাইতকৈ ডাঙৰ কথা আমি ৰাস্তাত যাওঁতে way side amenities নাই। আমাৰ টয়লেট এটা নাই থাকিবৰ কাৰণে guest house এটা ভালকৈ নাই।

**মাননীয় উপাধ্যক্ষ মহোদয় ঃ** হ'ব, এই দুৰ্বলৰ পৰা সবল কেনেকৈ হ'ব মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰটো লওঁক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো কথা কৈছে, আমাৰ সমীক্ষাই সেইটো নকয়। tourist footfall আগতকৈ যথেষ্ট বাঢ়িছে। কিন্তু হয় কাজিৰঙাত হয়তো এই বছৰ কমিব পাৰে বা অহা বছৰ বাঢ়িব পাৰে, কাৰণ আমাৰ গোটেই tourism স্পট বিলাক scattered, মানাহলৈ যায়, পবিতৰালৈ যায়, কাম্যাখ্যালৈও আহে, ৰংঘৰলৈও যায়,

কাজিৰঙালৈও যায় গোটেই কথাটো হ'ল scattered footfall হয়। আমি যদি উপাধ্যক্ষ মহোদয়, ক'ভিডৰ আগত যদি চাওঁ ২০১৯-২০ চনত domestic tourist আহিছিল ৫১ লাখ ৪৬ হাজাৰ ৩ শ ৭জন আৰু foreign tourist আহিছিল ১৮,৫৯৪ জন। মুঠতে ৫১,৬৪, ৯০১ জন টুৰিষ্ট অসমলৈ আহিছিল। ক'ভিডৰ কথা আমি সকলোৱে জানো ক'ভিডৰ সময়ত মানুহৰ অহা যোৱা বন্ধ হৈ গৈছিল। ২০২১-২২ চনত অসমলৈ ১৭,০১৭০১জন আহিছিল আৰু foreign tourist আহিছিল ১,২৩৩ গৰাকী। ২০২২-২৩ চনত ৯৮,১২,১৯৫ গৰাকী আহিছিল আৰু foreign tourist আহিছিল ১৮৯৪৬ গৰাকী। ২০২৩-২৪ চনৰ অক্টোবৰলৈকে যিটো হিচাপ আমাৰ লগত আছে, ৪২,৬৪০১৯ জন আহিছে domestic tourist আৰু foreign tourist আহিছিল ৫২৬৮ গৰাকী । গতিকে বাকীখিনি হিচাপ পৰিসংখ্যা আহিবলৈ বাকী আছে। এই সদনত মই জনাবলৈ পাই সুখী হৈছো যে,আজিৰ পৰা ৩ মাহ মান আগতে এটা সমীক্ষা আহিছিল among all airports of the country, Guwahati Airport has become 10th busiest Airport in the Country, আমি অসমৰ পৰিবেশটো যদি চাওঁ মেট্ৰোকেইখন বাদ দিলে প্ৰায় ৪ খন মেট্ৰো যদি আমি ধৰো দিল্লী, মুম্বাই, চেন্নাই, কলিকতা তাৰ পাছত যদি বেংগলোৰ ধৰো তাৰ পাছত যদি গোৱাত খুব বেছি footfall হয়। তাৰ পাছত যদি হায়দৰাবাদ ধৰো এনেকৈ ধৰাৰ কেইটামান পাছতেই আহি পাব গুৱাহাটী এয়াৰ পৰ্ট। Guwahati Airport has become 10th busiest Airport in the Country, যদি টুৰিষ্টে নাহে busiest airport কেনেকৈ হ'ব? কিন্তু এটা সমস্যা হয়তো হৈছে কাজিৰঙাত এইবাৰ কমিছে আৰু তেখেতৰ তাত ব্যৱসায় আছে। তেখেতে নিজৰ ব্যৱসায়ক লৈ চিন্তিত আৰু তেখেতৰ কাৰণে মইয়ো চিন্তিত। তেখেতৰ তাত প্ৰাইভেট ৰিৰ্জট আছে। তেখেতৰ ৰিজৰ্টত footfall কম হৈছে। সেয়েহে তেখেত অলপ চিন্তিত হৈছে। কিন্তু overall অসমলৈ tourist বেছি আহিছে। tourist infrastructure ৰ কাৰণেও আমাৰ চৰকাৰখনে যথেষ্ট কাম কৰিছে। আৰু বিভিন্ন আঁচনিৰে tourist sector টোক আৰু vibrant কৰিবলৈ আমাৰ চৰকাৰে , টুৰিজিম বিভাগে কাম কৰি আছে। মই আকৌ কৈছো কাজিৰঙাকলৈ তেখেত চিন্তিত আমিও চিন্তিত। নিশ্চয়কৈ আৰু আহিব লাগে, আহিলে তেওঁৰ নিজৰ ব্যৱসায় ভাল হ'ব বুলি মই ভাবো। তেওঁৰো ব্যৱসায় ভাল হ'ব আৰু সকলোৰে ব্যৱসায় ভাল হ'ব। গতিকে তেখেতে ব্যক্তিগত ব্যৱসায়ক টাৰ্গেট কৰি যিখিনি কথা কৈছে, সেইখিনি আচলতে সঁচা নহয় । অসমলৈ টুৰিষ্টৰ সংখ্যা বাঢ়িছে, আৰু বাঢ়িব আৰু আমি চৰকাৰে এই ক্ষেত্ৰত কাম কৰিম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল ৰচিদ মণ্ডল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি বিষয়টোৰ ওপৰত আলোচনা কৰিব বিচাৰিছো। অসমৰ পৰ্য্যটন মানচিত্ৰত গোৱালপাৰা জিলাক অন্তৰ্ভুক্ত কৰি জিলাখনত থকা পৰ্য্যটনৰ আকৰ্ষণৰ ঠাই সমূহৰ উন্নয়ণ সাধনাৰে জিলাখনৰ অৰ্থনৈতিক বিকাশৰ লগে লগে স্থানীয় নিবনুৱাৰ কৰ্ম সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ।

গোৱালপাৰা জিলাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পুৰাতাত্বিক সম্বলৰ দ্বাৰা আশীৰ্বাদ পুষ্ট অসমৰ গোৱালপাৰা জিলাখনৰ পাহাৰ, নদী, হাবি, বিল আধ্যাত্মিক উপাসনাৰ স্থলী, পুৰাতাত্বিক স্থান সমূহ দৰ্শন কৰাৰ বাবে বহুতো দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটকৰ আগমন ঘটে। পূবে কামৰূপ

জিলা, দক্ষিণে পূব গাৰোপাহাৰ জিলা আৰু পশ্চিমে ধুবুৰী জিলা আৰু উত্তৰে ব্ৰহ্মপুত্ৰ নদীৰ দ্বাৰা পৰিবেষ্টিত প্ৰাকৃতিক মনোমোহা সৌন্দৰ্য্যৰে ভৰপুৰ গোৱালপাৰা জিলাখনৰ বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ বৈচিত্ৰতাৰ মাজত ঐকতাৰ পৰিবেশ আৰু এওঁলোকৰ অতিথিপৰায়ণ স্বভাৱে পৰ্য্যটক সকলক অধিক আকৰ্ষণ কৰালৈ লক্ষ্য কৰি জিলাখনত থকা পৰ্য্যটকৰ আকৰ্ষণৰ স্থান সমূহৰ উন্নয়ণৰ দ্বাৰা জিলাখনৰ অৰ্থনৈতিক বিকাশ কৰাৰ লগতে জিলাখনৰ শিক্ষিত নিবনুৱা সকলৰ কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰা আৰু জিলাখনত ব্যৱসায়-বাণিজ্যৰ উন্নতি সাধন কৰা হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে সন্মানীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই পৰ্য্যটন বিভাগৰ প্ৰয়োজনীয়তা, ইয়াৰ বিকাশ আৰু উন্নতিৰ কাৰণে যিখিনি কথা কৈছে তাত কিছুমান ক্ষেত্ৰত মোৰ দ্বিমত আছে। সেইখিনি মই ক'বলৈ নাযাওঁ। কাৰণ পৰ্য্যটন উদ্যোগ বিশ্বৰ আটাইতকৈ ডাঙৰ উদ্যোগ বুলি বিবেচিত কৰা হয় আৰু fastest growing industry বুলি বিবেচনা কৰা। পৰ্য্যটন উদ্যোগটোৱে এখন ৰাজ্য বা এখন ৰাষ্ট্ৰক যথেষ্ট সোনকালে উন্নত ৰাষ্ট্ৰলৈ পৰিবৰ্তিত কৰিব পাৰে আৰু সেই সুবিধা কৰ'বাত কৰ'বাত আমাৰ অসমে হেৰুৱাই আছো। আমাৰ এতিয়াও বহুত কাম কৰিব লগীয়া আছে। গোৱালপাৰা জিলাৰ যদি আমি infrastructure বা অন্যান্য কাম সমূহ কৰিব পাৰো তেতিয়াহ'লে গোৱালপাৰাত থকা শ্ৰী সূৰ্য্য পাহাৰ, যিখন গোৱালপাৰা চহৰৰ নিচেই কাষত, শ্ৰী সূৰ্য্য পাহাৰত সূৰ্য্য মুৰ্ত্তি, বিষ্ণু আৰু শিৱ মুৰ্ত্তিৰ উপৰিও গুপ্ত যুগৰ বহুতো স্থাপত্য পোৱা যায়। তাৰ কাষতে পাগলাৰটেক মন্দিৰ আছে। এই পাগলাৰটেক মন্দিৰত শিৱৰ মুৰ্ত্তি আছে। আপোনালোকে জানে যে চান্দ সদাগৰে শিৱক পূজা কৰিছিল কিন্তু পদ্মাৱতীক পূজা নিদিয়াৰ কাৰণে পদ্মাৱতীৰ অভিশাপত চান্দ সদাগৰৰ নাৰখন ডুব যায় আৰু নাৰত যিটো শিৱৰ মুৰ্তি আছিল তাত সংস্থাপিত হয় আৰু তাত বছৰত চাৰিদিন পূজা হয় আৰু হাজাৰ হাজাৰ মানুহৰ সমাগম ঘটে। টুক্ৰেশ্বৰী মন্দিৰ এটা বিখ্যাত মন্দিৰ আৰু এই মন্দিৰটো গোৱালপাৰা চহৰৰ পৰা ২০ কিলোমিটাৰ দূৰত অৱস্থিত। তাত বছৰত লাখ লাখ মানুহৰ সমাগম হয়। প্ৰবাদমতে মহাদেৱৰ পত্নী সতীয়ে তেওঁৰ দেউতাকে স্বামী মহাদেৱক কৰা অপমানৰ কাৰণে সতীয়ে যেতিয়া নিজে আত্মহত্যা কৰিছিল, তেতিয়া তেওঁৰ স্বামীয়ে তেওঁৰ মৃতদেহ কান্ধত লৈ যেতিয়া ফুৰি আছিল তেতিয়া বিষ্ণুৱে সুদৰ্শন চক্ৰৰে তেওঁৰ মৃতদেহটো খণ্ড বিখণ্ডকৈ পেলাই দিয়ে আৰু এটা টুকুৰা এই টুক্ৰেশ্বৰীত পৰে। তাৰ বাবে এই টুক্ৰেশ্বৰী মন্দিৰ বিখ্যাত আৰু এই টুক্ৰেশ্বৰী মন্দিৰ হলৌ বান্দৰৰ বাবে বিখ্যাত। তাৰ কাষতে দ'দান মন্দিৰ আছে। দ'দান আছিল বাণ ৰজাৰ সেনাপতি আৰু এগৰাকী বীৰ। বাণ ৰজাৰ জীয়ৰী উষা আৰু দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ বিবাহক লৈ যি হৰিহৰৰ যুদ্ধ হৈছিল সেই যুদ্ধত দ'দান বাণ ৰজাৰ সেনাপতি আছিল। সেই যুদ্ধত যেতিয়া বাণ ৰজা পৰাজিত হয় তাৰ পৰা কিছু সৈন্য লৈ গৈ এই দ'দানত আশ্ৰয় লয়। তেঁও শত্ৰু পক্ষৰ হাতত মৃত্যুবৰণ কৰাৰ পিছত তাত এই দ'দান থান খন স্থাপিত হয়। তাত যথেষ্ট ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটে। গোৱালপাৰাৰ আৰু এখন পৰ্য্যটন স্থলী হ'ল জয়ভূম কামাখ্যা মন্দিৰ। এই মন্দিৰত দক্ষকন্যা সতীৰ নাভিপদ্ম ইয়াত সংস্থাপিত আছে। ইয়াৰ এটা বিশেষত্ব হ'ল ইয়াত চাৰিওফালে মুছলমান মানুহৰ বসতি স্থান। যিটো আজিৰ অসম তথা ভাৰতবৰ্ষৰ যি সামাজিক পৰিবেশ সেই সামাজিক পৰিবেশৰ কাৰণে কুমাৰী জয়ভূমৰ কামাখ্যা মন্দিৰ উল্লেখযোগ্য। সম্পূৰ্ণভাৱে মুছলমান সমাজৰ দ্বাৰা পৰিবেষ্টিত অঞ্চলত এই মন্দিৰ অৱস্থিত। য'ত হাজাৰ হাজাৰ, লাখ লাখ ভক্তৰ সমাগম ঘটে। এই দৃশ্য আমি পৰ্য্যটকক দেখুৱাব লগীয়া। ভাৰতবৰ্ষৰ তথা অসমৰ জনগণক যিসকলে আজিকালি কিছুমান সামাজিক পৰিবেশৰ দ্বাৰা প্ৰদূষিত হৈ আছে, সেই স্থানবোৰ দেখুৱাৰ

প্ৰয়োজনীয়তা আহি পৰিছে। গোৱালপাৰা চহৰৰ মাজত আছে খোৰাছানী পীৰৰ মাজাৰ। য'ত হিন্দু -মুছলমান সকলোৱে নিজৰ মনোকামনা পূৰ্ণ কৰাৰ কাৰণে যায়। জলেশ্বৰত থকা পীৰ চাহাবৰ মাজাৰ শ্বৰীফত হিন্দু-মুছলমান সকলো মানুহ যায়। এই স্থানবোৰ দেখুৱাই আমি পৰ্য্যটকক আকৰ্ষণ কৰাৰ প্ৰয়োজন আছে। দলগোমা সত্ৰ, শ্ৰী শ্ৰী শ্যামৰায় সত্ৰ, উৰপদ বিল, কুমৰি বিল, ৰংছাপাৰা যিখন অসমৰ আটাইতকৈ স্বচ্ছ গাওঁ হিচাপে পৰিগণিত আৰু গাৰো মানুহৰ বসতিস্থল এই গোৱালপাৰা জিলাতেই অৱস্থিত। এছিয়াৰ ভিতৰত আটাইতকৈ ডাঙৰ কলৰ বজাৰ দৰংগিৰিলৈ বহুত মানুহ আহি থাকে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ সময় হৈ গ'ল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পুৰণা চাৰ্কিট হাউচত বহিলে গোৱালপাৰা জিলাৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা আমি বিচাৰপতি শৈলধৰ ৰাজখোৱাৰ এটা কবিতাৰ মাজেৰে উল্লেখ কৰিব পাৰো। তেখেতে এই চাৰ্কিট হাউচত বহি পাষাণ-প্ৰতিমা নামৰ কবিতা লিখিছিল।

পাষাণ-প্ৰতিমা
উঠা হে ফুলৰা, উঠা হে চতলা, উঠা দেৱবালা স্বৰূপ ধৰি,
পূৰ্ণ হ'ল আজি শতেক বছৰ, আৰু কতকাল থাকিবা পাৰি?

এই কবিতাটোৰ জৰিয়তে মই সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমি সকলোৱে জানো যে গোৱালপাৰা জিলাৰ পৰ্য্যটন ক্ষেত্ৰখন বৰ ধুনীয়া আৰু আকৰ্ষণীয়। নদ-নদী, প্ৰাকৃতিক সৌন্দৰ্য্য, মন্দিৰ আদিৰ লগতে বহুতো পুৰণি ভাস্কৰ্য্য আদিৰে এই গোৱালপাৰা জিলাখন পৰিপূৰ্ণ। পুৰণি দিনৰ পৰা এই জিলাখনৰ লগত অন্যান্য জিলা আৰু বিভিন্ন ৰাজ্যৰ তথা বিভিন্ন ৰাষ্ট্ৰৰ পৰা অহা পৰ্য্যটকে গোৱালপাৰা জিলাৰ পৰ্য্যটনৰ কেন্দ্ৰ সমূহ দৰ্শন কৰি আনন্দ লাভ কৰিছে। জিলাখনত যথেষ্ট পৰ্য্যটনৰ কেন্দ্ৰ থকাৰ উপৰিও যথেষ্ট পৰিমাণৰ সম্ভৱণাপূৰ্ণ পৰ্য্যটন স্থলী বিৰাজমান। যেনে নৈ পৰ্য্যটন, পৰ্বতাৰোহণ, ধৰ্মীয় , সাংস্কৃতিক, স্বাস্থ্য পৰ্য্যটন ইত্যাদিৰে পৰিপূৰ্ণ। এই জিলাৰ কেইটামান পৰ্য্যটন স্থলীৰ থূল-মূল বিৱৰণ দাঙি ধৰিব বিচাৰিছো।

প্ৰথমে সূৰ্য্য পাহাৰ ঃ অসম এখন পুৰাতাত্বিক সম্পদেৰে ভৰা ঐতিহাসিক পূণ্য স্থান। ইয়াৰ নামনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ শ্ৰী সূৰ্য্য পাহাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ঐতিহাসিক সম্পদেৰে পৰিপূৰ্ণ এনে এখন পুৰাতাত্বিক স্থান। ইয়াত উদ্ধাৰ হোৱা প্ৰত্নতাত্বিক ধ্বংসাৱশেষ আৰু ভাস্কৰ্য্য বোৰে পুৰণি অসম বুৰঞ্জীৰ কলা, সংস্কৃতি আৰু ধৰ্মীয় দিশটোৰ ওপৰত আলোকপাত কৰে। শ্ৰী সূৰ্য্য পাহাৰৰ পাদদেশ আৰু ইয়াৰ আশে-পাশে ব্ৰাহ্মণ্য ধৰ্মৰ বহুতো শিলত খোদিত ভাস্কৰ্য্য দেখিবলৈ পোৱা যায়। ইয়াৰে উল্লেখযোগ্য ভাস্কৰ্য্যবোৰ হ'ল একাদিক্ৰমে থকা - শিৱ-বিষ্ণুৰ মূৰ্ত্তি, সৰ্প ফণাৰ তলত বিশেষ ভংগিমাত থিয় হৈ থকা দ্বাদশভূজা বিষ্ণু প্ৰতিমুৰ্ত্তি, গণেশ, হৰিহৰ, শিলত খোদিত শিৱলিংগ, বিষ্ণু পদ, শিলত কটা গুহা ইত্যাদি। সৌন্দৰ্য্য আৰু নিৰ্মাণ শৈলীৰ ফালৰ পৰা লক্ষ্য কৰিলে ইয়াক খ্ৰীষ্টাব্দ নৱম শতিকাৰ বুলি অনুমান কৰিব পাৰি। সম্ভৱতঃ সূৰ্য্য পূজাৰ লগত জড়িত হোৱাৰ কাৰণে এই ঠাইখনৰ নাম শ্ৰী সূৰ্য্য পাহাৰ হৈছিল। সাহিত্যগত তথ্যই সমৰ্থন কৰে যে পুৰণি অসমত আহি অন্যান্য দেৱ-দেৱীৰ পূজা হৈছিল যদিও কিছু উল্লেখযোগ্য স্থানতহে সূৰ্য্য আৰু সূৰ্য্য ভগৱানৰ পূজা হৈছিল। .কালিকা পূৰাণৰ মতে পুৰণি

অসমৰ দুখন ঠাইতহে সূৰ্য্য পূজাৰ প্ৰচলন আছিল। ইয়াৰ ভিতৰত অসমৰ গোৱালপাৰা জিলাৰ শ্ৰী সূৰ্য্য পাহাৰ সূৰ্য্য দেৱ-দেৱী মুৰ্ত্তিৰে সমৃদ্ধ এনে এখন স্থান যাৰ এটা শিলাখণ্ডত ঘূৰণীয়া আকৃতিৰ ভাস্কৰ্য্য আছে। যাৰ কেন্দ্ৰস্থলত থকা ভাস্কৰ্য্যটো প্ৰজাপতি বুলি চিহ্নিত কৰা হৈছে আৰু ১২ টা পদুমৰ পাহিৰে আবৃত কৰি ৰখা আছে। প্ৰতিটো পদুমৰ পাহিত এনেকৈ আদিতাৰ মূৰ্ততি আছে। সেইবোৰ যথাক্ৰমে ধাত্ৰী, মিত্ৰ, আৰ্যমান, কৰ্দ বৰুণ, সূৰ্য্য ভাগ, বিবিসন, পুষণ, সাহিতৰী, তবন্তবী আৰু বিষণু। এইটোৱেই প্ৰমাণ কৰে যে শ্ৰীসূৰ্য্য পাহাৰ পূজাৰ লগত জড়িত আছিল।

(খ) ৰাংচাপাৰা ঃ বহুত দিনৰ কথা। দুজন ৰাংচা ল'ৰাই বিয়া কৰাই এইখন গাঁওত প্ৰথমতে ঘৰ বনাই খেতি কৰি খাইছিল। (ৰাংচা মানে গাৰো জাতিৰ এটা উপাধি) তেওঁৰ ঘৈণীয়েক মোমিন উপাধিৰ আছিল। বহুত বছৰ সংসাৰ কৰাৰ পিছত তেওঁৰ মৃত্যু হৈছিল। এই ৰাংচা উপাধিৰ পৰা এইখন গাঁওৰ নাম ৰাংচা গিতিম হৈছিল। ওচৰত থকা ৰাভা বন্দু সকলে গিতিম ক'ব নোৱাৰি পাৰা কৈছিল। তাৰ পৰাহে ৰাংচা পাৰা নাম হৈছে। এই গাওঁখনত ২০১৪-১৫ বৰ্ষত ঘৰে ঘৰে শৌচালয় নিৰ্মাণ হৈছিল। ৰাইজে এই গাওঁখনত চাফ-চিকুন গাওঁ হিচাপে ঘোষণা কৰা হৈছে। এই গাওঁখন চাবলৈ প্ৰতি দিনে যথেষ্ট সংখ্যক পৰ্যটকে ভিৰ কৰে আৰু ই এখন গোৱালপাৰ জিলাৰ গ্ৰাম্য পৰ্যটনৰ অন্ততম উদাহৰণ।

(গ) নিশানগ্ৰাম ঃ গোৱালপাৰ জিলাৰ দুধনৈ চক্ৰত অৱস্থিত নিশানগ্ৰাম গাৰো জনগোষ্ঠীৰ লোক সকলৰ বসতিৰ স্থল। ৰাইজৰ কঠোৰ পৰিশ্ৰম আৰু দূৰদৰ্শীতাই ইয়াক অসমৰ অন্যতম স্বচ্চ গাওঁ কৰি তুলিছে। সুন্দৰ প্ৰাকৃতিক পৰিৱেশ আৰু অতিথি পৰায়ণ মানুহৰ মাজত এই গাওঁখনৰ ভ্ৰমণ এক অবিস্মৰণীয় অভিজ্ঞতা।

(৪) উৰ্পদ বিল ঃ অসমৰ গোৱালপাৰা জিলাৰ আগিয়া গাওঁত এই প্ৰাকৃতিক উৰ্পদ বিল অৱস্থিত। এই হ্ৰদটো গোৱালপাৰা চহৰৰ পৰা ৯ কিলোমিটাৰৰ দূৰত্বত অৱস্থিত। নামনি অসমৰ অন্যতম বৃহৎ প্ৰাকৃতিক হ্ৰদ উৰ্পদ বিলত গ্ৰেটাৰ এডজুটেন্ট, কটন পিগমি গুজ, বায়া ৰেভাজ, লেছাৰ হুইচলিং ডাক আৰু কিং ফিচাৰ আদি বহু প্ৰজাতিৰ মাছ আৰু চৰাইৰ বাসস্থান। এই হ্ৰদটো জলজ উদ্ভিদ যেনে ৱাটাৰি লিলি আৰু সাধাৰন জল হাইচিনথৰ বাবেও পৰিচিত। এই বিলখন গোৱালপাৰা চহৰৰ অন্য এক পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে বিবেচিত হৈছে।

(৫) টুক্ৰেশ্বৰী মন্দিৰ ঃ গোৱালপাৰ জিলাৰ গোৱালপাৰা চহৰৰ ১১ পৰা ২৫ কি.মি. পূৱ তথা গুৱাহাটীৰ পৰা ১২৪ কি.মি. পশ্চিম দিশত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ দিশত টুকুৰা পাহাৰৰ ওপৰৰ চূড়াত আৰু পাহাৰৰ পাদদেশত টুক্ৰেশ্বৰী দেৱালয় অৱস্থিত। এই মন্দিৰটো আদিতে প্ৰতিষ্ঠা কৰিছিল বিজনী ৰাজ ইষ্টেটৰ জমিদাৰ তথা বিজনী ৰজাৰ উত্তৰাধিকাৰী ৰজা কুমুদ নাৰায়ণে শক্তি ধৰ্মত বিশ্বাসী বজাই মন্দিৰটো অতি যত্ন সহকাৰে ইটাৰে সজোৱাৰ কথা বুৰঞ্জিত পোৱা যায়। সতী -দেহৰ মুঠ ৫১ টা অংগৰ উপৰিও ২৬ টা অন্য সৰু সৰু দেহাংগ পৃথিৱীৰ বিভিন্ন স্থানত পৰিছিল, সেইবোৰক উপপীঠ বুলি কোৱা হয়। টুক্ৰেশ্বৰী দেৱালয় যদিও ৫০ পীঠৰ অৰ্ন্তগত নহয়, ই বিস্তৃত ২৬ খন উপপীঠৰ এখন প্ৰচলিত জন প্ৰবাদ মতে টুকুৰা পাহাৰত সতীৰ বাম জংঘা আৰু জিভা চিহ্ন আজিও বিদ্যামান। টুক্ৰেশ্বৰী পাহাৰৰ ওপৰৰ মন্দিৰলৈ যোৱাৰ পথত বিভিন্ন দেৱ -দেৱীৰ শিলৰ মূৰ্তি বিদ্যামান। তলৰ মন্দিৰৰ পৰা ৮৮২.৫ ফুট উচ্চতাত অৱস্থিত শিৱ লিংগৰ স্থান পৃথিৱীৰ ভিতৰত দ্বাদশ বুলি ঠাৱৰ কৰা হৈছে। এই শিৱ লিংগটো আপোনা আপুনি সৃষ্টি হোৱা বাবে ইয়াক স্বয়ম্ভূ শিৱ বোলা হয়। টুক্ৰেশ্বৰী পাহাৰত মেকাক প্ৰজাতিৰ বান্দৰ সমাজ অতীজৰ পৰাই ভকত দৰ্শনাথী আৰু পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। ইয়াত আজিকোপতি বান্দৰৰ ৰজা পতাৰ পৰম্পৰা প্ৰচলিত হৈ আছে।

ওপৰৰ সকলো পৰ্যটন স্থান অসম পৰ্যটন বিভাগৰ দ্বাৰা প্ৰকাশিত বিভিন্ন প্ৰচাৰ মুখী পৰ্যটন নিৰ্দেশিকাত ইতিমধ্যে অৰ্ন্তভুক্ত কৰা হৈছে। ইয়াৰ উপৰিও গোৱালপাৰা জিলাত ইতিমধ্যে অসম পৰ্যটন বিভাগৰ দ্বাৰা নিম্নলিখিত আঁচনি সমূহ ৰূপায়ন কৰা হৈছে।

ৰাজ্য চৰকাৰৰ আঁচনিৰ অধীনত ঃ

১) গোৱালপাৰা টুক্ৰেশ্বৰী দেৱালয়ত পৰ্য্যটকৰ সা-সুবিধাৰ্থে প্ৰসাধন কেন্দ্ৰ (pubic toilet) (2014-15)

২) গোৱালপাৰা দৰংগিৰিত অৱস্থিত দীনানন্দ ব্ৰহ্ম আশ্ৰমত পৰ্য্যটকৰ সা-সুবিধাৰ্থে প্ৰসাধন কেন্দ্ৰ (public toilet) আৰু গভীৰ নলীনাদ বহুৱাই পানী ব্যৱস্থা (২০১৪-১৫)

কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ অধীনত ঃ

১) দুধনৈত বাটৰ কাষৰ আপ্যায়ন কেন্দ্ৰ (২০১০-১১)

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং - ৪,

**THE SWAHID KANAKLATA BARUA STATE UNIVERSITY BILL, 2024**

ৰাজভৱনৰ পৰা এটা বাণী আছে।

বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Swahid Kanaklata Barua State University Bill, 2024" in the Assam Legislative Assembly.**

এতিয়া মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "**THE SWAHID KANAKLATA BARUA STATE UNIVERSITY BILL, 2024**" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ?
যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
প্ৰস্তাৱটো অনুমোদন জনোৱা হ'ল।
এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব পাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "**THE SWAHID**

**KANAKLATA BARUA STATE UNIVERSITY BILL, 2024”** সদনত উত্থাপন কৰিলো।

**माननीय উপাধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং- ৫

THE KOKRAJHAR UNIVERSITY BILL, 2024

ৰাজভৱনৰ পৰা এটা বাণী আছে।

বাণীটো হ'ল-

**Under the provision of Article 207 (1) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of “The Kokrajhar University Bill, 2024” in the Assam Legislative Assembly.**

এতিয়া মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “THE KOKRAJHAR UNIVERSITY BILL, 2024” সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
প্ৰস্তাৱটো অনুমোদন জনোৱা হ'ল।
এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব পাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “THE KOKRAJHAR UNIVERSITY BILL, 2024” সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং- ৬

**ASSAM STATE SCHOOL EDUCATION BOARD BILL, 2024**

মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “ASSAM STATE SCHOOL EDUCATION BOARD BILL, 2024” সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ
সপক্ষে',
প্ৰস্তাৱটো অনুমোদন জনোৱা হ'ল।
এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব পাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "ASSAM STATE SCHOOL EDUCATION BOARD BILL, 2024" সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং- ৭

## THE DEORI AUTONOMOUS COUNCIL (AMENDMENT) BILL, 2024

মাননীয় Tribal Affairs বিভাগৰ মন্ত্ৰী হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় Tribal Affairs বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "THE DEORI AUTONOMOUS COUNCIL (AMENDMENT) BILL, 2024" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো। বে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?
যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ
সপক্ষে',
প্ৰস্তাৱটো অনুমোদন জনোৱা হ'ল।
এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব
পাৰিব।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় Tribal Affairs বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "THE DEORI AUTONOMOUS COUNCIL (AMENDMENT) BILL, 2024" সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং- ৮

## THE SONOWAL KACHARI AUTONOMOUS COUNCIL (AMENDMENT) BILL, 2024

মাননীয় Tribal Affairs বিভাগৰ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয়

Tribal Affairs বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে **"THE SONOWAL KACHARI AUTONOMOUS COUNCIL (AMENDMENT) BILL, 2024"** সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল,

বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',

মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

প্ৰস্তাৱটো অনুমোদন জনোৱা হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব পাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় Tribal Affairs বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে **"THE SONOWAL KACHARI AUTONOMOUS COUNCIL (AMENDMENT) BILL, 2024"** সদনত উত্থাপনৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ক্ৰমশ...... কাৰ্য্যসূচী নং ৯। "The Tiwa Autonomous Council (Amendment) Bill, 2024." এতিয়া মাননীয় Tribel Welfare Minister ৰ হৈ Parliamentary Affairs Minister ডাঙৰীয়াই বিলখন উপস্থাপন কৰিব।

**শ্ৰীপীয়ুষ হাজৰিকা, মাননীয় সংসদীয় পৰিক্ৰমান বিভাগৰ মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মইTribel Welfare Department Minister ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে"The Tiwa Autonomous Council (Amendment) Bill, 2024." সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰস্তাৱ টো হ'ল বিধেয়কখন উত্তাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে? যিসকলে প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক হয়, কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো অনুমোদন জনোৱা হ'ল। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰীপীয়ুষ হাজৰিকা, মাননীয় সংসদীয় পৰিক্ৰমান বিভাগৰ মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সপক্ষে "The Tiwa Autonomous Council (Amendment) Bill, 2024." সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ১০। মাননীয় সদস্যসকলৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত বিতৰ্ক আৰম্ভ হ'ব। মাননীয় সদস্য শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰীসুমন হৰিপ্ৰিয়া, হাজো** ঃ শ্ৰদ্ধেয় উপাধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত মাননীয় বিধায়ক শ্ৰীৰূপক শৰ্মা ডাঙৰীয়াই অনা প্ৰস্তাৱৰ সমৰ্থনত মই মোৰ বক্তব্য দাঙি ধৰিবলৈ ওলাইচো। মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত আমি দেখা নাই যে কোনো বিৰোধীৰ ওপৰত attack হৈছে বা বিগত চৰকাৰৰ ওপৰত কিবা বিৰূপ মন্তব্য কৰিছে, বৰঞ্চ আমাৰ চৰকাৰৰ উন্নয়নৰ ৰূপৰেখাহে প্ৰকাশ পাইছে। লগতে আমাৰ কৰ্মদক্ষ মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়া আৰু চৰকাৰখনৰ ভৱিষ্যত ৰাজ্য তথা ৰাইজৰ বাবে পৰিকল্পনা আছে। সেয়া আমি দেখিবলৈ পাইছো। আপুনি জানিবলৈ পাই ভাল পাব যে যোৱা ৪ ফেব্ৰুৱাৰী তাৰিখে দেশৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া খানাপাৰালৈ আহিছিল। তেখেতে ১০০মিটাৰ কৰিডৰেৰে মঞ্চলৈ গৈছিল। তেতিয়া লাখ লাখ জনতাই তেখেতক যেনেদৰে হৰ্ষউল্লাসেৰে আদৰণি জনাইছিল, স্বাগত কৰিছিল, নৰেন্দ্ৰ মোদী ডাঙৰীয়াই নিজে ব্যক্ত কৰিছে এয়া সামুহিক বিকাশৰ দ্বাৰাহে ৰাইজৰ মনত এই আনন্দ আহে।

**(সদনত উপবিষ্ট মাননীয় সভাপতি ড0 ৰফিকুল ইছলাম)**

**শ্ৰীসুমন হৰিপ্ৰিয়া, হাজো** ঃ তাৰমনে বিৰোধীয়ে সদায় লৈ অনা ভাড়াতীয়া মানুহৰ নিচিনা নহয়। মানুহ স্বতস্পূটভাৱে আনন্দৰে ওলাই আহিছে। গতিকে এয়া হ'ল বিকাশৰ সন্তুষ্টি। ইয়ে আমাৰ চৰকাৰ তথা সফল মুখ্যমন্ত্ৰীৰ বাবে আনন্দ আৰু উৎসাহ। এই উন্নয়ণৰ ধাৰা যদি অব্যাহত থাকে, তেতিয়াহ'লে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সংকল্প লোৱাৰ দৰে আমাৰ ভাৰতৰ ভিতৰত অসম ৰাজ্যখন ৫ খন ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ সময় নালাগে আৰু ইতিমধ্যে সমগ্ৰ ভাৰতত অসম বুলি ক'লে লাচিতৰ দেশ বুলি কয়। আগৰ ধাৰণা সলনি হৈছে, আগতে জংঘল পাহাৰ যিটো আমি পঢ়িছিলো, আমাৰ ওপৰতো physical feature ৰ ওপৰতো comment কৰিছিল। এতিয়া লাচিতৰ দেশ। গতিকে সেয়ে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সংকল্প। যোৱা আঢ়ৈ বছৰত মুখ্যমন্ত্ৰী মহোদয়ৰ কাৰ্য্যকালত আমি এটা পৰিৱেশ পাইছো শান্তি আৰু উন্নয়ণৰ পৰিৱেশ। ইয়াত গোলা বাৰুদৰ ধোৱা নাই। ইয়াত আছে উন্নয়ণৰ ধ্বণি। মই দৃঢ়তাৰে কওঁ যে ইয়াত মাতৃৰ কান্দোন নাই। ৰাষ্টাত মৰা শ নাই। তাৰ সলনি ইয়াতে আছে কেৱল উন্নয়ণ আৰু বিকাশ। এয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কাৰণে সম্ভৱ হৈছে। বহুদিন ধৰি আমি দেখি অহা বৃস্তিৰ্ণতাবাদী শক্তি সমূহে অসমক ভাগ ভাগ টুকুৰা কৰাৰ বিপৰীতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আলফা শান্তি চুক্তি, কাৰ্বি চুক্তি, ডিমাচা চুক্তি, বড়ো চুক্তি, আদিবাসী চুক্তিৰে অসমখনক এক শক্তিশালী শান্তিপূৰ্ণ প্ৰগতি শীল ৰাজ্যলৈ ৰূপান্তৰ কৰিছে। আজি মুল সুতিলৈ ঘুৰি অহা যুৱক আমাৰ অসমৰ উন্নয়ণৰ ভাগীদাৰ হৈছে। যেতিয়া অসমৰ মাতৃ বুকু শুদা কৰি আমাৰ যুৱক সকল আতৰি গৈছিল, সেই যুৱক-যুৱতী সকলে আমাৰ যেতিয়া দেখিছে আমাৰ চৰকাৰে, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এতিয়ালৈকে ১ লাখ চাকৰি দিছে প্ৰতিশ্ৰুতি পালন কৰিছে আৰু চাকৰি দিবলৈ ওলাইছে তেওঁলোকে সপোন দেখিছে আত্মনিৰ্ভৰশীল অসমৰ যিটো আঁচনি তাত তেওঁলোকে apply কৰিছে। গতিকে সেই অসম এতিয়া নাই। সেই অসমৰ যুৱকে এতিয়া নিজে স্বাৱলম্বী হৈ মাতৃৰ চকুত হাঁহি বিৰিঙাবলৈ গৈ আছে। গতিকে এই অসম, আমাৰ চৰকাৰখনৰ কাৰণে সম্ভৱ হৈছে। দূৰদৰ্শী অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ভৱিষ্যত অসমৰ এক অমৃত কালৰ মানচিত্ৰ এখন তেখেতে বুকুত আঁকি লৈছে। মই এই কাৰণে কৈছো কাৰণ বহুত সময়ৰ আগতে তেখেতে ভাৱে, সময়ৰ আগতে তেখেতে চিন্তা কৰে। আমি চিন্তা কৰিব নোৱাৰো। বিগত কোনো মুখ্যমন্ত্ৰীয়ে চিন্তা কৰিব পৰা নাছিল তেনেকুৱা তেখেতে চিন্তা কৰে। সেই যিটো তেওঁৰ মানচিত্ৰ আছে, তেখেতৰ এক vission, তেখেতৰ mission আৰু সেই mission আৰু vission ক কৰ্মদক্ষতাৰে ৰাইজৰ বাবে ৰূপান্তৰ কৰিবৰ কাৰণে আছে অদম্য চেষ্টা। আজি প্ৰধান মন্ত্ৰী যেতিয়া এটা দিনত ১১ হাজাৰ ৬ শ কোটি টকা এটা দিনত ঘোষণা কৰি গ'ল, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে এয়া পাহৰিব নোৱাৰা দিন, এয়া সুৰুযমুখী দিন। অসমে ইতিহাস ৰচিলে। কিন্তু আমি কৈছো ইতিহাস মুখ্যমন্ত্ৰী মহোদয় আপুনি ৰচিছে। আপোনাৰ নেতৃত্বাধীন চৰকাৰখনে ইতিহাস ৰচিছে। নহ'লে আগতে কোন মুখ্যমন্ত্ৰীয়ে ভাবিব পাৰে

যে কামাখ্যা দিব্যলোক পৰিযোজনাৰ কথা। আমি কামাখ্যা মন্দিৰ দৰ্শন কৰিবলৈ যাওঁ, তাতেই ইতি আছিল। কামাখ্যা দিব্যলোক পৰিযোজনাৰে যি পৰিৱেশ সৃষ্টি কৰিবলৈ গৈ আছে যিহেতু কামাখ্যা আমাৰ কেৱল ধৰ্মীয়স্থল নহয়, এয়া আস্থা, বিশ্বাস ঐতিহ্য পৰম্পৰাৰে ধৰোধৰ। গতিকে সেই কামাখ্যা দিব্যলোক পৰিযোজনাৰে তেখেতে কেনেকৈ চিন্তা কৰিব পাৰিলে সেয়া আমাৰ মুখ্যমন্ত্ৰী মহোদয়, আমাৰ চৰকাৰখনৰ কাৰণে সম্ভৱ হৈছে। শ্ৰীঅখিল গগৈ ডাঙৰীয়াই কৈছে পৰ্য্যটক নাহে। মই আপানোলোকক জনাবলৈ পাই সুখী হৈছো যে, নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈ গৈছে যে, কামাখ্যা মন্দিৰলৈ লাখ লাখ পৰ্য্যটক আহিছিল। এতিয়া কোটিত আহিব নিজৰ ভাষণত কৈ গৈছে। গতিকে আমি কাজিৰঙাৰ কথা কওঁ। যোৱা নৱেম্বৰ ডিচেম্বৰ মাহত আপোনালোকে হোটেলসমহূ চেক কৰিব মই নিজে থাকিবৰ কাৰণে ঠাই নাপালো। নৱেম্বৰ, ডিচেম্বৰ মাহত যেতিয়া হোটেলসমূহ বুক আছিল। মই চৰকাৰী সুবিধা নলও তথাপিও মই উপাই নাপাই মাননীয় বন মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক ফোন কৰিলো ৰাতি ১০ টা ১১ টা বাজিল মই থাকিবলৈ ঠাই বিচাৰিলো। এনেকুৱা এটা অৱস্থা হৈছিল। গতিকে আমাৰ পৰ্য্যটকৰ সোত যে বৈছে আমাৰ পৰ্য্যটকৰ পৰিৱেশ যে অসমত আহিছে সেই পৰিৱেশটো অসমলৈ আহিছে কেনেকৈ? আমি পৰিৱেশ সৃষ্টি কৰিছো। যেতিয়া অসমৰ নাম ভাৰতত প্ৰতিষ্ঠিত হৈছে Dynamic CM বুলি মুখ্যমন্ত্ৰী মহোদয় ডo হিমন্ত বিশ্ব শৰ্মাৰ নাম ভাৰতত গুঞ্জৰিত হৈছে। গতিকে ভাল ভাল project লৈছে, দলং লৈছে, ৰাষ্টা লৈছে। গতিকে তেনে আমি আগতে বেলেগলৈ চাইছিলো। এতিয়া আমালৈ চাইছে। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কি কৰে বা কি project লয়। কাৰণ তেখেতে সময়ৰ আগত ভাৱে। মুখ্যমন্ত্ৰী মহোদয়ৰ ডo হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে ইতিহাস কেৱল কামাখ্যাৰ ক্ষেত্ৰতে ৰচা নাই। ১১ হাজাৰ ৬ শ কোটি টকা অনাৰ ক্ষেত্ৰতে ৰচা নাই। তেখেতে যেতিয়া মিছন বসুন্ধৰা ঘোষণা কৰিলে আপোনালোকৰ বিধায়ক সকলো আছে ইয়াত। আপোনালোকৰ অঞ্চলত থকা খিলঞ্জীয়া লোক সকল, জনজাতীয় লোক সকলৰ কিন্তু মাটি অধিকাৰ পোৱা নাছিল। তেওঁলোকৰ যিটো অধিকাৰ নাছিল, তেওঁলোকৰ নামত মাটি অহা নাছিল, তেওঁলোকে কোনো ধৰণৰ কাম কৰিবলৈ অসমৰ্থ আছিল বা বেংকৰ লোন পাবলৈয়ো অসমৰ্থ আছিল। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে ইতিহাস ৰচিলে বসুন্ধৰা ২.০ হওঁক বা বসুন্ধৰা আঁচনি announce কৰি মুখ্যমন্ত্ৰী মহোদয়ে ইতিহাস ৰচিলে মহিলাৰ আত্মসন্মান ঘুৰাই দি বিগত চৰকাৰৰ দিনত মহিলা সকলক পণবন্দী কৰি আঠুৰা, সূতা কম্বলৰ লোভ দেখুৱাই আপোনালোকে যেনেকৈ পণবন্দী কৰি ৰাখিছিল। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ চৰকাৰখনে মহিলাক আত্মসন্মান ঘুৰাই দিবলৈ চেষ্টা কৰিছে, অৰুণোদয় আঁচনি দি হলেও বা উদ্যমিতা আঁচনিৰে স্বাৱলম্বী কৰিবলৈ চেষ্টা কৰাই হওঁক। গতিকে সেয়া আমাৰ চৰকাৰ, সেয়া আমাৰ সন্মানৰ মুখ্যমন্ত্ৰী। আজি গাওঁ বিলাকত গ'লৈ দেখা পাব যে আগতে পান দোকানত আদ্দা আছিল, এতিয়া হাজিৰা কৰিবলৈ ইচ্ছা নকৰে, লোকৰ ঘৰত কাম কৰিবলৈ ইচ্ছা নকৰে। কাৰণ সকলোৰে এতিয়া স্বাৱলম্বী হ'বলৈ গৈ আছে। আমি কিবা এটা ব্যৱসায় কৰিম গতিকে সেই পৰিৱেশ হ'বলৈ গৈ আছে. সিদিনাখন দিল্লীৰ পৰা ফোন কৰিছে যে আপোনালোকৰ মুখ্যমন্ত্ৰীয়ে ঠেটুৱা লগা জাৰত ৰাতি ১ বজাত ব্ৰহ্মপুত্ৰৰ ব্ৰীজ নিৰ্মাণৰ কাম পৰিদৰ্শন কৰিব গৈছে। কোন মুখ্যমন্ত্ৰীয়ে ৰাতি ১ বজাত ব্ৰহ্মপুত্ৰৰ দলং নিৰ্মাণ চাবলৈ যায়, ৰাষ্টা নিৰ্মাণ চাবলৈ যায়, অতৰ্কিত ভিজিট দিবলৈ যায়। গতিকে আমি তেনেকুৱা মুখ্যমন্ত্ৰী আমাৰ চৰকাৰৰ দিনত আমি ভাৰো সুৰক্ষিত হৈ আছো, অসমৰ ৰাইজ সুৰক্ষিত হৈ আছে।

**ড0 ৰফিকুল ইছলাম (সভাপতি)** ঃ আপোনাৰ সময় শেষ হৈছে।

**শ্ৰীসুমন হৰিপ্ৰিয়া, হাজো ঃ** শ্ৰদ্ধেয় সভাপতি মহোদয়, সোনকালে শেষ কৰিম। কিন্তু মোৰ এটা কথা মনত পৰিছে যিহেতু মই ২০১৬ চনত বিধায়িকা হৈ আহিছিলো। তেতিয়া মই যিখিনি আমাৰ ৰূপ ফল দেখিছিলো, এতিয়া কিন্তু সেই ৰূপ ফল খিনি নাই। যেনেকৈ মধ্যভোগী আৰু corruption টো নাই। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে, no tolerance, no corruption. গতিকে তেনেকৈ কোৱাৰ লগে লগে ব্লকৰ পৰা যিবিলাক আগতে ঘৰ দিম পইচা দে, 15th finance ৰ comission দে সেইটো নোহোৱা হ'ল, SDC Office ত মাটিৰ দালালী বন্ধ হৈ গ'ল, PMAY ৰ ঘৰৰ ক্ষেত্ৰত commission ল'বলৈ ভয় খোৱা হ'ল। মুখ্যমন্ত্ৰী মহোদয়ে ফোন নম্বৰ ইচ্ছ্যু কৰিছে লগে লগে ফোন কৰি দিব। গতিকে এই যে চৰকাৰ আৰু ৰাইজৰ মাজত যিটো পোনপটীয়া যোগাযোগ হৈছে গতিকে সেয়া হ'লগৈ সফল চৰকাৰ। কাৰণ এতিয়া চৰকাৰ আৰু ৰাইজৰ মাজত টেবুল চকী কিন্তু নাই যে আপোনাৰ আৰু মোৰ মাজত যেতিয়া চকী টেবুল আৰু মানুহ আছে। মুখ্যমন্ত্ৰী মহোদয় আমাৰ চৰকাৰৰ মাজত আৰু ৰাইজৰ মাজত কোনো ধৰণৰ বাধা নাই। গতিকে মই শেষ কৰিম যে জুলিয়াছ ছিজাৰৰ এটা বাক্য veni, vidi, vici যে মই আহিলো, মই দেখিলো আৰু মই জিকিলো। মুখ্যমন্ত্ৰী মহোদয়ে বিৰাট দৰ্পেৰে আহিল আঢ়ৈ বছৰৰ আগত। তেখেতে ৰাইজৰ অভাৱ দেখিছে, ৰাইজৰ কাম দেখিছে। অসমৰ কি কাম কৰিব লাগে সেয়া দেখিছে আৰু তেখেতে কাম কৰি ৰাইজৰ মন মুহিছে। গতিকে আমি মুখ্যমন্ত্ৰী মহোদয়ৰ চৰকাৰক চেলুট দিছো।

**ড0 ৰফিকুল ইছলাম (সভাপতি) ঃ** মাননীয় সদস্য শ্ৰীআব্দুল বাতিম খণ্ডকাৰ। আপোনাৰ সময় ৭ মিনিট।

**শ্ৰীআব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী (উত্তৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীৰূপক শৰ্মা ডাঙৰীয়াই মহামাণ্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে গৈ মই ৰাজ্যপালৰ ভাষণৰ কিছু সংশোধনী বিচাৰি গঠনমূলকভাৱে দুআষাৰ ক'ব বিচাৰিছো । আমাৰ শাসকীয় পক্ষৰ বক্তাসকলে ৰাজহ আৰু দূৰ্যোগ ব্যৱস্থাপনা খণ্ডৰ ৰাজ্যপাল মহোদয়ৰ যি ভাষণ তাত বসুন্ধৰা - ২ যথেষ্ঠ সফল বুলি কৈ আছে । কিন্তু তাত যদি আমি টেকনিকেলী এনালাইচিচ কৰি চাওঁ দেখিম তাত ১৩,৩৯,০০০ গৰাকীয়ে আবেদন কৰি ২,২৬,০০০ গৰাকীয়েহে সফলতা পালে । মানে ইয়াৰ চাকচেচ ৰেট হ'ল মাত্ৰ ১৭ পাৰ্চেন্ট । এই ৰেটটো ইমান কিয় ক'ম হ'ল, এই বিশ্লেষণটো আমাৰ কোনো এজন সদস্যই কৰা দেখা নগ'ল । ইয়াত এই প্ৰচেচটোত আৰু কি কি ক্ৰুটি আছে সেই কথাখিনি মই ক'ব বিচাৰিছো । ধৰক এখন জিলাত মই ভূমিহীন লোক হিচাপে আবেদন কৰিছো কিন্তু সেই জিলাখনত মোৰ আৰু ভূমি আছেনে নাই সেইটো চেক কৰাৰহে ব্যৱস্থাহে আছিল কিন্তু মোৰ যদি আন জিলাত ভূমি আছে এইচো চেক কৰাৰ ব্যৱস্থাটো বসুন্ধৰা-২ নাছিল । গতিকে যি ২,২৬০০০ ভূমিহীন লোকে ভূমি পাইছে সেইখিনি আমি সঠিকভাৱে ক'ব নোৱাৰো যে সেই সকলোখিনি ভূমিহীন লোক । কাৰণ বেলেগ ঠাইতো তেওলোকৰ ভূমি থাকিব পাৰে । এইটো এটা মেজৰ ক্ৰুটি বসুন্ধৰা -২ ৰ । এই চাকচেচ ৰেটটো মাত্ৰ ১৭ পাৰ্চেন্ট হোৱাৰ মুঠ তিনিটা কাৰণ আছে । প্ৰথম কথা যিদিনাখন আমাৰ বসুন্ধৰা -২ লঞ্চ কৰা হৈছিল জি এম চিত এখন সভা পাতি , তাত সকলো বিধায়ক আৰু এচ ডি এল এচিৰ সদস্যসকলোকো মাতিছিল। তাত কোৱা হৈছিল যে যিসকলৰ তিনি পুৰুষ ধৰি অসমত আছে তেওলোকে ইয়াত আবেদন কৰি সুফল লাভ কৰিব পাৰিব । কিন্তু বাস্তৱত মই এটা বঙাইগাওঁ জিলাৰ উদাহৰণ দিছো- বসুন্ধৰাৰ যিটো ক্ৰাইটেৰীয়া সেইটো কিন্ত ইয়াত বিবেচনা কৰা নহল। তাত এটা বিশেষ জাতি বা ধৰ্মৰ কথা আনি গোটেই বিষয়টো অলপ সলনি কৰি দিয়া হ'ল । ঠিক তেনেকৈ খিলঞ্জীয়াসকলৰ ক্ষেত্ৰতো

যেনে- গৰীয়া- মৰীয়া , দেশী, জলহা তেওলোকক নটিফাইড খিলঞ্জীয়া বুলি কোৱা হৈছে । গোৱালপাৰা জিলাখন পুৰনি গোৱালপাৰা জিলাৰ এটা অংশ । তাত দেশী মানুহেৰে ভৰি আছে কিন্তু তাৰে এজনো মানুহেও বসুন্ধৰা-ৰ জৰিয়তে ভূমি লাভ কৰিবলৈ সক্ষম নহ'ল। এই কথাবিলাক চৰকাৰে বিবেচনা কৰি চাব লাগিব। এই বিলাক কথাৰ কাৰণে চাকচেচ পাৰ্চেন্টটো বহু ক'মি গৈছে । ইয়াত দুটা টেকনিকেল কথা আছে - ষাঠিৰ দহকত ভূমিৰ যি ৰেকৰ্ড কৰা হৈছিলে তাৰ ওপৰত ভিত্তি কৰি এতিয়া তাত লেণ্ড এলোটমেন্টৰ ব্যৱস্থা কৰিছে । ষাঠিৰ দহকত কিছুমান ঠাই জলাশয় আছিল , কিছুমান পাহাৰীয়া অঞ্চলৰ দাঁতিত কোনো বসতি নাছিল কিন্তু এতিয়া সেইবিলাকত সম্পূৰ্ণ খিলঞ্জীয়াসকলৰ বসতি হৈছে । কিন্তু তেওঁলোকৰ আবেদনবিলাক বসুন্ধৰা -২ ত গ্ৰাহ্য কৰিব পৰা নহ'ল কিন্তু এইখিনি ষাঠি দহকৰ ৰেকৰ্ডমতে ষ্টেটাচ আপগ্ৰেড কৰা হ'লে এই ১৭ পাচেন্টৰ চাকচেচ ৰেট বহু বেছি হ'ল হেতেঁন । এনেধৰণৰ বহু কথা আছে । দ্বিতীয়তে হ'ল প্ৰপোছড ৰিজাৰ্ভ ফৰেষ্টত খিলঞ্জীয়া মানুহৰ সংখ্যা বেছি । কিন্তু এই ৰিজাৰ্ভ ফৰেষ্টৰ প্ৰপোজখিনি ষাঠি দহকতে ঘোষণা কৰা হৈছে কিন্তু আজিৰ দিনত এইখিনি বনানীকৰণ কৰা হোৱা নাই । গতিকে এইখিনি চৰকাৰে বিবেচনা কৰি পিলিংগেৰা নোটিফিকেশ্যন দিছিলে সেইটো কেনচেল কৰি আমাৰ বসুন্ধৰা- ২ ত এলাটমেন্ট প্ৰক্ৰিয়াটো যদি হাতত ল'লেহেতেঁন তেতিয়াও আমাৰ ১৭ পাৰ্চেন্টৰ ঠাইত চাকচেচ ৰেট বহু বেছি হ'ল হেতেঁন । হয়তো - ৭০-৮০ পাৰ্চেন্ট হ'লহেতেঁন । কিন্তু আমি বসুন্ধৰাটো লৈ যিটো গৰ্ব কৰি আছো ঠিকে কিন্তু ইয়াত বহু ভুল ত্ৰুটি আছে সেইবিলাক বিবেচনা কৰা দৰকাৰ। এত্যিা মই ৰাজহ বিভাগৰ কথা অলপ ক'ব বিচাৰিছো । এই বিভাগত মহামাণ্য ৰাজ্যপালৰ ভাষণত এটা কথা

নথকা বাবে মই আপত্তি জনাইছো অসম এখন বানপানী আৰু গঢ়াখহনীয়াপিড়ীত অঞ্চল । অসমৰ ৪.২৭ লাখ হেক্টৰ ভূমি গঢ়াখহনীয়াত নাইকীয়া হৈছে । তাৰ মানে ৰাজ্যখনৰ আঠ শতাংশ মানুহে গঢ়াখহনীয়াৰ বাবে ডিচপ্লেছ হৈ গৈছে । কিন্তু সেই সকল লোকৰ সংস্থাপনৰ বাবে মাননীয় ৰাজ্যপালৰ ভাষণত কোনোধৰণৰ উল্লেখ কৰা নাই । তেনেধৰনে উচ্ছেদ হোৱা লোকৰ ক্ষেত্ৰতো ৰাজ্যপালৰ ভাষণত কোনো কথাৰ উল্লেখ হোৱা নাই । এনেধৰণৰ আৰু বহু কথা ক'বলগীয়া আছিল কিন্তু সময়ৰ বাবে বাকী কথাখিনি মই থুল মূলকৈ ক'ব বিচাৰিছো । আমাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৭.৭ কোটি মেনডেজ টাৰগেট কৰা হৈছিল কিন্তু ৭.৪৩ কোটি এচীভ কৰা হৈছে । ইয়াতে এটা ভিতৰুৱা কথা আছে । কোনোধৰণৰ উন্নয়ণমূলক কাম এই বিভাগত হৈ থকা নাই । এই মেনডেজ খিনি তেওঁলোকে ইনডাইক্টেলী ট্ৰান্সফাৰ কৰিছে পি এম জে এচ ৱাই আঁচনিলৈ আৰু তেওলোকে পি এম জি এচ ৱাইৰ মজুৰিৰ টকা ২২,৬০০ টকাকৈ এম জি এন ৰেগাৰ পৰা দি পেলাই এম জি এন ৰেগা সফল হোৱা বুলি কৈ আছে । কিন্তু এম জি এন ৰেগা আজিৰ তাৰিখত মৃতপ্ৰায় হৈছে কোনো চাৰ্ভাইভেল গ্ৰেট নাই তাতে আকৌ লিমিট দিয়া হৈছে বিশটাৰ ওপৰত স্কীম চলিব নোৱাৰিব । এনেকৈ আজি গ্ৰাম্য উন্নয়ণ আজি স্থবিৰ হৈছে । উচ্চ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ঠ কথা ৰাজ্যপাল মহোদয়ৰ ভাষণত আছে কিন্তু এটা নিউজ চেনেলত বাতৰি প্ৰকাশ পাইছিলে মই নামটো নকওঁ , তাতে কৈছিলে যে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিবেদনমতে উচ্চ শিক্ষাত অসম সৰ্ব্বনিম্ন স্থানত আছে । গতিকে এই বাতৰিৰ স্পষ্টীকৰণ আমাৰ চৰকাৰে দিয়া নাই । হওঁতো এইটো সঁচা বাতৰিও হ'ব পাৰে । এই বিষয়ে যদি ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিলহেঁতেন ভাল আছিল । এনেধৰণৰ মোৰ আৰু ক'বলগীয়া আছিল কিন্তু সময়ৰ নাটনিৰ বাবে মই দীঘলীয়া নকৰি মাননীয় ৰাজ্যপাল মহোদয়ৰ ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি সংশোধনী বিচাৰি মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিলো ।

**সভাপতি ঃ** ধন্যবাদ এতিয়া মাননীয় সদস্য শ্ৰীভবেশ কলিতা ।

**শ্ৰীভবেশ কলিতা , ৰঙিয়া ঃ** মাননীয় সভাপতি মহোদয়, এই পবিত্ৰ সদনত বাজেট অধিবেশনত যোৱা ৫ তাৰিখে অসমৰ মহামাণ্য ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়া ডাঙৰীয়াই নিজৰ বাজেট ভাষণত চৰকাৰখনৰ যি উন্নয়ণমূলক গাঁথা দাঙি ধৰিছিলে এই সপক্ষে আমাৰ বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছিলে তাৰ সপক্ষে মই দুআষাৰমান ক'ব বিচাৰিছো । সভাপতি ডাঙৰীয়া , আমাৰ দেশৰ যশ্বসী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই চাৰিটা বিন্দু, চাৰিটা স্তম্ভলৈ যোৱা দহ বছৰে এই ৰাষ্ট্ৰখনক আগুৱাই লৈ গৈছে । এই কেইটা হ'ল বিশেষকৈ যুৱক - যুৱতী, মহিলা, অন্নদাতা আৰু গৰীৱ কল্যাণ । আৰু যোৱা ২০১৪ চনৰ আগৰ অসম তথা ভাৰতবৰ্ষৰ যিখন ছবি তাত খবৰ কাগজখন চালে আমি দেখিবলৈ পাওঁ যে মাতৃ সমাজে মূৰত কলহ লৈ পানী কঢ়িয়ায় , তেতিয়া এই ভাৰতত খোৱাপানীৰ অভাৱ আছিল । অটলজীয়ে আৰম্ভ কৰিছিল স্বচ্ছল ধাৰা আৰু নৰেন্দ্ৰ মোদী ডাঙৰীয়াই জল জীৱন মিছনেৰে ঘৰ ঘৰ নল অৰ নলসে জল - প্ৰতিটো গৃহস্থক এটুপি বিশুদ্ধ খোৱা পানী দিয়াৰ ব্যৱস্থা কৰিব পাৰিছে যদি সেয়া হ'ল নৰেন্দ্ৰ মোদী ডাঙৰীয়া । নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈছিলে যে আচ্ছা দিন আয়েগা তেতিয়া কোনোবাই মোক সুধিছিলে যে- কঁহা হে আচ্ছা দিন, তেতিয়া মই কৈছো, বৰ্তমানে এক লাখ নিবনুৱা সংস্থাপন কৰা হৈছে । এই ব্যৱস্থাত যুৱক- যুৱতীসকলে ঘৰতে বহি এপ্লাই কৰিব পাৰে আৰু এডমিড কাৰ্ড এপ্লাই কৰিব পাৰে । য

মাননীয় উপধক্ষ্য মহোদয়, আজি এক লাখ নিবনুৱাক সংস্থাপন কৰা হ'ল। এই সংস্থাপন ব্যৱস্থাটো ইমানেই স্বচ্ছ আছিল যে তেওঁলোকে ঘৰতে বহি এপ্লাই কৰিব পাৰে। তেওঁলোকৰ নথি-পত্ৰখিনি আপলোড কৰিব পাৰে। তেওঁলোকৰ এডমিট কাৰ্ডসমূহ ঘৰতে আহে আৰু ৰিজাল্টসমূহ মোবাইলতে লাভ কৰে। যিখন নিযুক্তি পত্ৰ সেইখনো তেওঁলোকে মোবাইলতে লাভ কৰে। এয়াই হৈছে নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আচ্ছা দিন। আজিকালি ডি বি ডি যোগে সন্মানীয় ব্যক্তিসকলে যাক আমাৰ হিতাধিকাৰী বুলি কয় তেওঁলোকে নিজৰ একাউণ্টত পইচা পাবলৈ সক্ষম হয়। Direct Beneficiary Transfer কৰা হয়। তাৰ আগতে চেক আৰু Cash ৰ ব্যৱস্থা আছিল। চেক ল'বলৈ যাওঁতে তিনিদিন লাগিছিল। কেতিয়াবা কেচিয়াৰ নাথকে বা কেতিয়াবা অফিচাৰ নাথাকে বা কেতিয়াবা হয়তো তেওঁ গৈয়েই নাপায়। এতিয়া এটা সুন্দৰ ব্যৱস্থাৰ দ্বাৰা ভাৰতবৰ্ষখনক ডিজিটেলাইজ কৰিবলৈ হৈছে। এয়াই হৈছে নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ গৰিমা। আজি যুৱক-যুৱতী সকলে সকাহ পাইছে, নিয়োগ পাইছে। মুদ্ৰা যোজনাৰ জৰিয়তে Employment Generate কৰিবলৈ সক্ষম হৈছে। স্বাধীনতাৰ ৫০ বছৰ পিছত দেশৰ অমৃত কালত দেশৰ মাতৃসকলে মোদী ডাঙৰীয়াৰ বিচক্ষণতা আৰু বলিষ্ঠ নেতৃত্বৰ বাবে সন্মান পাবলৈ সক্ষম হৈছে। আজি কৃষক সকলৰ দুগুণ উপাৰ্জনৰ ব্যৱস্থা নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৰিছে। আজি গৰীব কল্যাণৰ বাবে সৌ-সিদিনাখন অসমত ৪৩ লাখ হিতাধিকাৰীয়ে ৰেচন কাৰ্ড পাইছে। আমাৰ চৰকাৰে বিনামূলীয়া চাউল দিছে। আগতে বহুতো ভুৱা কাৰ্ড আছিল। আমাৰ চৰকাৰে সেইবোৰ জব্দ কৰিছে আৰু প্ৰকৃত হিতাধিকাৰীক এই কাৰ্ড দি বিনামূলীয়াকৈ অন্ন দিবলৈ মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ চৰকাৰখনে সক্ষম হৈছে। আজি অসম মালা, ভাৰত মালা, সাগৰ মালা, পৰ্বত মালা আদি আঁচনি আছে। আপুনি যদি চায় হিমাচলৰ পৰা উত্তৰাখণ্ডলৈকে সুন্দৰ সুদীৰ্ঘ ৰাস্তাৰ কাম চলি আছে। সাগৰীয় অঞ্চলত সাগৰ মালাৰ দ্বাৰা উন্নয়ণ হৈছে। মই সৌ-সিদিনাখন কোকৰাঝাৰৰ পৰা আহি আছিলো। ভৱানীপুৰ পাৰ হৈ এখন দলং পালো। ফ'ৰ লেনৰ ওপৰত দলঙৰ কাম চলি আছে। পাঠশালা, নলবাৰী আৰু মোৰ

সমষ্টি ৰঙিয়া, বাইহাটা চাৰিআলিত দলঙৰ কাম চলি আছে। বাইহাটা চাৰিআলিৰ পৰা খানাপাৰলৈ ছয় লেন আৰু আঠ লেনৰ কাম চলি আছে। গড়চুক, বৰাগাঁৱত ছয় লেন অভাৰ ব্ৰীজৰ কাম সম্পূৰ্ণ হৈছে আৰু লখৰাত প্ৰায় চল্লিশ শতাংশ কাম বাকী আছে। লখৰা পাৰ হৈ আমাৰ অফিচ পোৱাৰ আগৰ ব্ৰীজৰ কাম ও সম্পূৰ্ণ হৈছে আৰু বশিষ্ঠ চাৰিআলিত ব্ৰীজৰ কাম চলি আছে। মই আগুৱাই গ'লো আৰু জাগীৰোডতো ছয় লেন অভাৰ ব্ৰীজৰ কাম চলি আছে আৰু ৰহা, বৰভাগতো ব্ৰীজ নিৰ্মাণ হৈ আছে। ভাৰতমালাত প্ৰায় মই তেৰখন ব্ৰীজৰ কথা ক'লো আৰু তাত কাম চলি আছে। এয়াই হৈছে উন্নয়ণ। সৰুতে ফুটবল খেলিছিলো আৰু কেতিয়াবা খেলিবলৈ চেষ্টা কৰো। মই এদিন ৰাষ্ট্ৰীয় ঘাইপথত ফুটবলটো মাৰিলো। কিন্তু ৰাস্তাটো পাৰ হ'ব নোৱাৰিলো। ইমান ডাঙৰ ৰাস্তা যদি কোনোবাই বনাবলৈ সক্ষম হৈছে, সেইয়া হৈছে- নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ কাৰণে আৰু মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ বাবে। যেতিয়া আমাৰ চৰকাৰ হোৱা নাছিল তাৰ আগতে আমি শুই আছিলো। বিভিন্ন ঠাইত গ'লে ধুনীয়া ধুনীয়া কাঠৰ দলংসমূহ দেখিবলৈ পাওঁ। তাত লিখা আছিল পৰিবহন ক্ষমতা দুই-তিনি টন ইত্যাদি, কাঠৰ দলং লাহে লাহে গাড়ী চলাব, দুৰ্বল দলং গাড়ীৰ পৰা নামি পাৰ হ'ব। বৰ্তমান সেইখন ছবি নাই। আজি যদি কাঠৰ দলং পকীকৰণৰ কোনোবাই সিদ্ধান্ত লৈছে সেইয়া হৈছে মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ চৰকাৰখনে। এয়াই হৈছে উন্নয়ণ গাঁথা। আগতে কিবা পাব লাগিলে তেজ দিব লাগিছিল, আন্দোলন কৰিব লাগিছিল, ধৰ্ণা দিব লাগিছিল। ৰাস্তা বন্ধ কৰিব লাগিছিল। কিন্তু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আমাক অসমত এইমচ দিলে। অসমৰ জনগণৰ কাৰণে এইমচ পৰ্বতৰ ওপৰত কাচৰ কণীৰ নিচিনা আছিল, বহু টকা-পইচা খৰচ কৰি যাবলগীয়া হৈছিল। তেতিয়া ট্ৰেইন ব্যৱস্থাও নাছিল। এতিয়া ট্ৰেইনৰ ব্যৱস্থা চাওঁক। মাত্ৰ পাঁচ ঘণ্টাত বন্দে ভাৰত এক্সপ্ৰেছৰ দ্বাৰা শিলিগুৰি গৈ পায়। আজি ট্ৰেইনৰ বৈদুতিককৰণ আৰু দুটা লাইন হ'ল। এইয়া যদি সম্ভৱ হৈছে আমাৰ নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বাবে হৈছে। আগতে কেন্দ্ৰীয় মন্ত্ৰীসকল দুই-তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত আহে বুলি পেপাৰত পাওঁ। কিন্তু আহি কি কৰে গম নাপাওঁ। আজি প্ৰতি সপ্তাহতে দুই-তিনিজন কেন্দ্ৰীয় মন্ত্ৰী অসমত আহি আঁচনি উদ্বোধন, লোকাৰ্পণ কৰি আছে। এয়াই হৈছে উন্নয়ণ। কোনোবাই যদি বাস্তৱ উন্নয়ণ কৰিবলৈ সক্ষম হৈছে সেইয়া হৈছে মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ চৰকাৰখনে। আজি মই এটা সুন্দৰ ব্যৱস্থা দেখিছো যে উনচল্লিশ লাখ মহিলাই উদ্যমিতাত আঁচনি পাব। আগতে মহিলা আত্মসহায়ক গোটে মাত্ৰ পাঁচ হাজাৰ টকা পাইছিল। এতিয়া এই চৰকাৰে তেওঁলোকক শ্বহীদ কনকলতাৰ নামেৰে আঁচনি দিলে। প্ৰথম কিস্তিত দহ হাজাৰ আৰু দ্বিতীয় কিস্তিত পোন্ধৰ হাজাৰ। মুঠতে পঁচিশ হাজাৰ টকা অনলাইন যোগে তেখেতসকলে পাবলৈ সক্ষম হ'ল। তাৰ পিছত ভি এচ গঠন কৰি এই মহিলাসকলক সৰলীকৰণ কৰাৰ কাৰণে আৰু অৰ্থনৈতিক কাম-কাজ বঢ়াবৰ বাবে পঁঞ্চাশ হাজাৰকৈ টকা দিয়া হ'ল আৰু কিছু কিছু গোটক এক লাখকৈ টকা দিয়া হ'ল। এটা গ্ৰুপত দহ গৰাকীকৈ মহিলা থাকে। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে প্ৰত্যেকটো গ্ৰুপৰ মহিলাসকলক ব্যক্তিগতভাৱে বাৰ হাজাৰ পাঁচশকৈ টকা Revolving Fund হিচাবে সুত নোহোৱাকৈ ঋণ হিচাবে দিব যাতে তেওঁলোকে আগবাঢ়ি যায়। ক'ভিডৰ সময়ত মাইক্ৰ' ফাইনেঞ্চৰ পইচা লৈ পৰম শ্ৰদ্ধাৰ মাতৃ সমাজ দিশহাৰা হৈছিল। তেওঁলোকক মাইক্ৰ' ফাইনেঞ্চৰ পইচা এইখন চৰকাৰে উভতাই দিছে। মাতৃ সমাজৰ লগতে সকলো সমাজক আগবঢ়াই নিবৰ বাবে এইখন চৰকাৰে আঁচনি লৈছে। তাৰ বাবে মই ধন্যবাদ জনাইছো। আজি সকলো ক্ষেত্ৰতে এটা স্বচ্ছতা আহিছে। মই সগৌৰৱে কৈছো আৰু আপোনালোকে শুনি সুখী হ'ব

যে মোৰ সমষ্টিৰ পৰা পঁচিশজন যুৱক-যুৱতীয়ে এপি এচ চি পাবলৈ সক্ষম হৈছে। এয়াই হৈছে অসমৰ সু-শাসন ব্যৱস্থা, এয়াই হৈছে মোদী জী আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সু-ব্যৱস্থা। আজি দেশ প্ৰগতিৰ পথত; আজি বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত অসম আগবাঢ়ি গৈছে। ঠিক তেনে অৱস্থাত অসমত শাসন আৰু প্ৰশাসন সুন্দৰ ব্যৱস্থাত চলি আছে। আগতে বহু হাজাৰ টকাৰ দুৰ্নীতিৰ বাতৰি ওলাইছিল। কিন্তু এতিয়া বাতৰি ওলায় যে কোনো এক ব্যক্তিয়ে দুৰ্নীতিৰ কাৰণে, ঘোচ খোৱাৰ কাৰণে হাত দাঙিছে। এয়াই আমাৰ চৰকাৰ। এই গোটেই কথাখিনি মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ বক্তৃতাত প্ৰকাশ পাইছে। আজি প্ৰত্যেকটো বিভাগে স্বচ্ছতাৰে কাম কৰি আছে আৰু প্ৰত্যেকটো বিভাগকে উন্নয়ণৰ বাবে টকা দিয়া হৈছে। মোৰ সমষ্টিত অসম মালাৰ ৰাস্তা হৈছে। মই এদিন সেইটো চাই অহাৰ বাবে আপোনাক আহ্বান জনাইছো। এয়াই হৈছে উন্নয়ণ। বহুতে কয় এওঁলোকে আধাৰশিলা স্থাপন কৰে। সেইকাৰণে আমি ক'লা দিৱস পালন কৰো। বিশ্বনাথ চাৰিআলিৰ পৰা তেজপুৰলৈ কোনোবাই যদি চাৰি লেন হাইৱে সম্পূৰ্ণ কৰিছে সেইয়া হৈছে মাননীয় মোদী জী আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰ। অসমৰ যোগাযোগ, যাতায়ত আমাৰ বাবে সম্ভৱ হৈছে বাবে অসমৰ জনগণই আমাক আৰ্শীবাদ দিছে। আজি কৃষকসকলক এই চৰকাৰখনে সন্মান দিছে। কৃষকসকলক দুই হাজাৰকৈ তিনিটা কিস্তি দিছিল আৰু এটা কিস্তি মোদী ডাঙৰীয়াই বঢ়াই দিছে আৰু দুই হাজাৰকৈ টকা অনলাইন যোগে কৃষকৰ খাতাত সোমাই যাব যাতে তেওঁলোকে দুবাৰকৈ খেতি কৰিব পাৰে। Combine Hervastor ধান কাটিবলৈ আৰু মৰণা মাৰিবলৈ দিয়া হৈছে। কৃষকক যদি সন্মান দিছে মোদী ডাঙৰীয়াই দিছে। কৃষকক, অন্নদাতাসকলক যদি সন্মান দিছে, মোডী ডাঙৰীয়াই দিছে। Large scaleত যিসকলে খেতি কৰিছিল, যেতিয়া বানপানী হয়, যেতিয়া খৰাং হয় আৰু যেতিয়া চৰহা পোকে খেতিডৰা খাই পেলায়, তেওঁ মূৰে-কপালে হাত দিয়ে। বহুতে হয়তো আত্মহত্যা কৰিছিল। সেই ছবিখন এতিয়া নাই। ফচল বীমা যদি কোনোবাই কৰি দিছে, ৭ বিঘা ৩ কঠা ১০ লেচা মাটিতো যদি ১০০ টকাত বীমাৰ ব্যৱস্থা কৰিছে, সেয়া নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দিছে। মই সেইকাৰণে কৈছো যে চাৰিটা বিন্দু সমাহিত কৰি inclusive development কৰিবলৈ সক্ষম হৈছে।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব ডাঙৰীয়াই অসমত মাহে মাহে বেলেগ বেলেগ জিলাত গৈ এখনকৈ কেবিনেট সভা পাতিছে। প্ৰতি সপ্তাহত কেবিনেট হয়। দিশপুৰতে এই চৰকাৰখন আৱদ্ধ হৈ থকা নাই। বঙাইগাওঁ, ধেমাজি, লখিমপুৰ, তিনিচুকীয়া, ডিফু, শিলচৰ আদি প্ৰতিখন জিলাতে গৈ কেবিনেট সভা পতাৰ সিদ্ধান্ত লৈছে। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক আজি এই পৱিত্ৰ সদনত ধন্যবাদ জ্ঞাপন কৰিছো। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি visionary ৰাখি এই ৰাজ্যখনক আগবঢ়াই লৈ গৈছে, এই গাঁথা মাননীয় মহামহিম ৰাজ্যপাল ডাঙৰীয়াই বাজেট অধিবেশনত সম্বোধন কৰিছে। হয়, বিৰোধীৰ এইটো নিয়ম, তেওঁলোকেও জনসাধাৰণক দেখাব লাগিব, মিডিয়াত উঠিব লাগিব। কিন্তু, সঁচাক সঁচা ক'ব লাগিব, আজি যে অসমৰ উন্নয়ন হৈছে, এটা শিশুৱেও ক'ব। ৰাস্তা-ঘাটেই হওঁক, খোৱা পানী টুপি পাইছে, ২৪ ঘণ্টাই বিজুলীৰ ব্যৱস্থা কৰিছে। মোৰ এখন ছবি আজিও মনত আছে, মই নকওঁ কাৰ চৰকাৰ আছিল। তামোলৰ গছত লাইটৰ তাঁৰ গাঁঠি থোৱা আছিল। আজি 'সৌভাগ্য' আঁচনিৰে নৰেন্দ্ৰ মোডী ডাঙৰীয়াই প্ৰতিখন গাঁৱত যি বিজুলীৰ ব্যৱস্থা কৰিছে, তাক আকৌ convert কৰি কেবল লাইনেৰে transfer কৰাৰ কাৰণে এই চৰকাৰতেই সিদ্ধান্ত লোৱা হৈছে। আজি solar energy ৰ কথা কোৱা হৈছে। Roof touch solar আমাৰ নিজৰ গৃহত সৃষ্টি কৰিব পাৰিম। আমি নিজে ব্যৱহাৰ কৰি অতিৰিক্ত যি ৰাহি হ'ব, সেইখিনিৰ

পৰা ন্যূনতম পইচাও পাম। এক সুন্দৰ ব্যৱস্থাৰে আজি দেশখনক যদি কোনোবাই লৈ গৈছে, সেইয়া নৰেন্দ্ৰ মোডী ডাঙৰীয়াই লৈ গৈছে। ঠিক তেনেদৰে, অসমক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈ গৈছে। আজি ২৯ লাখ মহিলাই নিজৰ খাটাত প্ৰতি মাহৰ ১০ তাৰিখে অৰুণোদয় আঁচনিৰ ১২৫০ টকা পাবলৈ সক্ষম হৈছে। হয়তো এই পইচা আৰু বাঢ়িব পাৰে। এইয়া beneficiary নহয়, সেই মহান মাতৃসকলক সন্মান যাচা হৈছে। যিসকল, বিধৱা, বিকলাংগ, অবিবাহিত আৰু যিসকল স্বামীহাৰা হৈ যায় তেওঁলোকে জানে যে পৰিয়ালটো কেনেকৈ চলে। তেওঁলোকক যদি কোনোবাই জীয়াই থকাৰ প্ৰেৰণা দিছে, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই অৰুণোদয় আঁচনিৰ যোগেৰে দিছে। সেই বিধৱা বাইদেউজনীৰ অৱস্থা কি হয় কোনো চৰকাৰে সিদ্ধান্ত লোৱা নাছিল, চিন্তা কৰা নাছিল। এই পৱিত্ৰ সদনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছে, যি ৮৩০ টকাৰ পৰা ১০০০ কৰিলে, তাৰ পিছত ১২৫০ কৰিলে। হয়তো এই পইচা আৰু বাঢ়িবও পাৰে। এইখন চৰকাৰে এনেদৰে মহিলাক সন্মান দিছে। বহুতে হিতাধিকাৰী বুলি ক'ব পাৰে। আমি কাৰোবাক সন্মান কৰিছো, তেওঁলোকৰ লগত বন্ধুত্ব কৰিছো আৰু তেওঁলোকে আমাক আশীৰ্বাদ দিছে। এইয়া কোনো হিতাধিকাৰী সৃষ্টি নহয়, সেই মহান ব্যক্তিসকলক সহায় কৰাৰ নিমিত্তে এখন যদি চৰকাৰ আছে, সেইয়া  মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰখনে কৰিছে।

যি মথাউৰি আছিল, আজি সেইবোৰ Road cum Embankment হৈ গ'ল। বহুতে পাহৰিয়েই গৈছিল যে মথাউৰিৰ ওপৰেৰে ৰাস্তা বনাব পাৰি। এই মথাউৰিৰ ওপৰত আজি pavers block ৰ ৰাস্তা হৈ গ'ল। সৌ সিদিনালৈকে মাত্ৰ ৬ খন মেডিকেল কলেজ আছিল। তাৰ আগত ৩ খন আছিল। আমি ছাত্ৰাৱস্থাত থাকোতে গুৱাহাটী মেডিকেল কলেজ, ডিব্ৰুগড়ত অসম মেডিকেল কলেজ আৰু শিলচৰ মেডিকেল কলেজ আছিল। তাৰ পৰৱৰ্তী সময়ত যোৰহাট, তেজপুৰ আৰু বৰপেটা মেডিকেল কলেজ হ'ল। কিন্তু, এতিয়া অসমত প্ৰায় ১৩ খন মেডিকেল কলেজ হ'ল। ১৫০০ তকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে MBBS কৰিবলৈ সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সিদ্ধান্ত লৈছে যে অসমৰ প্ৰতিখন জিলাত মেডিকেল কলেজ স্থাপন হ'ব। আজি তামুলপুৰৰ দৰে জিলাত মেডিকেল কলেজ হ'বলৈ গৈ আছে। কোনোবাই ভাৱিছিল নে, কোনোবাই চিন্তা-চৰ্চা কৰিছিল নে তামুলপুৰত এখন মেডিকেল কলেজ হ'ব? নলবাৰীত এখন মেডিকেল কলেজ হ'ব বুলি? কৰিমগঞ্জত এখন মেডিকেল কলেজ হ'ব বুলি? সৌ সিদিনা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ১১,৬০০ প্ৰায় ১২০০০ কোটি টকাৰ আঁচনিৰ শিলান্যাস আৰু লোকাৰোপণ কৰিছে। মই সৰুতেই দেখা, তেতিয়াই বনোৱা আমাৰ নেহৰু ষ্টেডিয়ামখন আজি ভব্য ৰূপত, আটকধুনীয়া বিশ্বমানৰ, FIFA  ৰ standard ত বনোৱাৰ কাৰণে যদি কোনোবাই সিদ্ধান্ত লৈছে, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই লৈছে। মই ধন্যবাদ দিছো। অন্যহাতে, উঠি অহা প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি ধাউতি, আগ্ৰহী কৰা, খেলুৱৈৰ সৃষ্টি আৰু ক্ৰীড়াপ্ৰেমী ৰাইজক উৎসাহ দিয়াৰ বাবে চন্দ্ৰপুৰত অন্য এখন ষ্টেডিয়াম বনাবলৈ গৈ আছে। আজি ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী, ফাঁচী বজাৰ- মাজগাওঁ ঘাট সংযোগী দলং নিৰ্মাণ কৰা হৈছে। গুৱাহাটীৰ চাৰিওপিনে Ring Road বনোৱাৰ কাৰণে এইখন চৰকাৰে সিদ্ধান্ত লৈছে। কাজিৰঙাৰ জীৱকূলক ৰক্ষা কৰাৰ কাৰণে elevated road বনোৱাৰ কাৰণে এইখন চৰকাৰে সিদ্ধান্ত লৈছে। ঠিক তেনেদৰে, বিশ্বনাথৰ পৰা নুমলীগড়লৈকে tunnel road, ব্ৰহ্মপুত্ৰৰ তলেৰে যদি কোনোবাই বনোৱাৰ কাৰণে চিন্তা-চৰ্চা কৰিছে, নৰেন্দ্ৰ মোডী ডাঙৰীয়া, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৰিছে। কৈ থাকিলে বহুত হ'ব

যিহেতু time limitation আছে। মই ৰাজ্যপাল ডাঙৰীয়া, ৰূপক শৰ্মা ডাঙৰীয়া, অসম চৰকাৰ, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ দিছো।

যোৱা ২২ জানুৱাৰী তাৰিখে শ শ বছৰৰ স্বপ্ন, ভব্য ৰাম মন্দিৰৰ প্ৰতিষ্ঠা হ'ল। ৰাম হ'ল ত্যাগ, ন্যায় আৰু সত্যৰ প্ৰতীক। প্ৰভু ৰামচন্দ্ৰক আমি পুৰুষোত্তম বুলি কৈছো। এই পুৰুষোত্তম ৰাম, সনাতন সংস্কৃতিতেই নহয় বিশ্ব সংস্কৃতিতেই সত্যৰ প্ৰতীক। প্ৰভু ৰামচন্দ্ৰই নিজৰ পত্নীক বনবাস দিছিল, অগ্নি পৰীক্ষা কৰিছিল। সেইকাৰণে প্ৰভু ৰামচন্দ্ৰ সনাতন সংস্কৃতিতেই নহয় বিশ্ব সংস্কৃতিত সদায়, হাজাৰ হাজাৰ বছৰ ধৰি পুৰুষোত্তম হৈ থাকিব। এই ভব্য ৰাম মন্দিৰ নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ছুপ্ৰিম কোৰ্টৰ নিৰ্দেশমৰ্মে সজাই দিলে। তাত আমি মোডী ডাঙৰীয়াক ধন্যবাদ দিছো, অসম চৰকাৰক ধন্যবাদ দিছো আৰু সকলোকে ৰাম মন্দিৰ প্ৰদৰ্শন কৰাৰ বাবে আহ্বান জনাইছো। সত্য প্ৰতিষ্ঠা হ'ব লাগে, ৰাম ৰাজ্য প্ৰতিষ্ঠা হ'ব লাগে। জয় শ্ৰী ৰাম।

**উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য দূৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ**মাননীয় উপাধ্যক্ষ মহোদয় আৰু সন্মানীয় সদন। চৰকাৰী পক্ষই অনা প্ৰস্তাৱৰ পক্ষত থাকি মই দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। ইয়াত আলফা চুক্তিৰ কথা উল্লেখ আছে। আলফা চুক্তিৰ পিছত কিছু উন্নয়নমূলক কাম কৰাৰ কাৰণে চুক্তি স্বাক্ষৰিত হৈছে। এই যি উন্নয়নমূলক কাম-কাজ হ'ব, সেইটো আলফা আৰু ৰাজ্য চৰকাৰে নিশ্চয় তৰান্বিত কৰিব আৰু তৰান্বিত কৰাৰ সময়ত ৰাজ্যখনৰ চাৰিও দিশত বা সমগ্ৰ ৰাজ্যখনতে যাতে কাম-কাজ সমূহ ঠিকমতে পায়, বিতৰণ হয়, আমি সেইটো বিচাৰিম। কিয়নো বি.টি.চি. হওঁক বা কাৰ্বি আংলঙেই হওঁক, সমগ্ৰ অসমৰ অঞ্চলসমূহৰ পৰা আলফা প্ৰতিনিধি আছিল। গতিকে, এই কথাটোত যাতে ৰাজ্য চৰকাৰে দৃষ্টি ৰাখে। ছয় জনগোষ্ঠীক জনজাতি কৰা বিষয়টো সময়ে সময়ে তল পৰি থাকে। বি.টি.চি.; বৰ্তমানৰ বি.টি.আৰ.ত যিহেতু ছয় জনগোষ্ঠী নাই, তাত দুটা জনগোষ্ঠী আছে, ইতিমধ্যে BTC ৰ ফালৰ পৰা পৰামৰ্শ আগবঢ়াই থোৱা আছে আনুষ্ঠানিকভাৱে যে কোচৰাজবংশী সকলক আৰু আদিবাসী সকলক আমি জনাজতিৰ তালিকাভুক্ত কৰিব লাগে বুলি ইতিমধ্যে পাৰমৰ্শ আগবঢ়াই থোৱা আছে। গতিকে বাকী কেইটা জনগোষ্ঠী যিহেতু আমাৰ তাত নাই গতিকে আমাৰ প্ৰস্তাৱ লোৱাৰ কোনো অৰ্থ নাই। গতিকে চৰকাৰক এই সুযোগতে দৃষ্টিগোচৰ কৰিলো। আজি Border Development বিভাগৰ মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত নাই। মই Border Development সম্পৰ্কে দুটা কথা ক'ব বিচাৰিছো, সেইটো হৈছে Border অঞ্চলত যোৱা দুটা বছৰে আন্তঃৰাষ্ট্ৰীয় Border সমূহ বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় Border বুলি ক'লে আমাৰ ভূটান Border আছে, অৰুণাচল Border ও আমাৰ লগত লাগি আছে। গতিকে ভূটান আৰু ভাৰতৰ যি আন্তঃৰাষ্ট্ৰীয় Border আছে, তাত যোৱা দুটা বছৰে কোনো কাম হোৱা নাই। ধন কিয় দিয়া হোৱা নাই আমি সুধি জানি ব পাৰিছো যে ৫ বছৰীয়া এটা পৰিকল্পনা লৈছে। সেই পৰিকল্পানাৰ ভিতৰত যদি নপৰে তেতিয়াহ'লে আমি ল'ব নোৱাৰো। পূৰ্বতে প্ৰত্যেক বছৰে Border Development ৰ কামবিলাক সুকীয়াকৈ লোৱা হৈছিল। তাৰবাবে পইচা সুকীয়াকৈ লোৱা হৈছিল। মই ভাৱো এইটো ক্ষীপ্ৰতৰ হোৱা উচিত। যদি তেনেকুৱা ৫ বছৰীয়া পৰিকল্পনা আছে তাৰবাবেওতো ধন আহিব লাগিছিল। গতিকে সেইটো বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই চোৱা উচিত আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও চকু দিয়া উচিত বুলি মই ভাৱো।

উচ্ছেদ সম্পৰ্কে মই ক'ব বিচাৰিছো যে যিসকল ভাৰতীয় নাগৰিকক উচ্ছেদ কৰিছে, সময়ে সময়ে BTC area তো উচ্ছেদৰ জাননী গৈছে। উচ্ছেদ কৰাৰ আগতে আমি

বিচাৰিম যে যিসকল প্ৰকৃত ভাৰতীয় নাগৰিক আছে, ধৰ্ম,বৰ্ণ নিৰ্বিশেষে তেওঁলোকক সংস্থাপন কৰাৰ কথা ভাৰিলে মানৱীয়তা ৰক্ষা পৰে বুলি মই ভাৱো। হয় যোৱা কেইটা বছৰত বাল্যবিবাহ,বন্ধ কৰা, ড্ৰাগছ বন্ধ কৰা, মাটি দালালক ধৰা ইত্যাদি সংস্কাৰমূলক যিবিলাক কাম, সেই কামসমূহে প্ৰশংসা আনিছে। তাৰ লগতে Developmental যিবিলাক কাম আছে, সেইসমূহৰ ভিতৰত যদিও এতিয়াও সৰু সৰু অঞ্চলবিলাক বাদ পৰি আছে কাৰ্বি আংলং, BTC অঞ্চলত। ডাঙৰ গাওঁ নহয় সৰু সৰু কিছু অঞ্চলত JJM ৰ আঁচনিৰ পানীৰ পৰা বাদ পৰি আছে। যোৱাকালি মন্ত্ৰী ডাঙৰীয়াই যিখিনি বক্তব্য ৰাখিছে, তাত কাৰ্য্যকৰী ব্যৱস্থা হ'ব বুলি আমি আশা ৰাখিছো BTC অঞ্চলতো। আটাইতকৈ ডাঙৰ কথাটো হৈছে যে আমি জানিব পাৰিছো New Education Policy ৰ ফলত ছাত্ৰ, অভিভাৱক, শিক্ষকৰ বাহিৰেও চৰকাৰখনৰো এটা challenge হৈছে নতুন শিক্ষানীতিৰ ওপৰত। যিবিলাক Permanent infrastructure কৰিব লাগিব সেই infrastructure বিলাক খৰতকীয়া কৰিবৰ কাৰণে পৰ্য্যাপ্ত ধনৰ প্ৰয়োজন হৈছে। এই challenge কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে শিক্ষানীতিটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পৰিকল্পিতভাৱে আগবঢ়াই নিলে ভাল হয়। ইয়াৰ আগত ৩০-৩৫ বছৰে যি শিক্ষানীতি চলি আছিল সেই Education Policy শুদ্ধ নে অশুদ্ধ আমি আজি সেইটো বিতৰ্ক কৰি থাকিলে বৰ্তমান আগবাঢ়ি যোৱা পৃথিৱী আৰু ভাৰতবৰ্ষৰ এই প্ৰতিযোগীতাত আমি আগবাঢ়ি যাব নোৱাৰিম তাৰকাৰণে এটা New Education Policy আহিছে, সেইটো accept নকৰাৰ কোনো কথা নাই। কিন্তু New Education Policy ৰ জৰিয়তে যিখিনি infrastructure কৰিব লাগে সেইখিনি ৰাজ্য চৰকাৰৰ challenge যদিও তেওঁলোকে লোৱা আৰম্ভ কৰিছে,৭ কোটিকৈ ১২৬ খন কলেজ,৮ কোটিকৈ ১২৬ খন হাই স্কুল আৰু হায়াৰ ছেকোণ্ডাৰী আৰু বাকী প্ৰায় ২০০ হাই স্কুল আৰু হায়াৰ ছেকেণ্ডাৰী মডেল স্কুল হিচাপে কৰাৰ যি পৰিকল্পনা কৰিছে, মই ভাৱো New Education Policy ৰ যি challenge তাৰে অন্যতম হিচাপে এইটো লোৱা হৈছে। ইয়াৰ উপৰিও আমি জানো যে যিবিলাক কলেজ বিশ্ববিদ্যালয় কৰা হৈছে,যিবিলাকৰ পৰা bifurcate কৰা হৈছে, amalgamation কৰা হৈছে, এই আটাইবিলাক বিষয় New Education Policy ৰ ভিতৰত এটা challenge যে হৈছে চৰকাৰৰ সেইটো হয়। এই প্ৰত্যাহ্বান গ্ৰহন কৰাৰ কাৰণে মই ৰাজ্য চৰকাৰক এই সুযোগতে ধন্যবাদ দিছো। আমি অৰুণোদয়ৰ কথা সকলোৰে জানো,খু ৰ সাংঘাতিকধৰণে অৰুণোদয়ে প্ৰসাৰ আৰু প্ৰচাৰ লাভ কৰিছে আৰু মানুহে সুবিধা পাইছে। এই অৰুণোদয় মই ভাৱো যিকেইটা criteria ত অৰুণোদয় পায়, তাত ধৰ্ম, জাতি, community একো নৰখাকৈ দিবলৈ চেষ্টা কৰা হৈছে যদিও বহু ঠাইত অৰুণোদয় পোৱাৰ সময়ত কৰবাত কৰবাত ৰাজনৈতিক সিদ্ধান্তৰে দিয়া হৈছে। সেইটো বিভাগে আৰু ভালদৰে চাই যাতে তেনেধৰণৰ ৰাজনৈতিক চিন্তা-চৰ্চা তাত স্থান নাপায়, মাত্ৰ যিসকলে criteria ত পৰিছে সেইসকল যাতে অৰুণোদয় পায় আমি সেইটো বিচাৰিম। মই এই সুযোগতে ৰাজ্য চৰকাৰক এটা কথা ক'ব বিচাৰিছো যে শৰণীয়া আৰু মদাহী সকল বিশেষকৈ শৰণীয়া সকলৰ কথা ক'ব বিচাৰিছো যে তেখেতসকলক চাৰ্টিফিকেট দিয়াটো হাই কোৰ্টে বন্ধ ৰাখিছে। তেখেতসকলৰ যি সংস্কৃতি আছে বা চিন্তা-চৰ্চ্চা আছে, তেওঁলোকক caste certificate tribal বিধায়ক সকলেও দিব পাৰিছিল। কিন্তু এতিয়া এইটো বন্ধ কৰাৰ পিছত তেওঁলোকে certificate ৰ পৰা বঞ্চিত হৈছে আৰু সেই গোটেই জনগোষ্ঠীটো সমস্যাত পৰিছে। মোৰ পূৰ্বপুৰুষসকলে শৰণ লৈছিল সেই সূত্ৰে আমিও শৰণীয়া কিন্তু আমি certificate ৰ পৰা বঞ্চিত হোৱা নাছিলো। গতিকে মই ভাৱো শৰণীয়া সকলৰ উঠি

অহা যুৱ-প্ৰজন্মৰ স্বাৰ্থত ৰাজ্যচৰকাৰে এই কথাটো দৃষ্টি দিব।

( Hon'ble MLA Smti. Sibamoni Bora on the chair)

মই আন এটা কথা ক'ব বিচাৰিছো যে ৰেচন কাৰ্ডৰ যিটো ব্যৱস্থা সেইটো এতিয়াও বহুত বাকী আছে বুলি মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব পাৰিছো। তেওঁলোকেও যাতে ৰেচন কাৰ্ড পায়, সেইটো মই বিচাৰিছো।

একেবাৰে শেষত ৰাজ্য চৰকাৰে যি খেল মহাৰণ শেষ কৰিলে, মই জনাত এইখন তৃতীয় ৰাজ্য যিখনে খেল মহাৰণৰ নিচিনা প্ৰতিযোগীতা কৰিছে। খেল মহাৰণত talent hunt হৈছে তাত ক'বলগা একো নাই। কিন্তু অলপ যি ত্ৰুটি ওলাইছে, যিসকল State Association আছে, জিলা ক্ৰীড়া সংস্থা আছে, তেওঁলোককো যদি লগত লৈ ৰাজ্য চৰকাৰে ভৱিষ্যতে খেল মহাৰণ কোনকেইটা খেল Olympic Affiliated, World Olympic Affiliated, Asia Affiliated, Commonwealth Affiliated এই কথাবিলাক চাই চিতি সেই খেলবিলাকত গুৰুত্ব দি আমি যদি talent hunt কৰো, তেন্তে ভৱিষ্যতে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় আৰু অলিম্পিক পৰ্য্যন্ত অসমৰ লৰা-ছোৱালীক লৈ যাব পাৰিম। এইটো সঁচাকৈ প্ৰশংসনীয় কথা কৈছে। খেল মহাৰণ পতাৰ কাৰণে ৰাজ্য চৰকাৰক ধন্যবাদ দিছো আৰু এইটো সংগঠিত ৰূপত আগুৱাই নিব লাগে।

**শ্ৰী মতী শিৱামণি বৰা, সভাপতি ঃ** এতিয়া শ্ৰী আমিনুল ইছলাম, কণিষ্ঠ। আপোনাৰ সময় ১০ মিনিট।

**শ্ৰী আমিনুল ইছলাম, মানকাচৰ ঃ** মাননীয় সভাপতি মহোদয়া, আমাৰ চৰকাৰী পক্ষৰ জৰিয়তে শ্ৰীযুত ৰূপক শৰ্মা ডাঙৰীয়াই মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাৰ লগত সংগতি ৰাখি মোৰ দৃষ্টিগোচৰ হৈছে যে দুই এটা বিভাগ ইয়াত অনা হোৱা নাই আৰু কিছু কিছু বিভাগৰ কিছু সংশোধনীৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো।

প্ৰথম কথাটো হ'ল-চৰকাৰৰ যি Act East Policy, মোৰ যদি ভুল নহয় ২০০৮ চনত প্ৰথম ভাৰত এচিয়ান কাৰ ৰেলী হৈছিল তেতিয়াৰ পৰাই act east policy ৰ ওপৰত কাম চলি আছিল আৰু আমি দেখিছো যে এই act east policy ৰ জৰিয়তে বাংলাদেশ, ভুটান, নেপালৰ লগত সম্পৰ্কৰ কথা কোৱা হৈছে। যিহেতু এইটো আন্তঃৰাষ্ট্ৰীয় বিষয়, এইটো ৰাজ্যৰ কোনো বিষয় নহয়, অসমত তেখেত সকলৰ লগত relation কোনো develop কৰিব নোৱাৰে, it is a matter of the Nation, দেশৰ এটা বিষয়। ইয়াৰ লগতে কিছু কথা কোৱা হৈছে, সেই মতে অসমে মুঠ ২০০ টা উদ্যোগে মেকন যিখিনি দেশ আছে, মেকন Country বিলাকৰ লগত company ৰ সৈতে সহযোগীতা আৰু বজাৰ সংযুক্ত কৰণৰ সুযোগ লাভ কৰিব, এই ধৰণৰ কথা Act East Policy ৰ জৰিয়তে প্ৰথমৰ পৰা আমি শুনি আহিছোঁ। বাস্তৱ ক্ষেত্ৰত ইয়াত আমাৰ যিখিনি industrial policy বা advantage অসমৰ জৰিয়তে যিখিনি কৰিব বিচৰা হৈছিল, সকলোখিনি বিমৰাণ হ'ল এই কথাও স্পষ্ট, এই কথাটো সত্য নহয়। লগতে বাংলা দেশৰ লগত যিটো কথা কোৱা হৈছে যে তাৰ পৰা ছাত্ৰ আহিব অসমৰ পৰা যাব, কিন্তু আমি দেখিছো যে উল্টা বেলেগ দেশৰ পৰা ভূটানৰ পৰা, বাংলাদেশৰ পৰা আহি অসমত শিক্ষা গ্ৰহণ কৰিব, engineering, medical এইবিলাকত, কিন্তু আমি উল্টাতো দেখা পাইছো, অসমৰ student বাংলাদেশত গৈ পঢ়িছে, নেপালত গৈ পঢ়িছে, ভূটান যাব লগা হৈছে, এনেকুৱা পৰিস্থিতি আজি হৈছে। এতিয়া আমাৰ কথাটো হ'ল, এই বিষয়টো National issue, Indiaৰ লগত

other Country related issue its a National issue এইটো কেন্দ্ৰীয় চৰকাৰে কৰিব। অসম চৰকাৰৰ এই সম্পৰ্কে কৰাৰ কোনো অবকাশ আছে বুলি মই অনুভৱ নকৰো। দ্বিতীয় কথা আমি যাব বিচাৰিছো যে মিছন বসুন্ধৰাৰ কথাটোত, ইতিমধ্যে আগৰ বক্তাই কৈ গৈছে যে only 17% acheive কৰিছে 2022 চনত14th November ত যিটো আৰম্ভ হৈছে। সেই meeting ত invitee আছিলো meetingত বহি আছিলো সেই বৈঠকত কিছু কথা মাননীয় মুখমন্ত্ৰী ডাঙৰীয়াই DC, Circle Officer সকলক এক প্ৰকাৰ শাসন কৰি কোৱা হৈছিল, মই কি বুজাব খুজিছো আপোনালোকে বুজিছে বেছি smart হোৱাৰ চেষ্টা নকৰিব, মই কি বুজাব খুজিছো, মই খোলাকৈ কব খোজা নাই কি বুজাব খুজিছো আপোনালোকে বুজিছে সেই কথাৰ জৰিয়তে কাৰ কাম কৰিব লাগিব তাৰ নিৰ্দ্দেশনা hidden ভাৱে তাত দিয়া হৈছে। সেইখিনি যদি হয়, আমি দেখিছো সেইখিনিৰ জৰিয়তে যিখিনি annual patta বা ভিজিআৰ পিজিআৰ থকা মালিকিস্বত্ব ৰায়তিবিলাকৰ যিখিনি দিব লগা হৈছে সেইখিনি সময়ত, যিখিনি সময়ত ভূমি প্ৰদান কৰা হৈছে সেই একে সময়ত য'ত বসুন্ধৰা ২.০ ৰ জৰিয়তে দিয়া হৈছে, ভূমিৰ বন্দবস্তৰ ব্যৱস্থা কৰা হৈছে চৰকাৰৰ সেইটোক আমি আদৰণি কৰিব বিচাৰো। কিন্তু একে সময়তে একে ভাৰতীয় নাগৰিকক চৰকাৰী ভূমি কাৰোবাৰ কাৰণে দিয়াৰ ব্যৱস্থা হৈছে কাৰোবাক আকৌ সেই চৰকাৰী ভূমি চৰৰ মাটিৰ পৰা উচ্ছেদ কৰি থকা হৈছে। এইটো জানো ন্যায়, এইটো জানো justice হৈছে যে কাৰোবাক উচ্ছেদ কৰি থকা হৈছে, কাৰোবাক চৰকাৰী মাটি প্ৰদান কৰা হৈছে। একে নাগৰিক, যদি তেখেত সকল নাগৰিক নহয় এইটো স্পষ্ট কৰক তেখেত সকলক ভূমিৰ পৰা বঞ্চিত কৰক। কিন্তু at the same time চৰকাৰী পক্ষৰ জৰিয়তে চৰকাৰী ভেদভাৱ যদি আৰম্ভ কৰা হয়, খেনক দেখি ৰন্ধাবাৰা, খেনক দেখি দুৱাৰ মাৰা এই যিটো প্ৰৱণতা state government চলি আছে মই ভাৱো বসুন্ধৰাৰ জৰিয়তে মাৰত্মক ভাৱে এইটো ক্ষতি কৰা হৈ আছে। দ্বিতীয় কথাটো হ'ল বহুজাতিক যিবিলাক company ক ভূমি প্ৰদান কৰা হৈছে তাত খিলঞ্জীয়াৰ কথাটো কৈছে, বহুজাতিক যিবিলাক কোম্পনীক ভূমি প্ৰদান কৰা হৈছে তেখেত সকল খিলঞ্জীয়া হয়নে? খিলঞ্জীয়া কোন হয় কোনো state guidelines বা কোনো definition স্থাপন কৰা হোৱা নাই। কোন খিলঞ্জীয়া, indigenous কোন হয়, indigenous যিটো গোটেই ভাৰতবৰ্ষ ত even Council indigenous হৈছে India solidary country য়ে নহয়, তেতিয়াহলে indigenous ৰ দেফিনেচনটো কেনেকৈ আনিলে? ঠিক আছে সেই সময়ত 3 generation কৰা মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক কৈ গৈছে 3 generation হ'ব লাগিব। 3 generation কিয় এইটো ১৯৫১ ৰ 1st census ধৰিব নোৱাৰি, 3 generation beyond India, beyond the border India the recent India তাৰ উৰ্দ্ধত আমি যাব লাগিব নেকি 3 generation বুলি কওতে, ভাৰত স্বাধীন হোৱাৰ আগত যাব লাগিব নেকি indigenous হ'বলৈ, এতিয়া কথাটো হ'ল এই indigenous ৰ ক্ষেত্ৰত যিখিনি কথা বসুন্ধৰাৰ জৰিয়তে অনা হৈছে, ইয়াত indigenousৰ definition clear হ'ব লাগে, 3 generation কোনো concept নাই, concept টো Forest land Act ৰ ক্ষেত্ৰত আছে। বেলেগ কতো নাই। কিন্তু এইটো জোৰজবৰ্ষ্টি indigenous, খিলঞ্জীয়া এই কথাটো সিদ্ধ কৰি Land Policy জৰিয়তে এইটো আনি আজি স্থাপন কৰি এটা খিলঞ্জীয়া ব্যৱস্থা add কৰা হৈছে, এই কথাটো অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ পৰৱৰ্ত্তীত যাব খুজিছো সীমান্ত সুৰক্ষাৰ কথাটো ইতিমধ্যে কৈছে যে যিটো বিল ডি পিৰ ফাণ্ড সেইটো প্ৰপাৰ্লি implementation হোৱা নাই অসম-মেঘালয়, অসম-অৰুণাচল এই বিলাকৰ লগত

যি বিবাদ চলি আছে এই বিলাক কথা আছে। লগতে মই এটা কথা স্পষ্টভাৱে কব খোজো যিহেতু সীমান্ত উন্নয়নৰ কথা আহিছে বাংলাদেশৰ লগত post covid ৰ পিছত আমাৰ অসমত দুটা transit পইন্ট আছে। Indo-Banglo দুটা transit point one is Karimganj and another is Mancachar . কভিডৰ পিছত ২০১৯ চনত বন্ধ কৰি দিয়া হৈছে transit পইন্ট কেইটা, এই দুটা বন্ধ কৰাৰ পিছত মেঘালয়ৰ transit পইন্ট খোলা, ৱেষ্টবেংগলৰ transit পইন্ট খোলা। অসমৰ প্ৰতিটো ছাত্ৰই বাংলাদেশত যাব তাৰ পৰা যদি চিকিৎসা হ'বলৈ আহে বা Indo-Banglo ৰ লগত বেপাৰ বাণিজ্য চলি আছে, এই গোটেই খিনিৰ কাৰণে অসমৰ পৰা বাংলাদেশত যোৱাৰ ব্যৱস্থাটো কিয় হোৱা নাই, আমাৰ মানুহ বা ছাত্ৰই বাংলাদেশত যাব লগীয়া হলে এই মানুহখিনি বেঙ্গল হৈ যাব লাগে নহলে ত্ৰিপুৰা হৈ যাব লাগে। অসমৰ দুটা immigration point কিয় বন্ধ আছে ইমান দিনে বা মানকাছাৰ immigration point ত পাছফালে যিহেতু মোৰ সমষ্টিত পৰে মই ব্যক্তিগত ভাৱে গলো ইয়াৰ আগতে কেইবা বাৰো মই এই বিষয়টো উত্থাপন কৰিছো। সেই বিষয়টো কোৱাৰ লগে লগে তেখেত সকলে কৈ দিলে যে এতিয়া এইটো Home Departmentৰ কথা, ৰাজ্য চৰকাৰে গৃহ বিভাগৰ লগত যোগাযোগ কৰি কিয় Indo-Banglo transit point টো, সকলো মেচিন গৈছে এক্সৰে মেচিন গৈছে সব কিছু আছে, মাত্ৰ এটা অৰ্ডাৰৰ অভাৱত এইটো হৈ থকা নাই, মই এইটো দৃষ্টিগোচৰ কৰিব খুজিছো সীমা উন্নয়ন বিভাগৰ অন্তৰ্গত, এই আন্তৰাষ্ট্ৰীয় পাৰপাত্ৰ যিখিনি স্থান আছে সেইখিনি clear কৰিব লাগে। ইয়াৰ পিছত আমি দেখিছো অসম চুক্তি খণ্ড, অসম চুক্তিৰ ইয়াত দুই চাৰিটা point আনিব বিচাৰিছো যে অসম চুক্তিত যিখিনি পইচা ইয়াত দিয়াৰ ব্যৱস্থা কৰা হৈছে সেই খিনি সেই অসম চুক্তিৰ পইচাখিনি দিয়াৰ ক্ষেত্ৰত আমি দেখিছো, যিখিনি পইচা তাত দিয়া হৈছে এই অসম চুক্তিৰ এটা important বিষয় ইয়াত দেখিছো সংযুক্ত হোৱা নাই, সেইটো হ'ল চৰ অঞ্চলৰ flood and erosion. যিটো বিভাগ চৰৰ এটা পৃঠক বিভাগ আছে water resource department, বানপানী হলে গড়াখহনীয়া আছে, এই ক্ষেত্ৰত দেখিছো এই চৰৰ এই অঞ্চলকেইটা অন্তৰ্ভূক্ত কৰা হোৱা নাই। আমি সকলোৱে জানো ৩.৬০ লাখ হেক্টৰ মাটি চৰ এৰিয়া হৈ আছে, প্ৰায় ২৫ লাখ মানুহ চৰ অঞ্চলত বাস কৰে, ৮০ শতাংশ মানুহ তাত below poverty line. 15-16% women literacy percentage. এনেকুৱা এটা ভয়ানক এটা পিক্‌চাৰ থকা ঠাই আৰু এই বিষয়টো মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যত অহা নাই, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়, এইটো সংযোজন কৰিব লাগে, flood and erosion ৰ ক্ষেত্ৰত আমি যদি লক্ষ্য কৰো দেখা যাব যে total 78.523 lakh hectre মাটি অসমৰ সীমা। মাটিৰ কালি। ইয়াৰ ভিতৰত ব্ৰহ্মপুত্ৰ, বৰাক আৰু ৫০ টা উপনৈ মিলাই আমি দেখা পাওঁ total 39.58 lakh hectre মাটি আমাৰ চৰৰ গড়াখহনীয়াত গুচি গৈছে। এই খিনি মাটিৰ এই গড়খহনীয়া বিষয়টো আজি উল্লেখ হোৱা নাই বা আমি যদি লক্ষ্য কৰো National Land ৰ 9.40 portion land আমাৰ eroded হৈ আছে। 39.58 area flood affected অসমত। প্ৰায় 10.2 area of the Nation এইটো হৈ আছে, erosion টো যদি আমি লক্ষ্য কৰো ৬ টা দশকত প্ৰায় 4.27 lakh hectre land.

**সভানেত্ৰী (শ্ৰীমতী শিৰামণি বৰা) ঃ** মাননীয় সদস্য আপোনাৰ সময় সমাপ্ত হৈছে।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** হয়, actual আমি দেখিছো annually আমি যদি লক্ষ্য কৰো দেখা যাব যে প্ৰায় ১৫ কি.মি., কৰবাত ২০ কি.মিটাৰ বহল হৈছে। এই চৰ অঞ্চলৰ বিষয়টো, বান

গড়াখহনীয়াৰ বিষয়টো আৰু আমাৰ protection ৰ বিষয়টো এইটো ইয়াত অহা নাই যিহেতু Water departmentৰ। আমাৰ যিটো erosion protection বিষয়টো সেইটো ইয়াত অহা নাই। যিহেতু জলসম্পদ বিভাগটো ইমান শক্তিশালি বিভাগ, আৰু এই বিষয়টো আমি National disaster হিচাপে ঘোষনা কৰাৰ কাৰণে ইয়াৰ আগৰ চৰকাৰ বিলাকেও দাবী জনাই আহিছে, এই চৰকাৰৰ দিনটো কেবিনেটত সিদ্ধান্ত লৈ দাবী জনোৱা হৈছে যে National disaster হিচাপে ঘোষণা হ'ব লাগে অসমৰ বান গড়াখহনীয়াটো। এই বিষয়টো ইয়াত উত্থাপন হোৱা নাই National disaster হিচাপে মাননীয় ৰাজ্যপালৰ বক্তব্যত। আমি আশা ৰাখিছো এই বিষয়টো অত্যন্ত গুৰুত্বপুৰ্ণ বিষয় এইটো সংযোজন কৰিব লাগে। এই বক্তব্যটো ৰাজ্যপালৰ ভাষনত সংলগ্ন কৰিব লাগে।

**মাননীয় সভাপতি মহোদয়া ঃ** ধন্যবাদ। এতিয়া আছে মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া আপোনাৰ সময় ১৫ মিণিট।

**শ্ৰী ৰকিবুল হুছেইন বিধায়ক ঃ** মাননীয়া সভানেত্ৰী ডাঙৰীয়ানী, পঞ্চদশ অসম বিধান সভাৰ যোৱা ৫ ফেব্ৰুৱাৰীৰ বাজেট অধিবেশ ২০২৪ত অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ দিলে সেই সৰ্ন্দভত চৰকাৰী পক্ষৰ পৰা যি ধন্যবাদসূচক প্ৰস্তাৱ আৰু সমৰ্থন আগবঢ়াইছে এই সংক্ৰান্তত আমি সমৰ্থন নকৰি দুষাৰ কোৱাৰ প্ৰয়াস কৰিছো আৰু আমাৰ এই কথাখিনি সংযোজন কৰাৰ বাবে অনুৰোধ কৰিছো। মাননীয়া সভানেত্ৰী ডাঙৰীয়ানী, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ সমৰ্থনত চৰকাৰে যিখিনি কথা উত্থাপন কৰিছে সেই কথাখিনি আমি ভাবিছো যে বাস্তৱৰ লগত সমন্ধ নাই আৰু অসমৰ সঁচা ছবিখন প্ৰতিফলিত হোৱা নাই। এই সঁচা ছবিখন যদি আমি চাবলৈ যাওঁ তেতিয়াহ'লে সামান্যভাবে চৰকাৰে নিৰ্দ্ধাৰিত কৰি দিয়া গনতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিজৰ কথাখিন কবৰ বাবে চচলত যি ৰাইজ সংগঠন তাত একত্ৰিত হৈছে, সেই ঠাইলৈ চকু ফুৰালেই চৰকাৰখনে বা আমি সকলোৱে আচল ছবিখনৰ সামান্যতম আমাৰ পৰিলক্ষিত হ'ব। তাত আমি কি দেখিছো, ক'ভিডৰ সময়ত চাফাই কাম কৰি সামান্য বেতন নাপাই ক'ভিড চাফাই কৰ্ম্মী সন্থাৰ উত্তাল প্ৰতিবাদ আমি তাত দেখা পাইছো। আমি তাত দেখা পাইছো অংগনবাড়ী কৰ্ম্মী সহায়িকা যি সকল আমাৰ প্ৰতিটো ঘৰৰ লগত প্ৰায় সম্বন্ধ সেই লোক সকলৰ বিননি। আমি কি দেখা পাইছো, যে আমি দেখা পাইছো, ৰন্ধন কৰ্ম্মীৰ সমস্যা সমাধানৰ বাবে চচলত দাবী আৰু ধৰ্ণা। সদৌ অসম মধ্যাহ্ন ভোজন কৰ্ম্মচাৰী ইউনিয়নৰ বিননি। তাৰ উপৰিও আমি দেখা পাইছো যোৱা কালি Electric consumer association ৰ বিদ্যুত মাচুল বৃদ্ধিৰ বিৰুদ্ধে গুৱাহাটীত বিক্ষোভ। তেওঁলোকৰ কথা হ'ল বিদ্যুত মাচুল বৃদ্ধিৰ বিৰোদ্ধে আজি All Assam Electric consumer association য়ে আজি গুৱাহাটীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে বেনাৰ পোষ্টাৰ লৈ সংগঠনটোৰ বহু সংখ্যক সদস্যই মহানগৰীৰ উলুবাৰীত বিক্ষোভ প্ৰদৰ্শন কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰী সকলে কয় যে বিদ্যুত মাচুল বিদ্যুত সংশোধনী আইন, স্মাৰ্ট মিটাৰ আৰু বিদ্যুত বেচৰকাৰীকৰণৰ তীব্ৰ বিৰোধিতা কৰে। বিদ্যুত খণ্ডৰ বেচৰকাৰীকৰণৰ চৰকাৰে বন্ধ কৰক বুলি তেওঁলোকে দাবী উত্থাপন কৰে। তেওঁলোকে ১০০ ইউনিট বিদ্যুত সকলো গ্ৰাহকৰ বাবে বিনামুলীয়াকৈ প্ৰদান কৰিবলৈ দাবী জনায়, আৰু তেওঁলোকে প্ৰতিবাদ সাব্যস্ত কৰে। কেৱল সেইটোয়ে নহয় এই চৰকাৰে যোৱা কালি বিধান সভাত কৈছে, যে অসমৰ নিবনুৱাৰ সংখ্যা এতিয়া ২০ লাখ ৬৮ হাজাৰ। অসমত চলিত বৰ্ষৰ ৩১ জানুৱাৰী পৰ্য্যন্ত নিবনুৱাৰ সংখ্যা ২০ লাখ ৬৮ হাজাৰ হ'ব। দক্ষতা নিয়োগ আৰু উদ্যমতা বিভাগৰ অধীনত ২০১৪ৰ পৰা বৰ্তমানলৈকে নিয়োগ

প্ৰশিক্ষণ সঞ্চালকালয়ত নিযুক্তি পোৱা নিবনুৱাৰ সংখ্যা হ'ল ৪১৮ জন এইটো আমাৰ দাঁতা নহয়। আধাৰ সংযোগ নোহোৱাৰ বাবে ৰাজ্যৰ বিভিন্ন জিলাত ১.৬৩ লাখ লোকে খাদ্য সুৰক্ষাৰ পৰা বঞ্চিত হৈ আছে। আনহাতে সুলভ মুল্যৰ দোকানীসকলে কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ অংশ হিচাবে ২০২১-২২ বৰ্ষৰ ১২.২০০৭ কোটি টকা সংস্থা সমূহে ৪.০৯ কোটি টকা দিবলৈ বাকী আছে। এই টকা এতিয়াও পোৱা নাই বুলি কালি বিধান সভাত চৰকাৰে দাখিল কৰিছে। সেয়েহে আমি কব বিচাৰিছো এই যিটো ভাষণৰ সমৰ্থন কৰিছে, সেইখন আচল ছবি নহয়। আচলতে চৰকাৰখন আকাশত উপঙি ফুৰিছে। আচল ছবিখন তেওঁলোকে অনুধৱন কৰিব পৰা নাই। মাননীয়া সভাপতি ডাঙৰীয়ানী, অসমৰ ছবিখন যিদৰে দাঙি ধৰিছে, গাৰৰ ছবিৰ লগত চিটিৰ ছবিখন মিলা নাই। চিটিত আহোতে এনেকুৱা লাগে তীৰবিৰাই আছে, লাইট জ্বলি আছে, মানুহ বিলাকে হাঁহি আছে কিন্তু গাওঁৰ মানুহৰ উৰ্পাজনটো কমি গৈছে। কেন্দ্ৰীয় চৰকাৰে লোক সভাত কৈছে যে কৃষিৰ উৎপাদন কমি গৈছে। এই কৃষিৰ উৎপাদনৰ লগত ঘৰুৱা উৎপাদন জড়িত হৈ আছে। কৃষিৰ উৎপাদন কমি গৈছে কিন্তু ঘৰুৱা উৎপাদন বাঢ়ি গৈছে। এই ঘৰুৱা উৎপাদন কেনেকৈ বাঢ়িছে, কি পদ্ধতি লৈছে এই কথাখিনি যেতিয়া বাজেটৰ বিষয়ে আলোচনা হৈছে, এই কথাখিনি আমি তাত কম। এতিয়া মই ৰাজ্যপালৰ ভাষণৰ ওপৰতে সীমাবদ্ধ ৰাখিম। মাননীয়া সভানেত্ৰী ডাঙৰীয়ানী স্কুল বন্ধ হৈ গৈছে, কোন বিলাক স্কুল বন্ধ হৈছে, য'ত আমাৰ স্বনামধন্য ব্যক্তি সকলে পঢ়ি আহিছে, আজি মোৰ এল পি স্কুল খনৰ লগত আমাৰ আবেগ অনুভুতি জড়িত হৈ থাকে। ঠিক একেদৰে প্ৰয়াত হোমেন বৰগোহাঁই প্ৰৰ্থিতযশা সাহিত্যিকৰ ঢকুৱাখনাৰ স্কুলখন বন্ধ হৈযায়, যদি ড০ নগেন শইকীয়াই পঢ়া স্কুলখন বন্ধ হৈ যাই এই স্কুল বিলাক বন্ধ হৈ যাই যদি তাত গুডামঘৰ কৰে তেতিয়া আমি চৰকাৰখন সফল কমনে বিফল কম? ইয়াৰ মাপকাঠি ৰাইজে কৰিব সময়ত। ১খন, ২খন, ৫খন, ২০খন, ১০০খন স্কুল নহয়, কেতিয়াবা কয় ১০০০ স্কুল, কেতিয়াবা কয় ২০০০ স্কুল, কেতিয়াবা কয় ৩০০০ স্কুল, কেতিয়াবা কয় ৪০০০ স্কুল। সেই খন ছবি অসমত এতিয়া সফলতাৰ ছবি। স্কুল বন্ধ কৰি আমি কি কৰিছো, মদৰ দোকান খুলিছো। মদৰ দোকান আগতে যি সকলে মদ খাই সেই সকলে বিচাৰি যায়, বহু দূৰলৈ বিচাৰি যাই। চৰকাৰে কেবিনেট কৰিছে জিলাই জিলাই কেবিনেট কৰিছে। কেবিনেটত সিদ্ধান্ত লৈছে যে এতিয়া আৰু মদ খোৱা লোক সকলে দূৰলৈ যাব নালাগে। চুবুৰীয়ে চুবুৰীয়ে মদৰ দোকান খোলাৰ সফল চৰকাৰ বুলি কোৱা এই লোকসকলে। আমি যেতিয়া সুধিছো চৰকাৰৰ উপাৰ্জন কি তেতিয়া কয় কৃষিত আমাৰ উপাৰ্জন নাই, চৰকাৰৰ উপাৰ্জন কি? তেতিয়া কয় মদৰ দ্বাৰা উপাৰ্জন বহুত। নিউ ইয়েৰ হওঁক বা বিভিন্ন ক্ষেত্ৰত ডাঙৰ ডাঙৰ হৰফেৰে আহে এই বাৰ বিলাতী মদৰ দোকানৰ দ্বাৰা চৰকাৰে ইমান কোটি টকা আজি আমাৰ উপাৰ্জন কৰিছে। আজি আমি মানসিক ভাবে পংগু কৰি উঠি অহা চামক পংগু কৰি আজি অসমখন আমি ৫ ৰাজ্যৰ ভিতৰত এখন ৰাজ্যলৈ পৰিনত কৰিব বিচাৰিছো, স্কুল কিন্তু আমি বন্ধ কৰিছো। তৰুণ গগৈ ডাঙৰীয়াৰ যেতিয়া চৰকাৰ আছিল তেতিয়া অৰ্থনৈতিক অৱস্থা ভাঙিচিঙি চূৰমাৰ আছিল, দৰমহা দিব পৰা নাছিল। কিন্তু সেই সময়ত আমি প্ৰথম বিভাগত মেট্ৰিক পাছ কৰা ল'ৰা-ছোৱালীক কম্পিউটাৰ দিছিলো ডেস্কটপ। যেতিয়া ডেস্কটেপ দিছিলো তাৰ পিছত কৈছিল যে তৰুণ গগৈ ডাঙৰীয়াই কি দিচে ডেস্কটেপ দিলে কিদাল হ'ব। আজি কালি পৰিবৰ্তন হৈছে লেপটপ দিব লাগে। পৰৱৰ্তী সময়ত আমি লেপটপ দিছিলো. তাৰ পাছত তৰুণ গগৈ ডাঙৰীয়াই কৈছিল তোমালোকে মাজৰ পৃষ্ঠাত পঢ়িবা, মই আগতেওঁ কৈছো যে আমি বহু ঠাইত কম্পিউতাৰ দিছো, কিন্তু তাত কম্পিউতাৰ চলাব নোৱাৰে কাৰণ স্কুল বিলাকত কাৰেন্ট নাই। সেই সময়ত এই অৰ্থনৈতিক

দূৰব্যৱস্থাটো আমি কাৰেন্টৰ ব্যৱস্তা কৰিছিলো আমি প্ৰত্যেকখন হায়াৰচেকেণ্ডাৰীত এটা এটা জেনেৰেটৰ দিয়াৰ ব্যৱস্থা কৰিছিলো। নতুন শিক্ষানীতি কৰিছে। বহুক্ষেত্ৰত আমি ভাল পাইছো। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কৈছে মেডিকেল আৰু ইঞ্জিনিয়াৰিঙত ও নিজৰ মাতৃভাষা শিকিব লাগে। আকৌ আমাৰ ইয়াত অসম সাহিত্য সভা আৰু বড়ো সাহিত্য সভাই কৈছে আমাৰ ইয়াত বিজ্ঞান আৰু অংক বিষয়ত আমাৰ মাতৃভাষা উঠাই দিছে। যদি উঠাই দিছে সকলোকে মাতক। সাহিত্য সভা আমাৰ এটা সন্মানীয় অনুষ্ঠান। তেওঁলোকক মাতক। বড়ো সাহিত্য সভাক মাতক। চৰকাৰখনে কি কৰিব খুজিছে কওঁক। ৰঙা চকু দেখুৱাই এনেকৈ যদি শাসন কৰিব বিচাৰে এটা সময়ত কিন্তু ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া হ'ব, এই কথাটো কিন্তু আপোনালোকে চাব। আমাৰ যেতিয়া ৰাহুল গান্ধী ডাঙৰীয়া আহিছিল য'ত য'ত আহিছিল সেইদিনা ৰেচন কাৰ্ড বিলাইছিল। অসমত এনেকুৱা হৈছে যে অসমত ৰেচন কাৰ্ড এতিয়াহে ওলাইছে নেকি, আগতে কাৰো ৰেচন কাৰ্ড নাছিল নেকি, আৱিস্কাৰ এইখন চৰকাৰেহে কৰিছে নেকি। পিছত খবৰ লৈ দেখিলো ৪০ লাখ মানুহক দিছে। অসমৰ ৩ কোটি ২০ লাখ মানুহৰ ভিতৰত মাত্ৰ ৪০ লাখক দিছে যদি বাকীখিনিক কোনে দিলে? এতিয়া আত্ম সহায়ক গোটৰ কথা কৈছে। আত্ম সহায়ক গোট কোনে কৰিলে? Revolving Fund কোনে কৰিলে। মহিলা সকলক যেতিয়া ৩৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থাৰে, পঞ্চায়তত সংৰক্ষণৰ ব্যৱস্থাৰে ৰাজীৱ গান্ধী ডাঙৰীয়াই ৰাজনৈতিক ক্ষমতা দিব খুজিছিল তেতিয়া বহুতে আপত্তি কৰিছিল। আপোনালোকে ৰেকৰ্ডত চাই ল'ব। আমাৰেই বহুতে কৈছিল যে ঘৰত কাম কৰা মহিলা গৰাকী কেনেকৈ ৰাস্তা-ঘাটৰ লগত জড়িত হ'ব। কিন্তু আমাৰ চৰকাৰে সেই সময়ত নামানিলে। প্ৰথমে পঞ্চায়তত ৩৩ শতাংশ সংৰক্ষণ কৰিলে আৰু তাৰ পিছত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰে ৫০ শতাংশ সংৰক্ষণৰ ব্যৱস্থাৰে মহিলা সকলক ৰাজনৈতিক ভাৱে ক্ষমতা দিলে। মহিলা সকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা সেই সময়ত আমাৰ চৰকাৰে কৰিছে। তাত সেই জিলাৰ কেবিনেট মন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী কাষত বহি থাকে। আমাৰ এগৰাকী অনূসূচিত জাতিৰ মহিলা সভাপতি হয়, অধ্যক্ষ হয়। সেয়েহে আজি আমি কৈছো যে যিখন ছবি ইয়াত দাঙি ধৰিব খুজিছে সেই ছবিখন আচল ছবি নহয়, চৰকাৰে আচলতে উৰি ফুৰা কাৰণে বহু বাস্তৱ কথা গম পোৱা নাই। কেন্দ্ৰীয় চৰকাৰ বৰ্তমান বি.জে.পি চৰকাৰে তৰুণ গগৈ ডাঙৰীয়া চৰকাৰ থকাৰ অৱস্থাত ক'লে যে অসমত এইমচ্ দিয়াৰ বাবে মাটি লাগে। সেই সময়ত চৰকাৰখনে গোটেই অসমত মাটি বিচাৰি অসমৰ ৰহাত মাটি পালে। কেন্দ্ৰীয় চৰকাৰৰ লোক সকল আহি চালে যে ৰহাৰ মাটি টুকুৰা ভাল। কিন্তু নতুন চৰকাৰ আহি সেই মাটি টুকুৰা নাইকিয়া কৰি দিলে। তাত এই এইমচ্ বিচাৰি যেতিয়া আন্দোলন হৈছিল তেতিয়া ৰহাৰ এজন ট্ৰাইবেল ল'ৰাৰ বকুত গুলিয়াই দিলে। সেয়েহে মই চৰকাৰক অনুৰোধ কৰিছো যে ৰহাত আপোনালোকে এইমচ্ সদৃশ এটা অনুষ্ঠান দিয়াৰ কথা কৈছিল, গতিকে সেই কথাটো অলপ চৰকাৰে ভাবি চাব দিব পাৰে নেকি? নহ'লে কিন্তু এই বিনিনিয়ে পিছত বৃহৎ আকাৰ ল'ব। এতিয়া কিমান টেক্স জাপি দিছে। মহিলা সকলক ১২০০ ,১৫০০ টকা দিছে, অৰুণোদয় দিছে। দিছে ঠিকে আছে। কিন্তু অৰুণোদয় বা অন্যান্য কিবা দিবৰ কাৰণে যিখন পেণ্ডেল কৰিছে সেই পেণ্ডেলৰ নামত ৪০ কোটি টকা খৰছ কৰিছে। সেই কথাটো বৰ আচৰিত কথা হৈছে। ৫৮ কোটি টকা উৰাজাহাজৰ নামত খৰছ কৰিছে। মায়া-মমতা একো নোহোৱা হৈছে। এখন ঘৰৰ দেউতাকে যদি পইচা আনি দিয়ে, বেংকৰ পৰা যদি বহুত ধাৰ লৈ দিয়ে, তেতিয়া ল'ৰা-ছোৱালীয়ে ফুৰিব যাবলৈ খুব ভাল পাব। যেতিয়া বেংকে চক্ৰবৃদ্ধি সুতেৰে পইচা ল'ব যেতিয়া ঘৰ -মাটি বিক্ৰী হ'ব তেতিয়া ল'ৰা-ছোৱালী ক'ব যে দেউতা আমিটো খোজা নাছিলো কি কাৰণে বেংকৰ ধাৰ

লৈছিল ? আজি অসমত এনেধৰণৰ এটা অৱস্থা হৈছে বুলি অৰ্থনীতিবিদ সকলে ক'ব খোজে। যদি এনেদৰে আমি অট'মেটিকেলি পইচা-পাতি পাইয়ে থাকো, তেতিয়াটো খৰছ কৰাৰ বাবে আমাক চৰকাৰ নালাগে, ৰবট এটা হ'লেই হয়। উপাৰ্জন কৰাটোহে ডাঙৰ কথা। নিজৰ চিন্তাৰে, নিজৰ সঠিক উপায়েৰে আমি কেনেকৈ উপাৰ্জন কৰো সেইটোহে ডাঙৰ কথা। মোৰ আৰু অন্যান্য বহু কথা ক'ব লগীয়া আছিল সেইখিনি নকওঁ। আৰু অন্যান্য বক্তা সকল ও আছে। মই ক'ব খুজিছো যে ২৫ লাখকৈ বছৰি চাকৰি দিম বুলি কৈছিল। তেতিয়া কেন্দ্ৰীয় চৰকাৰেও ২ কোটি কৈ চাকৰি দিম বুলি কৈছিল। তেতিয়া আমাৰ ইয়াত ২৫ লাখকৈ চাকৰি দিম বুলি কৈছিল। কিন্তু আজি ২ বছৰ হৈ গ'ল সেই ২৫ লাখ চাকৰি দিছে নে নাই সেইটো চালেই হ'ল। পঞ্চায়ত নিৰ্বাচনটো নাপাতিলে। ইমান ভাল কাম কৰিছে যদি পঞ্চায়ত নিৰ্বাচন পাতিবলৈ কিয় ভয় কৰিছে? এতিয়া আকৌ চৰকাৰখনে কৈছে যে ৫ মাহৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন নাপাতিলে আমাৰ অৰ্থনীতিৰ দুৰৱস্থা হ'ব। গতিকে আমাৰ আচল ছবিখন দাঙি ধৰিব লাগে। এইখিনি কথা কৈ মোৰ বক্তব্য ইমানতে সামৰনি মাৰিছো।

**সভাপতি ঃ** এতিয়া আছে শ্ৰী মানৱ ডেকা। তেখেত অনুপস্থিত। ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী পৃথ্বিৰাজ ৰাভা। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী পৃথ্বিৰাজ ৰাভা ঃ** মাননীয়া সভাপতি মহোদয়া, পঞ্চদশ বাজেট অধিবেশনৰ প্ৰথম দিনা অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে যি ভাষণ প্ৰদান কৰিলে, সেই ভাষণৰ সমৰ্থনত আমাৰ সতীৰ্থ বিধায়ক শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই যি সমৰ্থন আগবঢ়ালে সেই সমৰ্থনৰ লগত মই দুআষাৰ ক'ব বিচাৰিছো। মাননীয়া মহোদয়া মই খুব দীঘলীয়া বা flat and figure কৰি ক'ব বিচৰা নাই। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বিচক্ষণতা আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ কৰ্মপটুতাৰ ফলস্বৰূপে অসমৰ সকলো জাতি-জনগোষ্ঠীক আশাৰ ৰেঙণি দেখুৱাই নহয় বাস্তৱত আৰু অতীতত নোপোৱা বহু আঁচনিৰ দ্বাৰা উপকৃত হ'বলৈ সক্ষম হৈছে। চহৰ, গাওঁ, পাহাৰ-ভৈয়ামত হিন্দু বা মুছলমানেই হওঁক সকলোৰে চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনিৰ দ্বাৰা উপকৃত হ'বলৈ সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ নেতৃত্ব আৰু উপদেশত অসমৰ চাৰিসীমাৰ ভিতৰত বসবাস কৰি থকা প্ৰতিটো জাতি-জনগোষ্ঠীক একেলগে সাঙুৰি সহায় কৰি আহিছে। এই আঁচনিৰ দ্বাৰা কেৱল হিন্দু সকলেই যে উপকৃত হৈছে এনে নহয়, এই আঁচনিৰ দ্বাৰা আমাৰ ইছলাম ধৰ্মীয় লোক সকলৰ যিসকল গৰীৱ লোক আছে তেওঁলোকেও সমানে উপকৃত হ'বলৈ সক্ষম হৈছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন সময়ত সমগ্ৰ ভাৰতবৰ্ষ খন উন্নতিৰ কাৰণে যিবোৰ আঁচনি গ্ৰহণ কৰিছে এই আঁচনি সমূহে ভাৰতবৰ্ষক উন্নতিৰ পথলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত আমাক বিশেষভাৱে শক্তি যোগান ধৰিছে। অটল পেঞ্চন যোজনা, প্ৰধানমন্ত্ৰী ধন-জন যোজনা, স্বচ্ছ ভাৰত মিশ্যন, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী উজলা যোজনা, আয়ুষ্মান ভাৰত যোজনা, frame India যোজনা, প্ৰধানমন্ত্ৰীৰ কৈশল বিকাশ যোজনা, সুকণ্যা বৃদ্ধি যোজনা, মুদ্ৰা যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা, জলজীৱন মিছন, সৌভাগ্য যোজনা, বেটি বচাও বেটি পঢ়াও, বিভিন্ন আঁচনিৰ দ্বাৰা আৰু শেষত বিশ্বকৰ্ম আঁচনি, যি আঁচনিৰ জৰিয়তে ভাৰতবৰ্ষৰ নিজৰ পৰম্পাৰিক যিবিলাক কাম-কাজত মানুহ লিপ্ত হৈ আছে, যিসকলে কাম কৰি আছে, সেই সকলক সহযোগিতা বা ধনৰে তেখেতসকলক কেনেকৈ আগবঢ়াই নিব পাৰি সেই যোজনাও সাৰতি লৈছে। সেই যোজনা অকল গুজৰাট বা উত্তৰ প্ৰদেশ ৰাইজে পোৱা নাই। এই যোজনাৰ দ্বাৰা অসমৰ প্ৰতিখন গাওঁ পঞ্চায়ত, পৌৰসভাৰ মহিলা-পুৰুষ সকলোৰে

লাভৱান হ'বলৈ সক্ষম হৈছে। ঠিক সেইদৰে যোৱা ৫ ফ্ৰেব্ৰুৱাৰী তাৰিখে বাজেট অধিবেশনৰ আৰম্ভনিত অসম বিধান সভাত মাননীয় ৰাজ্যপাল মহোদয়ে যি ৯৫ পৃষ্ঠাযোৱা ভাষণ প্ৰদান কৰিলে, সেয়া ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সপোনৰ আঁচনি আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ উন্নয়নশীল আঁচনিৰ প্ৰভাৱত, তেখেতৰ ভাষণত নিশ্চিত প্ৰতিফলিত হৈছে। অকল এটা বিভাগক বা সামূহিক ভাৱে নহয়, যিখিনি কথা বিভিন্ন খণ্ডত, বিভিন্ন বিভাগৰ উন্নয়নৰ ক্ষেত্ৰত আৰু বিভিন্ন বিভাগৰ আঁচনিৰ ক্ষেত্ৰত আৰু বিভিন্ন আঁচনি ৰূপায়ন কৰাৰ ক্ষেত্ৰত যি ধন আৱন্টন কৰা হৈছে, তাৰ বিষয়ে যদি কবলৈ যাওঁ তাৰ কাৰণে ৩ ঘন্টা বক্তব্য ৰাখিলেও শেষ নহ'ব। অসমৰ আদিবাসী জনগোষ্ঠী যিসকলে গোটেই জীৱন চাহ খেতিৰ লগত লাগি শিক্ষা, স্বাস্থ্য আৰু বহু সুবিধাৰ পৰা বঞ্চিত হৈছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত মডেল স্কুল হস্পিতাল ইত্যাদি, মজুৰী বৃদ্ধি, খেল প্ৰতিযোগিতা আৰু বিভিন্ন ক্ষেত্ৰত তেখেত সকলক কেনেকৈ আগুৱাই লৈ যাব পাৰি, এই বিষয়ে চিন্তা চৰ্চা কৰি আগুৱাই নিয়াত সহায় কৰিছে।

আমাৰ বৰ্তমান তিনিখন পাহাৰীয়া জিলা আছে। আমি সৰুৰে পৰা দেখিছো যে পাহাৰীয়া জিলাত পানীৰ ব্যৱস্থা, খেতিৰ ব্যৱস্থা নাছিল, জনজীৱন একেবাৰে বেয়া আছিল। সেই পাহাৰীয়া জিলা কেইখনকো উন্নতিৰ পথত আগৱাই নিয়াত সহায় কৰিছে। মুঠতে ৰেচন কাৰ্ড, অৰুণোদয়ৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ ৰাজ্যখনক উন্নয়নৰ পথত আগবঢ়াই নিয়াত যিবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে, সেয়া আমি সদায় স্বীকাৰ কৰিব লাগিব। আমাৰ শাসকীয় দলৰ লগতে বিৰোধী দলেও স্বীকাৰ কৰিব লাগিব।

১৯৩৭ চনৰ কথা মই কব খুজিছো যেতিয়া চিলংঙত আমাৰ ৰাজধানী আছিল, আমাৰ পবিত্ৰ বিধান সভা আছিল, ১৯৩৭ চনৰ ১২ জুন তাৰিখে সেই সময়ৰ বাজেট অধিবেশনত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱে বিধায়ক আছিল। তেখেত বিৰোধী দলত থকা অৱস্থাত বাজেট অধিবেশনত যি বাজেট পাঠ কৰা হৈছিল তাৰ লগত সংগতি ৰাখি এটা কথা কৈছিল, ইয়াত যদি ষ্টুডিওৰ কথা আছে , ৰংগং মঞ্চৰ কথা উল্লেখ নাই, নামঘৰৰ উল্লেখ নাই আৰু শিল্পী সমাজ সৃষ্টি কৰাৰ কোনো উল্লেখ দেখা নাই। কিন্তু আজি মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যিখন চৰকাৰ চলি আছে, আজি অসমৰ ভাঙি যোৱা যিবোৰ নামঘৰ আছে, বৰ্তমানত নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰিছে আৰু শ শ নামঘৰ অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে, তেজপুৰৰ পৰা হাইলাকাণ্ডি কৰিমগঞ্জলৈকে বনাই আছে আৰু ১০ লাখৰ পৰা ২.৫ লাখ, ৩ লাখ দিয়া হৈছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বৰ্তমান আন্তনিৰ্ভৰ যি আঁচনি দিয়া হৈছে তাত বহুতো লৰা-ছোৱালীয়ে আবেদন কৰিছে আৰু মই ভাৱো সকলো ল'ৰা-ছোৱালীয়ে ভৱিষ্যতে ২ লাখৰ পৰা ৫ লাখ টকা লাভ কৰিব আৰু তাৰ দ্বাৰা উপকৃত হ'ব।

মই শেষত এটা কথাই ক'ব খুজিছো যে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিখন অসম চৰকাৰ চলি আছে, সুদুৰ ভৱিষ্যতেত এখন অসম বহু দিনৰ আগত যি অসম আছিল আজি সলনি হৈছে, ভৱিষ্যতে আৰু সলনি হ'ব, উন্নতিৰ পথত আগবাঢ়ি যাব। সেয়ে মই ৰাজ্যপালৰ ভাষণত সমৰ্থন এই বক্তব্য আগবঢ়াই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ৰামকৃষ্ণ ঘোষ।

**শ্ৰী ৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি দিনা ৰাজ্যপালৰ ভাষণৰ ওপৰত সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই যিটো ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে, তাৰ সমৰ্থন কৰি মই মোৰ বক্তব্য আগবঢ়াইছো।

আজি ৰাজ্যপালৰ ভাষণত যিটো পাতে পাতে উন্নয়নৰ কথা কোৱা হৈছে, সেইটো অমূলক নহয়। কাৰণ কোনো এখন দেশৰ উন্নয়নৰ যিটো paremeter, সেই paremeter টো আমি চাব লাগিব। কাৰণ উন্নয়নৰ paremeter পোৱাৰ আগতে আমি সেইটোও ক'ব লাগিব যে আজি আমাৰ ভাৰতৰ প্ৰধানমন্ত্ৰী তেখেতে কিয় ২০৪৭ চনৰ কথা কৈছে। তেতিয়াহে বিকশিত হ'ব, তাৰ আগতে নহয়। এতিয়া আমি যদি এই কথাবিলাক বিশ্লেষণ কৰো, তেতিয়া হ'লে আমি এইটোও বিশ্লেষণ কৰিব লাগিব যে যোৱা ৭০ বছৰত কোনে চৰকাৰ চলাইছিল। যোৱা ৭০ বছৰ কিন্তু এই paremeter বিলাক চোৱা হোৱা নাছিল। যিবিলাক কথা তেখেতসকলে আজি কৈছে। এই কথাৰ কি ভিত্তি আছে, তেখেতসকলে বিভিন্ন বিষয়ৰ ওপৰত, বিভিন্ন আঁচনিৰ ওপৰত কৈছে যে কিয় হোৱা নাই। কিন্তু মই যিটো paremeter সেইটো হ'ল human development index, কিছুমান index ৰ ওপৰত যায়। সেইটো happiness index বা human development index বা skill index বা school education, tourism এইবিলাকৰ ওপৰত আমি যাব লাগিব। যোৱা ৭০ বছৰত আমি কি কৰিছিলো, যোৱা ৭০ বছৰে আমি একো কৰা নাছিলো। যাৰ কাৰণে তাৰ প্ৰতিফলন হয়। কিন্তু এতিয়ালৈকে যিখিনি বিষয়ৰ ওপৰত গুৰুত্ব দিছো, তাৰ ওপৰত আপোনালোকে লক্ষ্য কৰিব যে আমি MSME আৰু vocational training ৰ ওপৰত গুৰুত্ব দিছো। চীন, জাপানৰ নিচিনা দেশ, তেখেতসকলে আগৰে পৰা এইবিলাকৰ ওপৰত গুৰুত্ব দিছিল। আগৰ চৰকাৰে এইবিলাকৰ ওপৰত কিয় গুৰুত্ব দিয়া নাই। যেতিয়া নৰেন্দ্ৰ মোডী চৰকাৰ ২০১৪ চনত আছিল, তেতিয়া আমাৰ দেশত vocational training centre আছিল মাত্ৰ ১১ হাজাৰ। তাৰ পিছত আমাৰ চৰকাৰ অহাৰ পিছত আমি skill India ৰ ওপৰত গুৰুত্ব দিলো। vocational training centre ৰ ওপৰত গুৰুত্ব দিলো। এতিয়া প্ৰায় ২০ হাজাৰ হৈছে। কিন্তু চীনত কি আছিল, প্ৰায় ৩.৫ লাখ আৰু এটা থূলমূলকৈ হিচাপ আনিছে, বৰ্তমান যুগত তেখেত সকলে ৫ লাখ centre ৰ কথা কৈছে। আৰু তাৰ জৰিয়তে তেখেতসকলে ৩ হাজাৰ item ৰ ওপৰত গুৰুত্ব training দিয়ে। নৰেন্দ্ৰ মোডী চৰকাৰ অহাৰ পিছত এতিয়া প্ৰায় ৫ শ item ৰ ওপৰত training দিয়ে। ইমান দিনে কিয় এইবিলাক ভৰা নাছিল। ইয়াৰ আগতে যিবিলাক opposition group আছিল, তেখেতসকলে এইবিলাক চোৱা নাছিল। আজি আমাৰ চৰকাৰ অহাৰ পিছত আমি আৰু এটা paremeter চাব পাৰো, সেইটো GDP টো চাবই লাগিব। বিশ্বত যিকোনো দেশে GDP চাই, আজি আমেৰিকাৰ GDP এক নম্বৰত আছে, দ্বিতীয়তে আছে চীনদেশ আৰু আমি ৫ নম্বৰত পাইছো।

আজি development ৰ যিটো কথা কৈছে, মোডী ডাঙৰীয়াই parliament ত যেতিয়া ভাষণ দিছিল, তেখেতে তেতিয়া কৈছিল যে যেতিয়া কংগ্ৰেছ চৰকাৰ আহে বা opposition য়ে inflation rate টো double digit ৰ পৰা আনে। তেনেকুৱা স্থিতিত আমাৰ দেশ কেতিয়াও উন্নতি কৰিব নোৱাৰে। তেখেত অহাৰ পিছত MSME sector ত আমি কি কৰিছো প্ৰথমতে যে MSME sector is the key to the make in India, digital India, স্বচ্ছ ভাৰত, এইবিলাক আমি আনিছো। এইবিলাক অহাৰ পিছত আমাৰ দেশৰ developmental growth বাঢ়ি আছে। তাৰ আগলৈকে যেতিয়া কভিড -১৯ নিচিনা epidemic আহি গ'ল, তাৰ পিছতে আপোনালোকে লক্ষ্য কৰিব যে আমাৰ দেশৰ GDP প্ৰায় একে থাকিলে, কিন্তু আমেৰিকাৰ আৰু চীনৰ GDP বহুত তললৈ নামি গ'ল। জাপান, জাৰ্মানৰ GDP বহু তললৈ নামি গ'ল। সেই সময়ত আমাৰ দেশে বিভিন্ন দেশক সহায় কৰা আৰম্ভ কৰিলে। এইটো স্থিতি

আমাৰ নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত আহিছে আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত তেখেতে যিটো উন্নয়ন কৰিছে, সেই উন্নয়নৰ পেৰামিটাৰ আমি চাব লাগিব। আজি অসমৰ ক্ষেত্ৰত চাব, আজি যিকোনো দেশ উন্নয়ণ কৰিবলৈ হ'লে ৰাষ্টাটো ঠিক হ'বই লাগিব। আজি অসম মালাৰ জৰিয়তে আজি হোজাইৰ নিচিনা ঠাইত, হোজাইত যদি আমি যাওঁ, তাতো অসম মালা হৈ আছে। ৰাষ্টাৰ যিটো expension, ৰাষ্টাৰ যিটো breath সেইটো চালে আচৰিত লাগে যে অসম মালাৰ ৰাষ্টা তেনেকুৰা হয় নেকি? অসম মালাৰ ৰাষ্টায়েই হওঁক, health আৰু এটা parameter. Health ৰ ক্ষেত্ৰত গোটেই জিলাই জিলাই almost Medical college হৈ আছে, University হৈ আছে education ৰ ক্ষেত্ৰত। কোনোবা এখন দেশৰ যদি উন্নয়ণ হ'ব লাগে, তাৰ back bond টোৱে হ'ল education. এই Education ৰ ওপৰত গুৰুত্ব দিয়া নাছিল। আমাৰ চৰকাৰ আহি এই education ৰ ওপৰত গুৰুত্ব দি new education policy আহিল যাৰ জৰিয়তে আমাৰ দেশত প্ৰথম বাৰৰ বাবে GDP টো বাঢ়িব। এই চিন্তটো আমাৰ দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৰিলে। আগতে কিন্তু কংগ্ৰেছে কেতিয়াও কৰা নাছিল। তেখেতসকলে educstion ৰ কথা ভবাই নাই, Primary sector ৰ কথা ভবা নাই, vocational center ৰ কথা ভবাই নাই, skilling ৰ ওপৰতো তেখেত সকলে ভবা নাই। আজি মঙ্গলদৈত skill ৰ ওপৰত University এখন হৈ আছে। আগতে এইবিলাক গুৰুত্ব দিয়া হোৱা নাছিল। যেতিয়ালৈকে এইবিলাক আগ নাবাঢ়ে, তেতিয়ালৈকে কোনো এখন দেশৰ উন্নয়ণ নহয়। সেইটো কিন্তু ৭০ বছৰৰ পিছত আমাৰ চৰকাৰ অহাৰ পিছত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ চৰকাৰ অহাৰ পিছত তেখেতে এইটো আৰম্ভ কৰিলে। তাৰ আগতেও আমাৰ যেতিয়া অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ চৰকাৰ ২০০৩ ৰ পৰা আৰম্ভ হৈছে এই উন্নয়ণৰ গতিধাৰাটো। তেতিয়া আহিছিল সৰ্বশিক্ষা মিছন। শিক্ষাৰ ওপৰত তেতিয়া গুৰুত্ব দিয়া হৈছিল। কিন্তু তাৰ পিছত যেতিয়া কংগ্ৰেছৰ চৰকাৰ আহিল আপোনালোকে লক্ষ্য কৰিব তেতিয়াও কিন্তু তেখেতসকলে ইয়াৰ ওপৰত গুৰুত্ব দিয়া নাছিল। Health sector ৰ কথায়েই হওঁক, Education ৰ কথায়েই হওঁক, আজি আমাৰ ভাৰতৰ export ৰ section টো বাঢ়ি আছে। Export আগতে হোৱাই নাছিল। আগতে আমদানি oriented আছিল। Import oriented country আছিল। আজি defence ৰ ক্ষেত্ৰত আমি export কৰি আছো। তেতিয়া import কৰিছিল। কিয় তেখেত সকলে make in India ৰ নিচিনা project হাতত লোৱা নাছিল কংগ্ৰেছে। যদি make in India ৰ নিচিনা project ল'লেহেঁতেন আৰু যদি MSME sector ৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হেঁতেন, তেতিয়া কিন্তু দেশৰ এই স্থিতি নহ'লহেঁতেন। বহুত আগতে আমি develop হৈ যাওঁ। কাৰণ ১৯৪৯ ত যদি চাইনাই স্বাধীনতা পোৱাৰ পিছত ইমান আগবাঢ়ি গৈছে, আমিও আগবাঢ়িলোহেঁতেন। ইমানবোৰ বোজা লৈ ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া অহাৰ পিছত আৰু আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী তেখেতে অহাৰ পিছত যিটো উন্নয়ণৰ গতি আগবঢ়াই লৈ গৈছে তাৰ কাৰণে আমি ধন্যবাদ দিবই লাগিব। সেই কাৰণে মই ধন্যবাদ জনাইছো। নমস্কাৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীমনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰি শ্ৰীৰূপক শৰ্মা ডাঙৰীয়াই যিধৰণে উল্লাস প্ৰকাশ কৰিছে বা সমৰ্থন জ্ঞাপন কৰিছে মই সেইধৰণে উল্লাস প্ৰকাশ কৰিব নোৱাৰিলো গভীৰ কৃতজ্ঞতাও প্ৰকাশ কৰিব নোৱাৰিলো। কাৰণ তেওঁলোকে প্ৰস্তাৱ উত্থাপন কৰি যিধৰণে ১১ হাজাৰ ৫৯৯ কোটি টকাক লৈ উল্লাস প্ৰকাশ কৰিছে, কিন্তু

বাস্তৱে সেই কথাটো নকয়। কাৰণ ১৪-১৫ চনৰ পৰা ২০২২-২৩ চনলৈকে উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে ৫৪ টা মন্ত্ৰালয়ত যি বাজেট পুঁজি নিৰ্ধাৰিত হৈছিল, সেই পুঁজিৰ আমি যদি হিচাপ চাওঁ, তেতিয়াহ'লে ২০২২-২৩ লৈকে তেওঁলোকে ৪ লাখ ৪৯ হাজাৰ ৮৯ টকা ধাৰ্য্য কৰিছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে মুকলি কৰি দিছিল মাত্ৰ ৩ লাখ ৮৪ হাজাৰ ৫৬১ লাখ টকা। আকৌ ২০২৩-২৪ চনত ধাৰ্য্য কৰা হৈছিল ৯৪ হাজাৰ ৬৭৯ কোটি টকা। নৱেম্বৰ মাহৰ ২০২৩ চনলৈকে মোকোলাই দিছে মাত্ৰ ৪৫ হাজাৰ ৫২০ কোটি টকা। এই হিচাপ যদি ধৰা যায়, তেতিয়াহ'লে এতিয়ালৈকে উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে ১ লাখ ১৩ হাজাৰ কোটি টকা তেওঁলোকে মোকোলাই নিদিলে। যদি কেন্দ্ৰীয় চৰকাৰে টকা মোকোলাই দিলেহেঁতেন তেতিয়া উত্তৰ পূৰ্বাঞ্চল lineset অসমত আছিল। অসমৰ অৰ্থনৈতিক চেহেৰাই আজি বদলি গ'লহেঁতেন, তেতিয়াহ'লে ঋণ লৈ আমাৰ চৰকাৰ চলাবলগীয়া নিশ্চিতভাৱে নহ'লহেঁতেন। সেই কথা আওকান কৰি তেওঁলোকে ১১ হাজাৰ কোটি টকাত লাগি আছে। কিন্তু আমি ১ লাখ ১৩ হাজাৰ কোটি টকা প্ৰাপ্য পাবলৈ সক্ষম হোৱা নাই। এই বঞ্চনা আমাৰ অসমৰ প্ৰতি আছে, উত্তৰ-পূৰ্বাঞ্চলৰ কাৰণে আছে। এনে এটা অৱস্থাৰ মাজত ৰাজ্যপালে যি ভাষণ দিছে এই ৰাজ্যপালৰ ভাষণ কোনো কাৰণতে সমৰ্থনযোগ্য নহয়। তাৰে যদি tresury bench ৰ পৰা এই যি তথ্য, এই তথ্যক নাকচ কৰক। কাৰণ এইটো আমাৰ ডনাৰ মন্ত্ৰীয়ে তথ্যটো প্ৰকাশ কৰিছে। এই তথ্যৰ ভিত্তিতে মই কথাখিনি কৈছো। অন্যান্য যিবিলাক বিষয় আছে, সেই বিষয় বিলাকত মই আশ্বৰ্য্য প্ৰকাশ কৰিছো। আমাৰ যিটো offers of settlement দিছে, এতিয়া ১৩ লাখ ৩৯ হাজাৰ ৬ শ ৫ গৰাকীয়ে এই বসুন্ধৰা ২ ত আবেদন কৰিছিল। কিন্তু আমাৰ অনুমোদনৰ পিছত মাত্ৰ ২ লাখ ২৬ হাজাৰ আজি offers of settlement দিছে। এতিয়া ১১ লাখ লোকে নাপালে আৰু তেওঁলোক ১১ লাখে কিয় নাপালে এই কথাটো আকাৰে ইংগিতেৰে কৈ দিছে। এটা নিৰ্দিষ্টলোকক সমষ্টিত তেওঁলোকে বঞ্চনা কৰাৰ কাৰণে এই সংখ্যা আজি ১১ লাখে নাপালে। কিন্তু মুখত খিলঞ্জীয়াৰ কথা কয়। আজি ৰাজ্যপালৰ ভাষণত যি তথ্য দিছে, সেই তথ্যত ওলাইছে যে আমাৰ অনুসূচীত জাতি, অনুসূচীত জনজাতি OBC আৰু MOBC তেওঁলোকৰ একেবাৰে আমাৰ খাচ খিলঞ্জীয়া মানুহ। এইসকল আমাৰ সমাজৰ নিচ মানুহ। তেওঁলোকে এতিয়াও জনজাতি হৈ আছে বা তেওঁলোকক আমি অনুসূচীত কৰি ৰাখিবলগীয়া হৈছে। OBC, MOBC কৰি ৰাখিছো। তেওঁলোকৰ ভিতৰৰ পৰা ৬ লাখ ৮৯ হাজাৰ ১৫৫ খন আবেদন দাখিল কৰা হৈছিল। কিন্তু তেওঁলোকক দিলে কিমান? মাত্ৰ দিলে ১ লাখ ৯০ হাজাৰ ৩ শ ৮৬। ৫ লাখ লোকৰ আবেদন নাকচ কৰা হ'ল। কি যুক্তিত নাকচ কৰিলে। যদি কিবা অসুবিধা আছিল, অসুবিধা আতৰ কৰি হলেও এই বসুন্ধৰা ২ ত তেওঁলোকক মাটিৰ পট্টা দিব লাগিছিল। মাটিৰ পট্টাৰ অন্য অন্য premium যিবিলাক কথা বতৰা আছে, এনেধৰণে আজি যেতিয়া কাম-কাজ কৰিছিল, বিৰাট সাফল্য, বিৰাট উন্নয়ণ মইতো বুজি নাপাও। আজি আটাইতকৈ নিচ যিসকল মানুহৰ মাটিৰ অধিকাৰ নাই তেওঁলোকে যেতিয়া মাটিৰ আবেদন কৰিও মাটিৰ পট্টা নাপাব, তেতিয়াহ'লে কিহৰ উন্নয়ণ ৰাজ্যখনৰ হৈছে। অন্যান্য বিষয়টো বহুত কথা ক'বলগীয়া আছে কাৰণ আপোনালোকে চাব এটা কথা আমাৰ কৃষি মন্ত্ৰীয়ে ৩০ শতাংশ আমাৰ ৰাজ্যৰ আয়ৰ প্ৰতি তেওংলোকৰ কৃষি খণ্ডৰ পৰা আহিব আৰু তাৰ কাৰণে জলসিঞ্চনৰ কিবাকিবি আঁচনিৰ কথাও কৈছে। কিন্তু মই ক'ব বিচাৰিছো এতিয়া আমাৰ ৰাজ্যখনত মাত্ৰ ৬ শতাংশ ভূমিত জলসিঞ্চন হৈছে। যদি আমাৰ ৰাজ্যখনত ৩ টা ফচল কৰিবলগীয়া হয়, ৰাজ্যখনৰ কৃষিক্ষেত্ৰত যদি উন্নত কৰিবলগীয়া হয়, তেতিয়াহ'লে সকলো মাটিত জলসিঞ্চনৰ নিশ্চয়তা কিয় দিব নোৱাৰে ? পাঞ্জাব,

হাৰিয়ানাই যদি কৰিব পাৰে, তেতিয়াহ'লে ৰাজ্যখনত অসমৰ ১০ বছৰ কাল ভাৰতীয় জনতা পাৰ্টীয়ে জলসিঞ্চনৰ বিষয়টোকে আগবঢ়ায় লৈ যাব পৰা নাই। খেতি পতাৰত পানী দিব পৰা নাই। তেনেক্ষেত্ৰত আজি যদি আমি এনেধৰণে কৃষি খণ্ডক যদি পিছ পৰাই থওঁ, উদ্যোগী কৰণৰ কথা নললোৱেই আমি নিশ্চিতভাৱে বাজেটত আলোচনা কৰিম। এই ধৰণৰ কথা-বতৰা স্বাভাৱিকতে আমি ক্ষুদ্ধ আৰু সেই কাৰণে মই এই অভিনন্দন সূচক প্ৰস্তাৱক কোনোপধ্যেই সমৰ্থন কৰিব পৰা নাই। আনহাতে আপোনালোকে নিশ্চিতবাৱে লক্ষ্য কৰিছে যে অন্যান্য বিষয়ত কুশল কোঁৱৰৰ যিটো বৃদ্ধ পেঞ্চনৰ কথা কৈছে এই কুশল কোঁৱৰ বৃদ্ধ পেঞ্চনৰ তথ্য আমাৰ সন্মুখলৈকে আহিছে। সেই কুশল কোঁৱৰৰ বৃদ্ধ পেঞ্চনৰ ক্ষেত্ৰত দেখা গৈছে যে ১২ লাখ ১১ হাজাৰ ৩ শ ৩৪ গৰাকী মাত্ৰ ২৫০ টকাকৈ পেঞ্চন দি থকা হৈছে। এই যিটো সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত যদি এওঁলোকক আজি অৰুণোদয়ৰ অৰ্ন্তভূক্ত কৰি ১২ শ ৫০ কোটি টকাৰ নিশ্চয়তা কিয় দিব নোৱাৰিলে চৰকাৰে। যদি দিলেহেঁতেন, এই ১২ লাখ বৃদ্ধ যিসকলক আমি কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ আঁচনিৰ অন্তৰ্ভূক্ত কৰিছো, তেওঁলোক নিশ্চিতভাৱে উপকৃত হ'লহেঁতেন। কিন্তু সেই কামটো কৰা হোৱা নাই। অন্যান্য achievment ৰ ক্ষেত্ৰত আজি মই, পঞ্চায়ত বিভাগৰ মন্ত্ৰী উপস্থিত আছে। অলপ আগতে কোনো মন্ত্ৰীয়ে নাছিল। এজন মাত্ৰ মন্ত্ৰী আছিল। এতিয়া কোনোমতে ৫ জনমান আহিছে ধন্যবাদ দিছো তেওঁলোক উপস্থিত আছে। এতিয়া IAY ৰ ঘৰ বা প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ ক্ষেত্ৰত আজি বিৰাট সাফল্যৰ কথা বিভিন্ন সময়ত এই বিধান সভাতে উত্থাপন কৰিছে। কিন্তু মই নিজৰ জিলাত দেখিছো যে IAYৰ ঘৰ সম্পূৰ্ণ হোৱাৰ সুন্দৰ হোৱাৰ certificate লৈছে কিন্তু IAYৰ ঘৰৰ যিসকল হিতাধিকাৰী আছে, সেই হিতাধিকাৰী সকলে আমি লক্ষ্য কৰিছো তেওঁলোকৰ যিটো MGNREGA পাবলগা ৯৫ দিনৰ মজুৰি, সেই ৯৫ দিনৰ মজুৰি পোৱা নাই। ৯৫ দিনৰ মজুৰি নোপোৱাকৈ ঘৰবিলাক সম্পূৰ্ণ কৰি দেখুৱাইছে, মাত্ৰ কেন্দ্ৰৰ পৰা আৰু বেছি ঘৰৰ যাতে অনুমোদন পাও তাৰ কাৰণে সেই কামটো কৰিছে। এই কামটো যথাযথভাৱে হোৱা নাই বুলি মই ভাৱো আৰু এইক্ষেত্ৰত চিন্তা কৰিবলগীয়া বিষয়টো হৈছে কৈছে যে আজি আন্দোলন নাই। শান্তিপূৰ্ণ অসম। কিন্তু চচললৈকে যাব কোনে আন্দোলনত নমা নাই। ইতিমধ্যে ৰকিবুল হুছেইনে কথাটো কৈছে যে চাফাই কৰ্মী আজি আন্দোলনত আছে। আজি scheme worker বিলাক দীৰ্ঘদিন ধৰি আন্দোনলত আছে। তেওঁলোকৰ মাননি বৃদ্ধি কৰা হোৱা নাই, contractual teacher সকল আজি আন্দোলনত আছে, electricity consumer society আন্দোলনত আছে, টেট শিক্ষক সকলৰ অপমান জনক অৱস্থা এটা বিৰাজ কৰিছে। তেওঁলোকৰ সমস্যা সমাপ্ত হোৱা নাই আৰু তাৰপিছত কৈ আছে আজি এখন শান্তিৰ অসমত বসবাস কৰিছো, যদি এই অৱস্থাত থাকে তেতিয়াহ'লে আমি শান্তিত থাকিব নোৱাৰো। অৱশ্য treasury bench য়ে সকলো প্ৰতিবাদ আওকান কৰি সুখনিদ্ৰাত থাকিব খুজে তেতিয়াহ'লে শান্তিৰ অৱস্থাত আছে। আমি কিন্তু শান্তিৰ অৱস্থাত নাই। আমি এটা অশান্তি অৱস্থাত বসবাস কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চলিত বাজেট অধিবেশনৰ প্ৰথম দিনা মাননীয় ৰাজ্যপাল ডাঙৰীয়াই দিয়া ভাষণৰ ওপৰত শাসকীয় পক্ষই যি ধন্যবাদসূচক প্ৰস্তাৱ আৰু সমৰ্থন আনিছে । তাৰ বিৰোধিতাৰে মই মোৰ বক্তব্যখিনি দাঙি ধৰিব বিচাৰিছো । সময়ৰ প্ৰতি লক্ষ্যৰাখি কেইটামান বিভাগৰ ওপৰত মই বক্তব্য ৰাখিব বিচাৰিছো । ৰাজ্যপাল

ডাঙৰীয়াৰ ভাষণত স্বাস্থ্য বিভাগৰ বহুতো গুনগান ইয়াতে গাইছে । বহুকেইখন মেডিকেল কলেজ স্থাপন কৰাক লৈ শাসকীয় পক্ষই উল্লাহ প্ৰকাশ কৰিছে । হয় মেডিকেল কলেজ স্থাপন হৈছে কিন্তু এখন মেডিকেল কলেজত যিখিনি চিকিৎসা সেৱা পাব লাগে নাইবা তাতে অধ্যয়ণ কৰা চিকিৎসক ছাত্ৰ ছাত্ৰী সকলে যিখিনি সুবিধা পাব লাগে সেইখিনি কিন্তু প্ৰতিখন মেডিকেল কলেজতে নাই । নতুনকৈ নিৰ্মাণ কৰা প্ৰতিখন মেডিকেল কলেজতে অভাৱ আছে । আজি বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজৰ কথা যদি উল্লেখ কৰো তাত কাৰ্ডিওল'জি বিভাগৰ ডক্টৰ নাই, নিওৰল'জি বিভাগৰ ডক্টৰ নাই , বেমাৰ আজাৰ হ'লে মানুহে মেডিকেল কলেজলৈ দৌৰী যায় কিন্তু তাত যোৱাৰ লগে লগে ডক্টৰে চাই গুৱাহাটী মেডিকেল কলেজলৈ ৰেফাৰ কৰি দিয়ে । মেডিকেল কলেজ বনাইছে কিন্তু তাক সম্পূৰ্ণৰূপে পূৰ্নাঙ্গ ৰূপ দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে । কিন্তু এই বিষয়ে আমি ৰাজ্যপাল মহোদয়ৰ ভাষণত কোনো উল্লেখ নেদেখিলো । আগতে চাব চেন্টাৰবিলাকতো ৰোগীসকলে যিখিনি দৰৱ পাতি পাইছিল সেইখিনি ৰ সংখ্যা যথেষ্ঠ ক'মি গৈছে । ডক্টৰে লিখি দিয়া দৰৱ মেডিকেলৰ যি ফাৰ্মাচী থাকে তাত নাপায় বৰঞ্চ নিজৰ পকেটৰ পইচা ভাঙি বাহিৰৰ পৰা কিনিব লগা হয় । গতিকে এইবিলাক বিষয় শাসকীয় পক্ষই ভালদৰে জানে । তেওলোকৰ বহুতে এই বিষয়ে কয় কিন্তু আজি তেওঁলোকে আনন্দ প্ৰকাশ কৰিছে যে ক'তো একো ভূল হোৱা নাই । গতিকে মই ভাবো এই বিষয়ত গুৰুত্ব আৰোপ কৰিব লাগে । কিন্তু এইখিনি কথাও ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নাই । এম জি এন ৰেগাৰ কথা কোৱা হৈছে , ইউ পি এ চৰকাৰে এম জি এন ৰেগা আঁচনি আনিছিল সেই সময়ত বিজেপিয়ে বহুতো সমালোচনা কৰিছিল তাৰ পিছত সমগ্ৰ দেশবাসীয়ে এই আঁচনি আদৰণি জনাইছিলে আৰু আজি ভাৰতবৰ্ষৰ লগতে অসমতো জৱ কাৰ্ড হোল্ডাৰে যথেষ্ঠখিনি উপকৃত হৈছে । আন্তঁগাথনিৰ ক্ষেত্ৰত অসমখন বহু আগুৱাই গৈছে । কিন্তু যেতিয়াৰ পৰা কেন্দ্ৰত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বিজেপি চৰকাৰ আহিছে আৰু অসমত ২০১৬ চনৰ পৰা বিজেপিয়ে চৰকাৰ গঠন কৰিছে তাৰ পিছত প্ৰতিটো বছৰতে এম জি এন ৰেগাৰ বাজেট ক'মি গৈ আছে । বাজেটৰ অভাবত আঁচনি সমূহ দিব পৰা নাই । অহা ১২ তাৰিখে বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰিব এই ক্ষেত্ৰত তেওলোকে এম জি এন ৰেগাৰ কিমান আঁচনি দিলে ইয়াৰ তথ্য যদি আমি বিধান সভাত বিচাৰো তেনেহ'লে চৰকাৰখনৰ পুতৌজনক অৱস্থা হ'ব । আজি এম জি এন ৰেগাৰ বাজেট নাই , কোনো আঁচনি দিব পৰা নাই । জৱকাৰ্ড হোল্ডাৰক এশ দিনৰ কাম দিব পৰা নাই । যিসকলে প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰ পাইছে সেই টকা তেওলোকে জৱ কাৰ্ডত সোমাই দি এশ দিনৰ কাম পোৱা বুলি দেখুৱাইছে গতিকে এম জি এন ৰেগাৰ জৰিয়তে গাওঁত বাস কৰা যিসকল দুখীয়া জৱকাৰ্ড হোল্ডাৰ তেওলোকে আগতে কাম পাইছিল , গাওঁৰ উন্নতি হৈছিলে কিন্তু আজি কামৰ অভাৱত সেই উন্নয়ণ গাওঁত বন্ধ হৈ আছে । আজি জৱকাৰ্ড হোল্ডাৰে কাম বিচাৰি ফুৰিব লগা হৈছে । দৰিদ্ৰ সীমাৰেখাৰ তলত দিনে দিনে মানুহৰ সংখ্যা বৃদ্ধি হৈছে । যদি তেওলোকে এম জি এন ৰেগাৰ আঁচনিত টকা বৈছিকৈ ধৰিলেহেঁতেন তেতিয়া মানুহৰ আৰ্থিক অৱস্থা ভাল হেতেঁন আৰু ৰাজ্যখনৰ উন্নতি হ'লহেতেঁন কিন্তু ৰাজ্যপাল মহোদয়ৰ ভাষণত এনেকুৱা কোনো কথা আমি দেখা নাপালো । শিক্ষা আৰু উচ্চ শিক্ষাৰ কথা কোৱা হৈছে । যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ঘোষণা হয় তেতিয়া আমি দেখিবলৈ পাওঁ যে চৰকাৰী বিদ্যালয়তকৈ বেচৰকাৰী বিদ্যালয়বোৰৰ ফালফল অধিক ভাল হয় । আজি তেওলোকে মহাবিদ্যালয়বিলাকত বিভিন্ন শাখাৰ কথা কৈছে । কিছুমান মহাবিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা খুলিব বুলি আমি শুনিয়েই আছো কিন্তু বৰ্ত্তমান

কিমানখন হায়াৰ চেকেণ্ডৰী আৰু কলেজত এই শাখা খুলিলে তাৰ কোনো উল্লেখ নাই । এই বিধান সভাত এই বিষয়ে শাসকীয় পক্ষই হওঁক বিৰোধীপক্ষই হওঁক দাবী জনাই আহিছে । কিন্তু চৰকাৰৰ পৰা ইয়াৰ কোনো সদুত্তৰ নাই আৰু ৰাজ্যপাল মহোদয়ৰ ভাষণতো ইয়াৰ কোনো উল্লেখ নাই । গতিকে আমি দাবী জনাও যে যিবিলাক মহাবিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য বিভাগ নাই এই দুটা বিভাগ খুলিব লাগে । শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে আৰু ব্যক্তিগত বিদ্যালয়ৰ লগত ফেৰ মাৰিব পৰাকৈ বিদ্যালয়ে বিদ্যালয়ে গুনোৎসৱ পাতিছে । কিন্তু গুণোৎৰ পতাৰ পিচতো যিবিলাক বিদ্যালয়ৰ অভাৱ অভিযোগ আছে তাক আজিও পূৰণ কৰিব পৰা নাই । চৰকাৰী বিদ্যালয়ত অধ্যয়ণ কৰি থকা ছাত্ৰ ছাত্ৰীসকলে প্ৰাইভেট স্কুলৰ ছাত্ৰ ছাত্ৰীতকৈ ফলাফল উন্নত কৰিব পাৰে তাৰ কাৰণে চৰকাৰে কিন্তু অনুধাৱন কৰিব লাগে কিন্তু এই কথাও ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নাই । ক্ৰীড়া বিভাগ আৰু ষ্টেডিয়ামৰ কথাও কৈছে , লগতে খেল মহাৰণও পাতিছে কিন্তু আজিৰ তাৰিখত অসমত কিমানখন ষ্টেডিয়াম আছে ? আমি বিচাৰিছো যে, প্ৰতিটো ব্লক পৰ্য্যায়তে একোখনকৈ ষ্টেডিয়াম থাকিব লাগিব যাৰ জৰিয়তে ল'ৰা ছোৱালীয়ে অসমৰ ক্ৰীড়া জগতক আগবঢ়াই লৈ যাব পাৰে । কিন্তু ৰাজ্যপালৰ ডাঙৰীয়াৰ ভাষণত কোনো উল্লেখ নাই । আজি নদী , দলং ইত্যাদিৰ কথা কৈছে, অসমৰ ব্ৰহ্মপুত্ৰ - বৰাক আৰু বিভিন্ন উপনৈসমূহত এতিয়াও বহুতো কাঠৰ দলঙ আছে যিবিলাক চৰকাৰে আজিও পকীকৰণ কৰিব পৰা নাই । পাঁচ হাজাৰ পকী দলঙ পকীকৰণৰ কথা কৈছিল কিন্তু এতিয়াও নদীৰ ওপৰত কাঠৰ- বাহঁৰ দলঙ আছে য'ত বিপদসমকূল যাত্ৰা চলি আছে । গড়কাপ্তানী বিভাগে এই বিষয়ত চকু দিব লাগে । এই কথাও আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণত প্ৰতিফলিত হোৱা নাই । মোৰ সমষ্টিত পল্লা, পহুমাৰা, টিহু , কালদিয়া ইত্যাদিত এতিয়া বহু দলং পকী দলং নাই। বৰপেটা জিলাৰ মাজেৰে বৈ যোৱা বেঁকী নদীৰ ওপৰত ওতিয়া বহু দলঙৰ প্ৰয়োজন আছে । এইবিলাক ক্ষেত্ৰত বিভাগৰ ফালৰ পৰা কোনোধৰণৰ স্পষ্টীকৰণ নাই যে তেওলোকে কেতিয়া এই দলংবিলাক নিৰ্মাণ কৰিব। বেঁকী নদীৰ ওপৰত হাজিপাৰা, ঘুলীয়া জান , নৱগঠিত পঁকাবেতবাৰীত যি বিধান সভা সমষ্টি হৈছে বেঁকী নদীয়ে তাক দুইভাগ কৰি থৈছে । হাজিপাৰা, ঘুলীয়া জানৰ ওপৰত এখন দলঙ বনোৱাৰ প্ৰস্তাৱ মই আজি আপোনাৰ জৰিয়তে চৰকাৰক দিছো আৰু আশা কৰিছো যে এই বিষয়ে বিগত সময়খিনিত চৰকাৰৰ ফালৰ পৰা স্পষ্ট ইংগিত পাম । পশুপালন - পশুচিকিৎসাৰ কথা কোৱা হৈছে । অসমত যিখিনি গাখীৰ কণী লাগে সেইখিনি উৎপাদন কৰিব পৰা নাই । কিন্তু যেতিয়া মোদী ডাঙৰীয়াই ভাষণ দিয়ে তেতিয়া চৰকাৰে কয় যে আমাৰ টকাৰ পিছত টকা আহি আছে । কিন্তু তথাপিও আমি উৎপাদন কৰিব পৰা নাই কাৰণ চৰকাৰৰ সদিচ্ছা নাই । আঁচনিৰ টকাবিলাক তেওলোকে ভালদৰে খৰছ কৰিব পৰা নাই । আজি গৃহ বিভাগ, ৰাজনৈতক বিভাগৰ লগতে আন আন বিভাগৰ কথাও কৈছে । কিন্তু ৰাজ্যখনত এটাৰ পিছত এটা অপৰাধজনিত ঘটনা ঘটিয়েই আছে। ড্ৰাগছৰ ক্ষেত্ৰত যিটো কু প্ৰভাৱ সমাজত পৰিছে এতিয়াও ৰোধ কৰিব পৰা নাই । এক সপ্তাহ- দহ দিনৰ মূৰে মূৰে ড্ৰাগছ ধৰিয়েই আছে । কিন্তু গৃহ বিভাগে এতিয়াও ড্ৰাগছৰ ঘাটিও উৎখাঁত কৰিব পৰা নাই । গৃহ বিভাগ আজি ব্যৰ্থ হৈছে । এই কথাবিলাক আমি ৰাজ্যপাল মহোদয়ৰ ভাষণত প্ৰতিফলিত হোৱা দেখা নাই । গৃহ আৰু নগৰ উন্নয়ণৰ কথা লগতে জাইকাৰ কথাও কৈছে । বিজেপিয়ে ডাঙৰ ডাঙৰকৈ শ্ল'গান দিছিল । খানাপাৰা ফিল্ডত দেশৰ প্ৰধান মন্ত্ৰীৰ লগতে বৰ্ত্তমানৰ আমাৰ মুখ্যমন্ত্ৰী আৰু বিজেপিৰ নেতাসকলে কৈছিলে যে গুৱাহাটীত খোৱা পানীৰ ব্যৱস্থা কৰিব কিন্তু আজি বিজেপি চৰকাৰৰ আঠ বছৰ পাৰ হ'ব কিন্তু আজিও গুৱাহাটীৰ মানুহক বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব পৰা নাই । গুৱাহাটীৰ

মানুহে যথেষ্ঠ জ্বালা যন্ত্ৰণা পাইছে পানীৰ বাবে । জলসিঞ্চনৰ কথা যদি কওঁ বিজেপিয়ে শ্ল'গান দিছিলে যে হৰ খেতমে পানী কিন্তু আজি খেতি পথাৰত পানী নাই । কিন্তু জলসিঞ্চন বিভাগে কৃষকৰ উন্নয়ণৰ কাৰণে কোনো ধৰণৰ ব্যৱস্থা কৰিব পৰা নাই । মই শেষত এটা কথা কওঁ যে ৰাজহ বিভাগৰ বিভিন্ন ধৰণৰ কথা কৈছে কিন্তু যোৱা দুটা বছৰে অসমত যি বানপানী হৈ গৈছিল এই বিষয়ে ৰাজহ ও দূৰ্যোগ বিভাগে কেন্দ্ৰ পৰা কোনো ধৰণৰ পুঁজি আনিব পৰা নাই ।

মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ দ্বাৰা ক্ষয়-ক্ষতি এতিয়াও হৈ আছে। তাৰ অভাৱ আমি পূৰণ কৰিব পৰা নাই। ৰাজহ বিভাগ আজি নিমাত। তেওঁলোকৰ কোনো ফাগু নাই। এচ ডি আৰ এফৰ কোনো আঁচনি এই চৰকাৰখনে দিব পৰা নাই। আজি জলেশ্বৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত লক্ষিপুৰ ৰাজহ চক্ৰৰ প্ৰস্তাৱিত, থাৰকো নলবাৰী সংৰক্ষিত বনাঞ্চলৰ শাকডুবা গাওঁৰ ভিতৰেদি যোৱা গড়কাপ্তানী বিভাগৰ পথৰ দুয়োকাষে থকা পি আৰ এফৰ অলপ পৰিমাণৰ মাটি আৰ এফলৈ ৰূপান্তৰিত কৰিবলৈ বিচাৰিছে। তাৰ কাৰণে ৰাইজে প্ৰতিবাদ কৰিছে যে পি আৰ এফৰ মাটিখিনি আৰ এফ লৈ ৰূপান্তৰিত নকৰি চৰকাৰী খাচ কৰিব লাগে। ইয়াৰ বাবে জলেশ্বৰৰ মানুহখিনিয়ে দাবী কৰিছে। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত তেওঁলোকে ফুলজাৰিহে মাৰিছে। কিন্তু প্ৰকৃততে যদি আমি মানুহৰ মাজলৈ যাওঁ, গাওঁলৈ যাওঁ আৰু বিভিন্ন বিভাগত যদি আমি পৰ্য্যালোচনা কৰো আমি ফোপোলা স্বৰূপ দেখিবলৈ পাম। চৰকাৰে এই সমূহ চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সতীৰ্থ বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই খুব সুন্দৰভাৱে বিশ্লেষণ কৰি মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ প্ৰতি সমৰ্থন কৰি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে আৰু এই প্ৰস্তাৱক পূৰ্ণ সমৰ্থন জনাই মই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো। 'স্বৰ্গ বিচাৰি নজাওঁ জননী আৰু যে স্বৰ্গ নাই। তইয়ে আমাৰ চিৰ সাধনাৰ চৰম লক্ষ্য ঠাই। তোৰ চৰণে ধূলি সানি সানি, তোৰে পদজল এচলো খাই, তোৰ কোলাতেই মুদিম দুচকু। শেষত ভকতিৰ ভটিমা গাই।' অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ এইষাৰ বাণীয়ে মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত প্ৰতিফলিত হৈছে। আই বুলি কৈছে, মাক সেৱা কৰি চকু মুদিম, মাৰ সেৱা কৰি কৰি। মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰখন চলি আছে। বিশ্বৰ অতি সৰ্ব প্ৰিয় নেতা মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰখন চলি আছে। মোৰ কেতিয়াবা লাজ লাগে যে মই কেইদিমান আগলৈকে কংগ্ৰেছ দলত আছিলো। কংগ্ৰেছ দলৰ পৰা এজন সাংসদ দেশৰ প্ৰধানমন্ত্ৰী হৈ আছিল। ড° মনমোহন সিং ডাঙৰীয়াই এবছৰ-দুইবছৰ নহয় দহ বছৰ ভাৰতৰ প্ৰধান মন্ত্ৰী হৈ আছিল। সেই সময়ত তেখেতে আমাৰ অসমৰ বাবে কিমানখিনি কৰিব পাৰিলেহেঁতেন। অসমত বিভিন্ন সম্পদ আছিল, কিন্তু অসমৰ জনসাধাৰণে বিশ্লেষণ কৰিলে দেখিব যে সেই সময়ত ড° মনমোহন সিং ডাঙৰীয়াৰ কংগ্ৰেছ চৰকাৰখনে আমাক ৰামঠগন দিলে। এইকথাবোৰ ক'ব মন নাছিল।..........
Interruption.........কংগ্ৰেছ দলে যেতিয়া কথা কৈ আছিল আমি শাসক পক্ষই এটা কথাও কোৱা নাই। আপোনালোকেও Interrupt নকৰিব। মই Chair লৈ চাই কথা কৈ আছো। মই পঞ্চল্লিশ বছৰ পাৰ কৰিবলৈ লৈছো। মোৰ মাতৃও বিধায়িকা আছিল। তেওঁ ৰাতিপুৱা পাঁচটা বজাত ওলাই গৈ সন্ধিয়া পাঁচটা বজাৰ আগতে আহিছিল। তেওঁ ৰাতি ওলাই নগৈছিল কাৰণ এইখন অসমত ব'ম, গুলী আদি ফুটিছিল। আজি অসম ব'ম, গুলী ফুটা নোহোৱাৰ দিশত গৈ আছো। আজি কাৰ্বি শান্তি চুক্তি, বড়ো শান্তি চুক্তিৰ পিছতেই কোনেও ভৱা নাছিল যে ডিমাচা শান্তি চুক্তি,

আদিবাসী শান্তি চুক্তি, আলফা শান্তি চুক্তি হ'ব । মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত আৰু মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আৰ্শীবাদত এইখিনি সম্ভৱ হৈছে। গুলী ফুটা লাহে লাহে নোহোৱা হৈছে। মই কেইদিনমান আগলৈকে গুলী খাবলগীয়া হৈছিল। কিন্তু বৰ্তমান অসম নাগালেণ্ড সীমান্তত তিনি বছৰেও এটাও ঘটনা নাই। .......... Interruption.........আপোনালোকে কথাবিলাক শুনক, ধৈৰ্য্য ধৰক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈ থাকক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকে Interruption নকৰিলে মই ভাল পাম। মই তেওঁলোকক আপোনাৰ জৰিয়তে মেচেজ দিছো। মই বহুত অভদ্ৰ, মই তেওঁলোকক কথা ক'ব নিদিম। মই ভদ্ৰতাত বহুত ভাল। অভদ্ৰতাত বহুত বেয়া। মই কেতিয়াবা লিখিম যে মই এটা দলত আছিলো আৰু গঁড় হত্যাৰ কাৰণে সেই দলটো নোহোৱা হৈ গ'ল। আজি অসমৰ গৌৰৱ এশিঙীয়া গঁড় এটা সময়ত হত্যা কৰা হৈছিল ,এতিয়া সেইটো নোহোৱা হৈছে। সত্যটো আমি ক'বই লাগিব। বৰ্তমান যেতিয়া যুৱকসকলক লগ পাওঁ তেওঁলোক অতি আনন্দিত দেখা পাওঁ আৰু মোৰ লগত ছেলফি উঠিবলৈ আহে। কাৰণ তেওঁলোকে কয় সৰুৰ পৰা শুনি আছিল আৰু এতিয়া টকা নিদিয়াকৈ বি জে পি নেতৃত্বৰ চৰকাৰখনত চাকৰি পাইছে। এ পি এইছ চি কেলেংকাৰীত টকা দি চাকৰি পোৱা এতিয়া ধৰা পৰিছে। উন্চল্লিশ লাখ-চল্লিশ লাখ মহিলা এতিয়া লাখপতি বাইদেউ হ'বলৈ গৈ আছে। চাহবাগানৰ শ্ৰমিক সকল এতিয়া আনন্দিত হৈ আছে কাৰণ আগতে মজুৰি এশ ছয়ত্ৰিশ টকা আছিল। এতিয়া মজুৰি বৃদ্ধি হৈ দুশ পঞ্চাশ টকা হৈছে। আমাৰ চৰকাৰে তিনিশ পঞ্চাশ টকা কৰিবলৈ গৈ আছে। চাহ শ্ৰমিকৰ কথা বি জে পি নেতৃত্বৰ চৰকাৰখনে চিন্তা কৰি আছে আৰু লাহে লাহে তিনিশ পঞ্চাশ টকা হ'ব। কংগ্ৰেছ দলৰ চৰকাৰে চাহ শ্ৰমিকৰ কথা চিন্তা নকৰিলে। আশা অংগনবাড়ীৰ বাইদেউ সকলে আগতে দৰমহা মাননী পোৱাৰ বাবে ৰেচন কাৰ্ড পোৱা নাছিল। তেওঁলোকে এক লাখ টকাৰ তলৰ উপাৰ্জন কৰাসকলকহে ৰেচন কাৰ্ড দিছিল। মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱে ক'লে যে চাৰি লাখ পৰ্য্যন্ত যাৰ বছৰি উপাৰ্জন তেওঁলোককো ৰেচনকাৰ্ড দিব। আজি তৃতীয়, চতুৰ্থ বৰ্গৰ পেঞ্চন পোৱা কৰ্মচাৰী সকলোকো দিয়া হৈছে। আশাকৰ্মী আৰু অংগনবাড়ী কৰ্মীসকলে চকুপানী টুকি আমাৰ পৰা ৰেচনকাৰ্ড লৈছে। এইয়া মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ চৰকাৰখনৰ আৰ্শীবাদত হৈছে। আগতে আমি আদিবাসী মুছলীমৰ মাজত কাজিয়া, বড়ো মুছলীমৰ মাজত কাজিয়াৰ কথা শুনিছিলো। কিন্তু এতিয়া একতাৰে আমি বাস কৰি আছো। এইবোৰ অসমৰ ৰাইজে দেখা পাই আছে। অসমীয়া ৰাইজে আজি দেখা পাইছে যে মুখ্যমন্ত্ৰীৰ পকীকৰণ আঁচনি, নৱীকৰণ আঁচনি বা নগৰীয়া আঁচনিৰ যোগেদিয়েই হওঁক বা চাহবাগানৰ ভিতৰৰ লাইনৰ ৰাস্তাই হওঁক বা হাইৱেই হওঁক, গোটেই অসমতে অসম মালাৰ দ্বাৰা পথ নিৰ্মাণ হৈছে। আহোম ৰজাৰ দিনৰ ঐতিহাসিক ধোঁদৰ আলীয়ে পঁয়সত্তৰ বছৰ পিছত এতিয়া প্ৰাণ আৰু সন্মান পাইছে। এইখিনি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিভিন্ন ৰেলগেটৰ সন্মুখত ৰেলৱে অভাৰ ব্ৰীজৰ দৰকাৰ আছিল আৰু আজি এইখিনি নিৰ্মাণ কৰি থকা হৈছে। ২০১৪ ৰ আগলৈকে ছয়খন মেডিকেল কলেজ আছিল। এতিয়া লাহে লাহে গৈ ২৩ খন হৈছে আৰু শুনিবলৈ পাইছো যে ২৭ খন হ'বলৈ গৈ আছে, প্ৰত্যেক জিলাতে মেডিকেল কলেজ হ'বলৈ গৈ আছে। ইয়াৰ দ্বাৰা ডাক্তৰৰ সৃষ্টি হ'ব আৰু আমাৰ যি ডাক্তৰৰ অভাৱ আছিল সেইয়াও দূৰ হ'বলৈ গৈ আছে। ইঞ্জিনিয়াৰিং কলেজৰ সংখ্যা বৃদ্ধি হ'বলৈ গৈ আছে। কংগ্ৰেছ দলে সংখ্যালঘুৰ কথা কয়। কিন্তু সংখ্যালঘু অঞ্চলত যি মডেল ৰেছিডেঞ্চিয়েল

স্কুল-কলেজ বনাব লাগে সেইয়া বনোৱা নাছিল। তেওঁলোকে আলী-কুলিৰ কথা কৈছিল। কিন্তু চাহ জনগোষ্ঠীৰ মানুহৰ মজুৰি বঢ়োৱাৰ কথা কেতিয়াওঁ চিন্তা কৰা নাছিল। বৰ্তমান আইন মহাবিদ্যালয় নিৰ্মাণ হৈ আছে আৰু মহিলা বিশ্ববিদ্যালয় নিৰ্মাণ হ'বলৈ গৈ আছে। আৰোহণ আঁচনি নিৰ্মাণ হ'বলৈ গৈ আছে। আৰোহণ আঁচনিৰ দ্বাৰা compitative exam ৰ বাবে আমাৰ ল'ৰা-ছোৱালীক প্ৰস্তুতিৰ কাম চলি আছে। আজি বিভিন্ন ধৰণে অংগনবাদীৰ লোকে আন্দোলন কৰি আছে। যি সকলে আন্দোলন কৰি আছে, কংগ্ৰেছৰ কোনোবাই তেওঁলোকক লৈ অনাৰ দৰে হৈছে। মই এইটো কাৰণেই ক'ব বিচাৰিছো যে অংগনবাদীৰ বাইদেউসকলে ভৰাই নাছিল যে retirement ৰ পিছত কেইটামান টকা পাব। আমাৰ চৰকাৰে, অৱসৰপ্ৰাপ্তিৰ পিছত সহায়িকাসকলকো টকা দি আছে, কৰ্মীসকলকো টকা দি আছে, ৰেচন কাৰ্ডো দি আছে। সৌ সিদিনা দেশৰ প্ৰধান মন্ত্ৰীয়ে তেওঁলোকক আয়ুস্মান কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছে। আজি যদি আমি চাওঁ স্ব-নিৰ্ভৰশীল নাৰী, আত্ম-নিৰ্ভৰশীল অসম, CM শিশুসেৱা আঁচনিয়েই হওঁক, ক'ভিডত যিসকল ঢুকাইছিল, তেওঁলোকক সাহাৰ্য প্ৰদানৰ ব্যৱস্থা গ্ৰহণেই হওঁক, অসম গৌৰৱ অসম ভৈৰৱ, বিভিন্ন পুৰস্কাৰ দি, বিভিন্ন স্তৰত এজন ডাক্তৰ, এজন কৃষক, এগৰাকী ৰোৱনী, এজনী আশা কৰ্মীৰো কৰ্মস্পৃহা বাঢ়িছে যে মই ভাল ধৰণে কাম কৰো, মইও অসম গৌৰৱ, অসম ভৈৰৱ পাম। এনেদৰে আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে কৰ্ম স্পৃহাৰ সৃষ্টি কৰিছে। আজি Project Sadbhavana, Project Kritagyata লৈছে। আজি কোনেও ভৰা নাছিল যে মুখেৰে ক'ব নোৱাৰা জীৱ-জন্তু অৰ্থাৎ গৰু-ছাগলী, হাঁহ-কুকুৰা সকলেও যে এদিন এম্বুলেঞ্চ পাব। দেশৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আশীৰ্বাদ আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ পদক্ষেপত আজি পশু সাৰথি 'Animal Ambulance' আমাৰ চৰকাৰে ৰাইজক প্ৰদান কৰিছে। কোনেও ভৰা নাছিল যে Animal Ambulance অসমৰ ৰাইজে দেখা পাব। এনেদৰে বিভিন্ন নতুন ব্যৱস্থা গ্ৰহণ কৰিছে সেইয়া লাগিলে নাৰ্ছিং কলেজ নতুনকৈ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থাই হওঁক, চুপাৰ-স্পেচিয়েলিটি হস্পিতালেই হওঁক, আয়ুস্মান কাৰ্ডৰ ব্যৱস্থাই হওঁক, আজি বিভিন্ন ধৰণৰ জীৱধৰা আঁচনিৰ যোগেদি যোগা প্ৰশিক্ষণৰ ব্যৱস্থাই হওঁক। আজি যিটো Wage compensation দিছে, চাহ বাগানৰ মহিলা শ্ৰমিকৰ বাবে কোনেও চিন্তা নকৰিলে। চাহ-বাগানত বিশেষকৈ Infant mortality, maternal mortality ৰ কথা, শিশু জন্ম দিওঁতে মাক বা সন্তানৰ মৃত্যু হৈছিল, তেওঁলোকক যে পুষ্টিকৰ আহাৰ খাবলৈ কেতিয়াবা টকা দিব লাগে কোনো এখন চৰকাৰে চিন্তা নকৰিলে। আমাৰ বিজেপি নেতৃত্বৰ চৰকাৰখনে ১২ হাজাৰ টকাকৈ আগতে দিছিল, এতিয়া তেওঁলোকক ১৫ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এইটো যিহেতু সত্য, আমি নিশ্চয়কৈ ক'ব লাগিব। আমি কোনোৱে ভৰা নাই যে ইয়াত মৎস্য উৎপাদনৰ স্থল আছে। কিন্তু, দেশৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শমৰ্মে, এতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মাননীয় মন্ত্ৰীসকলৰ বহু কষ্টত আজি আমি অমৃত সৰোবৰৰ সৃষ্টি কৰিছো। ভৱিষ্যতে আমি মৎস্য উৎপাদনেই হওঁক, জল সংৰক্ষণৰ বাবেই হওঁক আজি এটা নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ ইয়াত হাতৰ কাম জনা বহুত যুৱক-যুৱতী আছে। তেওঁলোকৰ বাবে Skill University এখনৰ প্ৰয়োজন আগতে কোনো চৰকাৰে বিবেচনা নকৰিলে। আমাৰ চৰকাৰে Skill University ইতিমধ্যে প্ৰতিষ্ঠা কৰিছে।

মই এজন খেলৰ ল'ৰা। এতিয়াও ফুটবল খেলি আছো আৰু খেল মহাৰণত মই যোৰহাট জিলাৰ হৈ ফুটবল খেলিব তেজপুৰলৈ আহিম। খেল মহাৰণত ব্যাপক আন্দোলনৰ সৃষ্টি কৰিছে।

দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যেতিয়া খেলো ইণ্ডিয়াৰ পদক্ষেপ লৈছিল, তাৰ পিছতেই আমি দেখা পালো যে ভাৰতবৰ্ষই এছিয়ান গেম্ছত পোন প্ৰথমবাৰৰ বাবে ১০০ টাতকৈ অধিক পদক পাবলৈ সক্ষম হ'ল। খেল মহাৰণৰ যোগেদি অনাগত দিনত অসম শিখৰত যাব পাৰিব সেইটো নিশ্চিত। আজি সাংস্কৃতিক মহাৰণৰ যোগেদি এটা নতুন আন্দোলনৰ সৃষ্টি কৰিছে। বহু যুৱক-যুৱতীৰ অনুষ্ঠানলৈ গৈছো, তেওঁলোক বহুত উৎসাহিত হৈছে, তেওঁলোকে কৈছে যে তেওঁলোকৰ এতিয়া ভাল Singer, Dancer হোৱাৰ লক্ষ্য। লগতে, ভলদৰে পঢ়ি উন্নতিৰ শিখৰলৈ যাব। এনেধৰণৰ এটা পৰিৱেশৰ সৃষ্টি হৈছে। আজি PM Kishan Nidhi ৰ যোগেদি হওঁক, ট্ৰেক্টৰ প্ৰদানৰ যোগেদি হওঁক, ফচল বীমা যোজনাৰ যোগেদি হওঁক কৃষক সকলক যেনেধৰণে উদগণি দিছে, মই নাভাৱো এনেধৰণে আগৰ কোনো চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধান মন্ত্ৰী জীৱন জ্যোতি যোজনাৰ যোগেদি আজি ন্যূনতম ২০ টকাকৈ বছৰেকত দি কাৰোবাৰ যদি দূৰ্ঘটনা হয়, আঘাতপ্ৰাপ্ত হয় বা মৃত্যুবৰণ হয়, লগে লগে ২ লাখ টকাতকৈ অধিক পোৱাৰ যি ব্যৱস্থা তাৰ শলাগ ল'বই লাগিব। দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কথা দিছিল যে অসমখনক আগুৱাই লৈ যাম, A for Assam আৰু সেই অনুসৰি আজি বিভিন্ন Refinery, Numaligarh Refinery ক আগবঢ়াই লৈ যাবৰ বাবে যি পদক্ষেপ লৈছে .....interruptions....

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মোৰ ৪ মিনিট আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** চাৰ, এখেতে interrupt কিয় কৰিছে?

**মাননীয় অধ্যক্ষঃ** আপুনি কৈ থাকক। ভাল কথা ক'লে disturb কৰিবই।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** দেশৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আশীৰ্বাদ আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ পদক্ষেপত অসমত পোনপ্ৰথম বাৰৰ বাবে আমি দেখা পালো যে প্ৰকৃতাৰ্থত কৃষকসকলে সন্মান পাইছে। ৮০০-১,০০০ টকাত ১ কুইণ্টল ধান বিক্ৰী কৰিব লগা হৈছিল। দুবছৰ আগতে ১,৯৪০ টকাকৈ, যোৱা বছৰ ২,০৪০ টকা আৰু এতিয়া প্ৰতি কুইণ্টলত ২,১৮৩ টকা দিয়া আৰু সৰিয়হ তেলৰ ক্ষেত্ৰত প্ৰতি কুইণ্টলত ৫,৪৫০ টকা দিয়াৰ যি উদগণি দিছে তাৰ শলাগ ল'বই লাগিব। কৃষি বিজ্ঞান কেন্দ্ৰৰ যোগেদি নতুন আন্দোলনৰ ......interruptions..

**মাননীয় অধ্যক্ষঃ** আৰু কেই মিনিট ল'ব?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** চাৰ ক'বলৈ বহুত আছে। চাৰি মিনিট কৈ ২ বজাৰ ভিতৰত শেষ কৰিম।

**মাননীয় অধ্যক্ষঃ** আৰু ২ মিনিট কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আজি জল জীৱন মিছনৰ অধীনত ঘৰে ঘৰে নল, ঘৰে ঘৰে পানী ....interruptions..ইমান জ্বলিব নালাগে। কংগ্ৰেছ দল বা বেলেগ দলে ইমান জ্বলিব নালাগে ....interruptions...

**মাননীয় অধ্যক্ষঃ** নিজৰ কথাখিনি কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আৰু ২০ বছৰমান আপোনালোকে এইপিনেই থাকিব লাগিব। উপায় নাই। এই 'ঘৰে ঘৰে নল, ঘৰে ঘৰে পানী' ৰ অধীনত পানীৰ ব্যৱস্থাৰ ৯০%-১০০% কাম প্ৰত্যেক ঠাইত হৈ গ'ল। গতিকে, ঘৰে ঘৰে নল, ঘৰে ঘৰে পানী পালে ক'ত আপোনালোকক ভোট দিব? ইমান জ্বলিব নালাগে। মিছন ইন্দ্ৰধনুষৰ দৰে ব্যৱস্থা .....interruptions... অসম চুক্তিত আপোনালোকে বহুত সুযোগ পালে ..interruptions... অসম চুক্তিৰ ক্ষেত্ৰত আমাৰ

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিদৰে ন্যাস পুঁজি খুলি, অসম আন্দোলনৰ শ্বহীদ পৰিয়ালক সন্মান জনোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে .......interruptions..

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আৰু ক'ব নালাগে। বহুত speaker আছে।

আমাৰ যিহেতু সময় ৭ ঘণ্টা আছিল, সদায় ২ বজালৈকে সদন বহিলে সময়খিনি নোজোৰে। এনে কৰিলে অহাকালি আকৌ পলম হৈ যাব। সেইকাৰণে আজি আৰু আধা ঘণ্টা আমি extend কৰিছো। আমাৰ বহুতো speaker আছে আৰু এটা motion ও আছো । এতিয়া হাফিজ ৰফিকুল ইছলাম।

এক মিনিট ৰ'ব।

সন্মানীয় সদস্য সকল, এটা আমাৰ গুৰুত্বপূৰ্ণ বিষয় আছিল। আমাৰ মন্ত্ৰী ডাঙৰীয়াই এটা বিশেষ চৰকাৰী কাৰ্য্যসূচীত যাব লাগে বুলি কৈছে। গতিকে, আজিৰ শেষৰ কাৰ্য্যসূচী, যিটো সংকল্প প্ৰস্তাৱ আছিল, সেইটো এতিয়াই কৰি লওঁ। ....interruptions...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** চাৰ, সদনত মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই মোবাইলত কথা পাতি আছে।

**মাননীয় অধ্যক্ষঃ** কিয় এইবিলাক চাই থাকে?

এতিয়া কাৰ্য্যসূচী নং ১১ ত চৰকাৰী সংকল্প প্ৰস্তাৱ আছে। মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে চৰকাৰী সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিবলৈ বিচাৰিছো। সংকল্প প্ৰস্তাৱটো হ'ল- "Whereas the Parliament had enacted the Water Prevention and Control of Pollution Act, 1974 (No. 6 of 1974), providing for prevention and control of water pollution and
maintaining or restoration of the wholesomelessness of water for establishment with a view to carry out the purpose aforesaid of Boards for the prevention and control of water pollution for conferring on and assigning to such boards power, function relating thereto and for the matter connected therewith.And whereas certain short comings in the operation of the law have been noticed which required amendments to the Water Preventioning and Control of Pollution Act,1974. And wheras the subject matter of such a law is provided under the list 2 of the State list of the 7th schedule of the Constution of India and the Parliament has no power to make such laws for the States with respect to the aforesaid matter except as provided in the Article 249 and 250 of the Constitution of india and wheres it appears to the Legislative Assembly to be disireble at the aforesaid amendments in the law should be made in the State of Assam by Parliament by amending the law. Now, therefore, in exercise of the power conferred by Clause 2 of the Article 252 of the Constitution of the India,

this house hereby resolve that the Water Prevention and Control of Pollution Amendment Bill,2023 may be introduced in the Parliament and amended provisions made by the Parliament by such law be applicable in the State of Assam. মাননীয় অধ্যক্ষ মহোদয়, Water Prevention and Control of Pollution Amendment Bill,2023 এই আইনখনত ভাৰত চৰকাৰে কিছুমান amendment আনিব। তাৰকাৰণে ইতিমধ্যে ভাৰতবৰ্ষৰ যিমান ৰাজ্য আছিল সকলোৰে পৰা opinion লৈছে। এতিয়া তেওঁলোকে finally আইনখন যুগুত কৰিছে আৰু ইয়াৰ ওপৰত কেইটামান বিশেষ amendment আনিছে আৰু সেই amendment কেইটাৰ কথা হ'ল যে আমাৰ যিখন Water Pollution Act,1974 আছিল তাৰ section -26 টো যদি violate কৰে, তেতিয়াহ'লে তেখেতক imprisonment দিয়াৰ ব্যৱস্থা আছিল বা জেললৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা আছিল। গতিকে এতিয়া এই গোটেই system টোত যদি section-33 (a) ত কৰে, তেতিয়াহ'লে তেখেতক decrimanalise কৰা হৈছে আৰু যিকোনো উদ্যোগক অকল ফাইনহে কৰিব পাৰিব, জেললৈ প্ৰেৰণ কৰিব নোৱাৰে। গতিকে এই ফাইনটোৰ কাৰণে ভাৰত চৰকাৰে Water Remediation Fund কৰিছে আৰু এই ফাণ্ডটোত তাৰ পইচাখিনি জমা হ'ব। টকাখিনি জমা হোৱাৰ পাছত যিটো উদ্যোগে যি অঞ্চল pollute কৰিছে বা তাৰ মানুহ যদি affected হৈছে, এই ফাণ্ডখিনি তেতিয়া remedy ৰ কাৰণে ব্যৱহাৰ কৰিব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছে, section-45 ৰ যোগেদি adjudicating officer এজন appointment কৰিব দিব। এতিয়া আমাৰ যিটো Water Pollution Control Board আছে তেখেতসকলে যিটো আৰোপ লগায় সেইটো তেখেতসকলে নিজেই বিচাৰ কৰে। এতিয়া ভাৰত চৰকাৰে কৈছে যে সেইটো নহয়, এটা indipendent body, minimum Govt. of Assam ৰ Secretary level ৰ বিষয়াক adjudicating officer হিচাপে নিযুক্তি দিয়াৰ provision আইনখনত আনিছে।

চতুৰ্থতে, Section-45 ৰ মতে যদি adjudicating officer জনৰ judgement টো যদি কোনো উদ্যোগৰ satisfactory নহয়, তেনেহ'লে তেওঁ high stipulate court হিচাপে NGT লৈকে যাব পাৰিব। সেইকাৰণে section-38(a) ত আছে যে যদি কোনোবাই এনেকুৱা rule violate কৰে তেনেহ'লে তেওঁক close out notice দিব পাৰে, disconnection of business service কৰিব পাৰে। গতিকে, এই আইনখনৰ মূল উদেশ্য হৈছে, গোটেই দেশখনত এটা uniform law হ'ব লাগে। আমাৰ ইয়াত Pollution Control Board য়ে যি নিয়ম ব্যৱহাৰ কৰে, সেইখিনি হয়তো দেশৰ আন ৰাজ্যত নহ'বও পাৰে। এই আইনখনৰ amendment ৰ মূল উদেশ্য হৈছে যে MSME sector টো relief দিব লাগে আৰু তেওঁলোকৰ যাতে industrial growth হয়, তাৰকাৰণে এই ব্যৱস্থা লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ এই যিখন আইন আছে তাত কেন্দ্ৰীয় চৰকাৰে amendment কৰিব আৰু ইয়াত article-252 মতে অতি কমেও দুখন ৰাজ্যই তাৰবাবে consent দিব লাগে। আমি এই কথাটো নাজানো যে অসমৰ আগতে

কোনখন ৰাজ্যই consent দিছে। কেন্দ্ৰীয় চৰকাৰে এই Pollution Control Act,1974 টোত যিখিনি amendment আনিব বিচাৰিছে সেইটো মই ভালদৰে পঢ়ি চালো। বাকীখিনি ঠিকেই আছে কিন্তু Water Pollution Remediation Fund add কৰিব বিচাৰিছে, সেইটো ভাল কথা। ইয়াত বাকী মই দেখিছো যে বেছিভাগ amendment তে কোনটো rule violate কৰিলে কিমান টকা ফাইন ভৰিব আৰু কিমান imprisonment হ'ব সেইটো আছে। তাত আমাৰ ক'বলগা একো নাই। সেইটো কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ নিজৰ মতেই impose কৰিব। কিন্তু এটা কথাত আমাৰ অলপ আপত্তি আছে যে amendment of section -4, তাত দিয়া হৈছে যে in section -4 of the Water Prevention and Control of Pollution Act,1974, herein after referred to as the Principal Act. in sub section -2 in Clause (a) after the word State Government, the word in such manner as may be prescribed by the Central Government shall be inserted.ইয়াত আমাৰ অলপমান আপত্তি আছে। কাৰণটো এইটোৱে যে ৰাজ্যচৰকাৰে যেতিয়া আমাৰ ৰাজ্যত Water Pollution আৰু control ৰ কাৰণে যিখিনি বিধি বিধান থাকে সেইখিনি কোনোবাই উলংঘা কৰিলে তাৰ যিটো ফাইন হ'ব তাত ৰাজ্যচৰকাৰৰ কিছু স্বতন্ত্ৰতা থাকিব লাগে। কিন্তু Section-4 ৰ amendment ৰ জৰিয়তে এই power টো ৰাজ্যচৰকাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ লৈ যোৱা হৈছে। ৰাজ্য চৰকাৰে যিখিনি penalty পাবলগা আছিল আমি ভাৱো সেইটো আমাৰ ৰাজ্যখনৰ কাৰণে revenue loss হ'ব। গতিকে আমি যদি আজিৰ motion টো pass কৰো পবিত্ৰ সদনৰ পৰা আমি এই condition টো দিব পাৰো যে বাকীখিনি amendment Central Government য়ে pass কৰক। কিন্তু amendment of section-4 টোত যাতে আমাৰ ৰাজ্যচৰকাৰে penalty আৰু fine ৰ টকাটো যাতে ল'ব পৰাৰ ব্যৱস্থা থাকে। এই কথাটো জনাই আমাৰ সদনে এই motion টো pass কৰিলে আমাৰ কোনো আপত্তি নাই।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই Act.খনৰ ক্ষেত্ৰত আমিনুল ইছলাম ডাঙৰীয়াই যিটো আনিছে যে আমাৰ State share টো যাতে থাকে সেইটোত মই একমত। আন এটা কথাত মোৰ আপত্তি আছে এই আইনখনৰ amendment ত। Decriminalize কৰাৰ ক্ষেত্ৰত মোৰ আপত্তি আছে। কাৰণ আগতেও মই দেখিছো যে চেন্টাৰতে হওক বা State তে হওক বিভিন্ন এনেকুৱা labour dispute বিলাকত তেওঁলোকে এতিয়া decriminalize কৰিলে imprisonment ৰ ব্যৱস্থাটো নাথাকিব। যাৰফলত ফাইটো দি বাৰে বাৰে তেখেতসকলে একেটা ভুলকে কৰিব। সেইকাৰণে মোৰ decriminalization ত মোৰ বিৰোধীতা আছে, মই সেইটো উত্থাপন কৰিলো। এই ব্যৱস্থাটো আগৰ দৰে থাকিব লাগে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মইও সেই একেটা কথাই ক'ব বিচাৰিছো। Decriminalization ৰ যিটো section আনিছে মই ভাৱো সেইটো হ'ব নালগে। ফাইন বঢ়োৱাটো ঠিকেই আছে। আমাৰ ৰাজহ বাঢ়িব। কিন্তু decriminalize হৈ গ'লে কোম্পানীবিলাকে আমাৰ ইয়াত যিকোনো ধৰণৰ এনেকুৱা violate কৰিব আৰু মাত্ৰ কেইটামান টকা দিয়ে তেওঁলোক বাচি যাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যে আমাৰ কেইবাজনো মাননীয় সদস্যই আজি ৰাজ্যপালৰ মহোদয়ৰ ভাষণৰ ওপৰত কথাখিনি কৈছে। যে ভাৰত চৰকাৰৰ MSCP sector

ৰ কামখিনি মত দিছে, কাৰণ কিয় MSCP sector ত আজি highest Employer হিচাপে আছে দেশৰ ভিতৰত। গতিকে তেনেকুৱা এটা ক্ষেত্ৰত আজি কি হয় যে Pollution Control Board ৰ পৰা তেওঁলোকৰ ওপৰত যি ব্যৱস্থা লোৱা হয়, গতিকে তেতিয়া কি হয় আমাৰ ইয়াত যি কোনো এটা violation ত এজন মানুহক জেললৈ প্ৰেৰণ কৰা হয় তেতিয়া হ'লে Industrial sector টো demoralize হয়। দ্বিতীয়তে, আজি কালি যিহেতু FDI (Foreign Direct Investment) ইয়াত আহিছে গতিকে কালি যদি তেনেকুৱা এটা FDI কোম্পানীৰ ওপৰত যদি তেনেকুৱা penalty মাৰে বা জেল বা অন্যান্য তেনেকুৱা ধৰণে ব্যৱস্থা কৰে, তেতিয়াহ'লে এইটোৱে মানুহক discourage কৰিব for investment in Assam, investor বিলাক actually এইটোৱে উৎসাহ নজগাব, তেওঁলোক depress হ'ব। গতিকে মই ভাৱো যে decriminalization যিটো কৰা আজিৰ যিখন বৰ্তমানৰ সমাজ ব্যৱস্থা এই সমাজ ব্যৱস্থাত আমি decriminalization বিষয়টোত আমি আচলতে আপত্তি কৰিব নালাগে। আপত্তি কৰিব নালাগে এই কাৰণে যে মানুহ বিলাক জেলত যোৱাৰ পৰিবৰ্তে তেওঁলোকে ফাইন দিব, তেওঁলোকে remedy ল'ব। আমাৰ কথা হৈছে যে সমাজত যিটো pollution হ'ব সেই pollutionটো যাতে নহয় বা সেই pollutionটো যদি হয় তেতিয়াহলে তেওঁলোকৰ fundৰে সেই pollution নিয়ন্ত্ৰণ কৰাৰ যিটো ব্যৱস্থা, এই ব্যৱস্থাৰ এই fundটো কৰা হৈছে। দ্বিতীয়তে, আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে যে কেন্দ্ৰৰ ঠাইত এইটো ৰাজ্যৰ যিটো কথা কোৱা হৈছে, সেইটো হ'ল কি যে আচলতে ইয়াতে spirit মই পঢ়ি দিছো তেতিয়া জানিব পাৰিব The proposed Amendment will empower the Central Government to prescribe uniform terms and conditions and process to be followed for nomination of the Chairman of the state Board. গতিকে আমাৰ আজিৰ দিনটোত আমাক সেইখিনি empower কৰিছে, state boardত এতিয়া অৰূপ মিশ্ৰ ডাঙৰীয়া chairman হিচাপে আছে আৰু secretary দত্ত বুলি এজন আছে, গতিকে stateৰ সেই powerখিনি থাকিব। গতিকে এইটো এটা uniform ৰ দৰে policy যিখন দেশ খনত হয়, সেইটোৰ কাৰণে এই Central শব্দটো তাত লগোৱা হৈছে। সেইটো আমাৰ state powerটো এনেও নিদিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ।

**শ্ৰীআমিনুল ইছলাম (জেষ্ঠ) ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই এটা কথা কম এই আইন খন mainly গংগা নদী আৰু যমুনা নদীৰ। গংগা নদীৰ যিটো প্ৰদূষণ সেইটো ভাৰতত চৰ্চিত। কাৰণ তাৰ পাৰত বহুত metro city আছে। আমাৰ ব্ৰহ্মপুত্ৰ নদী বা অসমৰ নদী বিলাক সেই তেনেকুৱা নাই, spirit টো Central আইন বনাই তেওঁলোকে প্ৰধানকৈ উত্তৰ ভাৰত আৰু মধ্য ভাৰতত কেন্দ্ৰ কৰি। গতিকে অসমত যিহেতুকে ব্ৰহ্মপুত্ৰ নদী বা তেনেকুৱা offence ইয়াত যিখিনি উল্লেখ কৰা হৈছে, আমাৰ ব্ৰহ্মপুত্ৰ নদীত কিন্তু তেনেকুৱা pollution নহয়, guwahati city ত আছে, tezpur আছে, ইমান pollution নদীত নপৰে, আমি সেইটো আশা কৰো। গতিকে এই ক্ষেত্ৰত আমাৰ কথাটো হ'ল Central আইন এখন মানি ল'ম কিন্তু এই যিটো Section IV ৰ amendmentত তাত কৈছে, এটা মাত্ৰ বাক্য 'In such manner as may be prescribed by the Central Government' আগত state government শব্দটো য'ত আছিল তাত এতিয়া 'In such manner as may be prescribed by the Cen-

tral Government' গতিকে central governmentয়ে যদি prescribe কৰে কেনেকৈ হ'ব আগত আছিল state government. এই কথাটো আমি ভাৱো যে, আমি Motionটো pass কৰি দিও কিন্তু এই কথাটো আমাৰ ৰাজ্য চৰকাৰে কেন্দ্ৰক লিখি দিয়ক যে অসমৰ কাৰণে ৰাজ্য চৰকাৰৰ ঠাইত state government শব্দটো থকাটো বিচাৰিছো। বাকীখিনি central য়ে বিবেচনা কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই আগতে ক'লো আপুনি যিটো কথা কৈছে যে After the word State government , the word in such manner as may be prescribe by the Central government. আপুনি সেইটোত লাগি আছে। এতিয়া কথাটো হ'ল কি এইটো কথা মই আপোনাক আগতে ক'লো যে গোটেই ৰাজ্য বিলাকত যাতে uniform policy হয়, তাৰ কাৰণে Central শব্দটো ইয়াত আহিছে। আমি অসমতো আজিৰ দিনটোত বেংগলক ৰিকুৱেষ্ট কৰিব নোৱাৰে যে আমাৰ Pollution Boardৰ মন্ত্ৰী ডাঙৰীয়াই বেংগলৰ উদ্যোগৰ ওপৰত impose কৰিছে সেইটোতো নহ'ব। গতিকে uniform policy এটা যাতে গোটেই ভাৰতবৰ্ষত হয় so that সেই policyটো every state is mandatory to comply with the policy. গতিকে তাৰ কাৰণে আচলতে এইটো অনা হৈছে। গতিকে সেই কাৰণে যদি ইয়াত অসম চৰকাৰৰ কোনো power কৰ্তন কৰা হোৱা নাই, সকলোখিনি একেই আছে। গতিকে মই ভাৱো এই uniformityৰ ক্ষেত্ৰত এই বস্তুখিনি অনা হৈছে। আৰু MSPC sectorটো বেছি যাতে আগবাঢ়ে সেইবাবে এইটো কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, হ'ব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ অধ্যক্ষ মহোদয়, decriminalize ৰ বিৰুদ্ধে decriminalize কৰা যিটো চিচ্‌টেম এই চিচ্‌টেমৰ মই বিৰোধীতা কৰিছো। এই খন আইনত অন্য কথা নাই মই decriminalize ৰ মই বিৰোধীতা কৰিছো। কাৰণ কিয় decriminalize কৰিলে এটা উৎসাহ পাব বুলি কৈছে উদ্যোগপতি সকলে, কিন্তু উৎসাহ দিয়াৰ কাৰণে কেইটামান টকা ফাইন কৰি দিয়াৰ পিছত বাৰে বাৰে সেইটো ঘটাই থাকিব, কাৰণ পইচাৰ তেওঁলোকৰ অভাৱ নাই। আৰু গোটেই আমাৰ পলুচন কন্ট্ৰোল এটা প্ৰশাসনত পৰিণত হ'ব। জনসাধাৰণৰ জীৱন-জীৱিকা, জনসাধাৰণৰ স্বাস্থ্য সকলো ক্ষতিগ্ৰস্ত হ'ব। সেই কাৰণে criminalize থাকক, decriminalize কৰিব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, হ'ব হ'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমি মাননীয় সদস্য সকলে এটা কথা বুজা উচিত যে আজিৰ দিনটোত আমাৰ Global economic বা industrial sector টোত আমাৰ ease of doing business ত আটাইতকৈ important কথা। গতিকে সকলোখিনি ease কৰাৰ কাৰণে এই criminalize ৰ যিবিলাক clause আছে কেৱল এইখন আইনতে নহয় বিভিন্ন আইনত এই decriminalize ব্যৱস্থাটো আনিছে। গতিকে ease of doing business পাত্নাৰক সমৰ্থন কৰিব লাগিব। আজিৰ দিনটোত ease of doing business ক যদি সমৰ্থন নকৰে, তেতিয়াহ'লে দেশত অৰ্থনৈতিক বিকাশ নহ'ব। গতিকে অধ্যক্ষ ডাঙৰীয়া তেখেতৰ কথাটো recordত থাকক।

**মাননীয় অধ্যক্ষ** ঃ যি কৈছে সব recordত থাকিব, thank you. মই এতিয়া সংকল্প প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। সংকল্প প্ৰস্তাৱটো হ'ল Whereas the Parliament had enacted

the Water ( Prevention and Control of Pollution) Act, 1974 No.6 of 1974 providing for prevention and control Board of Water pollution and maintaining or restoring of wholesomeness of water for the establishment with a view to carrying out the purpose aforesaid of Board for the Prevention and Control of Water Pollution for conferring on and assigning to such Board power and function relating thereto and for matters connected therewith and whereas certain shortcomings in the operation of the law have been noticed which require amendments to the Water (Prevention and Control Pollution) Act, 1974 No.6 of 1974. And whereas the subject matter of such law is provided under list-2 (state list) list of the seventh schedule of the Constitution of India and Parliament has no power to make laws for the state with a respect to the aforesaid matter except as provided in artcle 249/250 of the Constitution of India and the rest it appears to thie Legislative Assembly to be desirable that the aforesaid amendments in the law should be made in the State of Assam by Parliament by amending the law.

Now, therefore, in exercise of the powers conferred by Clause-2 of Artcle 252 of the Constitution of India, this House thereby resolve that the Water Prevention and Control of Pollution Amendment Bill, 2023 may be introduced in the Parliament and amended provision made by the Parliament by such law be applicable in the State of Assam.

প্ৰশ্নটো হ'ল যি সকল প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

সংকল্প প্ৰস্তাৱটো সৰ্বসন্মত ভাৱে গ্ৰহণ কৰা হ'ল। মই নিৰ্দেশ দিও যে সংকল্প প্ৰস্তাৱ আৰু ইয়াৰ লগত সংলগ্ন নথি আৰু কাৰ্য্যবিৱৰণী সমূহ ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰাৰ উদ্দেশ্য অসম চৰকাৰক দাখিল কৰা হওক। এতিয়া শ্ৰীৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুষাৰ কোৱাৰ কাৰণে ঠিয় হৈছোঁ। মহোদয় ৰাজ্যপাল মহোদয়ৰ ভাষণত শিক্ষাৰ ওপৰত বিশেষভাবে Higher Education ৰ ক্ষেত্ৰত অসমে বহুত কৰিছে, এই কথাখিনি উল্লেখ কৰিছে। কিন্তু আমি যদি লক্ষ্য কৰো আমাৰ যিটো foundation , foundation যদি ঠিক নহয় ওপৰত কেতিয়াও ঠিক নহয় তাৰ কাৰণে আমি যিমান দাবী নকৰো কিয় । যিটো দাতা ওলাইছে, Higher Education ৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ভিতৰত আমি বহুত বেয়া পজিশ্যনত আছো। কিয়নো আমাৰ foundationঠিক নহয়। প্ৰাইমাৰি স্কুলত ৫ টা ক্লাছ থাকে। ক্লাছ ১,২,৩,৪,৫। ক্লাছ ১ ৰো দুটা ভাগ থাকে। ৬ ক্লাছ বা ৫ টা ক্লাছ যদি আমি লওঁ, ছাত্ৰ-

ছাত্ৰী যদি ৮৫ বা ৮৯ থাকে, মাত্ৰ ২জনহে শিক্ষক থাকে। যেতিয়া ৮৫ বা ৮৯ ছাত্ৰ-ছাত্ৰী থকা প্ৰাইমাৰি স্কুল, শিক্ষক দুজন, এজনৰ চাউল দালিৰ হিচাপ কৰোতেই যাই আৰু এজন শিক্ষক আপুনি হিচাপত ধৰিব পাৰে। ক্লাছ হ'ল ৫ টা বা ৬ টা এটা ক্লাছত যদি এজন শিক্ষক যাই বা দুজন থাকিলে দুটা ক্লাছত যাব বাকী গোটেইখিনি ল'ৰাছোৱালীক কোনে পঢ়াই বা কোনে চাই? মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ যেতিয়া গুণোৎসৱৰ কাৰ্য্যসূচী চলি আছিল মই কেইবাখনো বিদ্যালয়ত গলো, চকু কপালত উঠা ঘটণা হয়তু মাননীয় বাকী সদস্য সকলো গৈছে, যে একেখন বিদ্যালয়ৰ এটা ক্লাছ ৰুমত সোঁফালে আছে ক্লাছ ২ ৰ ছাত্ৰ- ছাত্ৰী আৰু বাওঁফালে আছে ক্লাথ ৩ ৰ ছাত্ৰ-ছাত্ৰী। কিন্তু ক্লাছৰুম এটা। শিক্ষকে ক্লাছ ২ পঢ়াই আছে আৰু ৩ৰ খিনি এনেয়ে বহি আছে। কিয় এনেকুৱা তেতিয়া কলে যে শিক্ষক নাই। এই ছাত্ৰ-ছাত্ৰীখিনিক চকুৰ আগত ৰাখিছো যাতে এই সময়খিনিত সিহঁতে খেলাধুলা নকৰে বা উৎভণ্ডালি নকৰে, স্কুলৰ পৰিবেশ বেয়া নহয় তাৰ কাৰণে আমি এনেকুৱা কৰিছো। ক্লাছ ১ আৰু ২ এটা ক্লাছ ৰুমত সোঁ ফালে ২ আৰু বাওঁফালে ১। তেনেকৈ সোঁ ফালে ৩ বাওঁফালে ৪। তেনেকুৱা একোটা একোটা ক্লাছৰুমত দুই তিনিটা ক্লাছৰ ছাত্ৰ-ছাত্ৰীক বহাই এইটো গোটেই অসমৰ বাস্তৱ ছবি মাননীয় অধ্যক্ষ মহোদয়। গতিকে এই বিষয়ে যদি চৰকাৰ নিশ্চিতভাবে অৱগত আৰু তেখেত সকলে যদি এই কথা বতৰাবিলাক গুৰুত্ব নিদিয়ে, আজি কেৰেলাত ৫ টা ক্লাছৰ কাৰণে ৫ জন শিক্ষক বাধ্যতামুলক। তাত যদি প্ৰাইমাৰি স্কুলত ৫০ জন ছাত্ৰ-ছাত্ৰী আছে ৫ জন শিক্ষক থাকিবই লাগিব। কাৰণ যেতিয় ক্লাছ আৰম্ভ হ'ব ১,২,৩,৪,৫ । ৫ টা ক্লাছত ৫ জন শিক্ষক যাব লাগিব। গতিকে আমিও যদি তেনেকুৱা এটা পদ্ধতি নবনাও আৰু যদি নিম্নতম ৫ জন শিক্ষক নিদিও কেতিয়াও এই আমাৰ Education system টো ঠিক নহয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত এনেকুৱা পলিচি থাকিব লাগে। এনেকুৱা নহয় যে চৰকাৰে কি কৰিছে, ক'ত বিল্ডিং দিছে ক'ত ইউনিভাৰচিটি ঘোষণা কৰিছে এইবিলাক বাজেট ভাষণত আহিব। পলিচিবিলাক থকা দৰকাৰ যে Education policy এতিয়া New Education policy সকলোৰে আগত অসমে লৈছে। বাঃ বাঃ লোৱাৰ কাৰণে নে সঁচাকে ইমপ্লিমেন্ট কৰাৰ কাৰণে। যদি সঁচাকৈ ইমপ্লিমেন্ট কৰাৰ কাৰণে তেতিয়াহ'লে সেইটো ঠিকে আছে। যদি নহয় ভাৰতৰ ভিতৰত সকলোতকৈ আমি আগত আমি এইটো গ্ৰহণ কৰিলো, নাম লিখাম ১ নংত। আমাৰ লোকচান হ'ব। আজি regional language বিলাকত প্ৰাইমাৰি স্কুলত শিক্ষা দিয়া হ'ব এইটো New Education policy ত আছে। আমাৰ বহু অঞ্চল আছে য'ত গাৰো, বড়ো, ৰাভা, অসমীয়া আমাৰ অঞ্চ ল বিলাকতো আছে আপোনালোকৰ অঞ্চল বিলাকটো আছে অধ্যক্ষ ডাঙৰীয়া। ৪,৫ টা language ৰ ছাত্ৰ-ছাত্ৰী স্কুলত আছে। শিক্ষক হ'ল এজন বা দুজন তাতে গাৰো কিতাপ যেতিয়া আপুনি আৰম্ভনি কৰিব বড়ো কৰিব অসমীয়া মাধ্যমো আছেই। তেতিয়া শিক্ষক ক'ত আপোনাৰ মোৰ হাতত? আমি এডপ কৰিলো কিন্তু আমি যদি শিক্ষক নিদিও, আমি যদি শিক্ষক নিযুক্তি নিদিও, স্কুল বিলাকত কি অৱস্থা হ'ব আৰু প্ৰাইমাৰি স্কুলত যেতিয়া শিক্ষক নাথাকিব এজন ঠেলাৱালা ৰিক্সাৱালা অভিভাৱকেও শিক্ষক নথকা স্কুলত নিদিয়ে। তেখেত সকলে পেটত গামোচা বান্ধি হলেও ৫, ৬ হাজাৰ টকা দি প্ৰাইভেট স্কুলত পঠাই, কষ্ট হয় কিন্তু তেখেতে বুপজি পায যে বিধায়ক সকল মন্ত্ৰী সকল ডাঙৰ ডাঙৰ কথা কোৱা সেই নেতা স কল যি সকলে অসমীয়া মেডিয়ামৰ ওকালতি কৰে, ভাল কথা আমি কৰো। কিন্তু তেখেত সকলৰ ল'ৰা ছোৱালী ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ে। তেতিয়া সেই গৰীৱ ঠেলাৱালা আৰু ৰিক্সাৱালাইও তেতিয়া ভাবে

যে মোৰ ল'ৰাক কষ্ট হলেও ভাল বিদ্যালয়ত পঢ়াম। গতিকে New Education policy এডপ কৰাৰ লগে লগে সকলো ভাষা ইন্টডিউজ কৰাৰ লগে লগে যাতে শিক্ষক নিযুক্তি দিয়া হয়। এনেয়েযাতে এৰি দিয়া নহয় ল'ৰা ছোৱালীৰ জীৱন যাতে বৰবাত কৰাৰ পৰিকল্পনা কৰা নহয় চৰকাৰে এই বিষয়ে তেওঁলোকৰ পলিচি ঠিৰাং কৰিব লাগে। অধ্যক্ষ মহোদয়, হাউস্কুল পাছ কৰাৰ পিছত একাদশ, দ্বাদশ যোৱা বছৰ মন্ত্ৰী মহোদয়ে ১২৬ টা সমষ্টিতে কিছুমান সমষ্টিত এখন আৰু কিছুমান সমষ্টিত দুখন হায়াৰ ছেকেণ্ডাৰীৰ কথা কলে, কোন হায়াৰ ছেকেণ্ডাৰীৰ কথা কলে, য'ত পিজি টিচাৰ আছে। পিজি টিচাৰ আছে, হাই স্কুলত চাকৰি পাইছে, কোনোমতে পৰীক্ষা দি বেচেৰাই এম এ ডিগ্ৰীটো লৈছে, দৰমহাও পোৱা নাই। এতিয়া এখন দুখন কৰি যি হায়াৰ ছেকেণ্ডাৰীস্কুল দিলে, তাতে ইতিমধ্যে যিসকল পি জি টিচাৰ আছে, তাৰে কিছুমানে অপেন স্কুলৰ পৰা ডিগ্ৰী লৈছে। কোনোমতে লৈছে স্কুলত শিক্ষকতাও কৰি আছে, এই সকল হয়তু পি জি ৰ ইমান ভাল শিক্ষক নহয়। এই সকলে পঢ়ালে বিদ্যালয় সমূহত কিয় ল'ৰা ছোৱালী দিব? নিদিয়ে সেয়েহে সকলোৱে প্ৰাইভেটত দিয়ে। মাননীয় অধ্যক্ষ মহোদয়, যিমান প্ৰাইভেট জুনিয়ৰ কলেজ আছে, সেইখিনি যদি বন্ধ কৰি দিয়ে, লাখ লাখ ছাত্ৰ-ছাত্ৰীক ক'ত পঢ়াব? চৰকাৰৰ সেই ব্যৱস্থাটো কিয় নাই, আমাৰ সেই ব্যৱস্থা থাকিব লাগিব। নথকাৰ কাৰণে বাধ্য হৈ প্ৰাইভেটত সেই সকল গৈ আছে। চৰকাৰৰ যদি ভাল ব্যৱস্থা থাকে আজি দিল্লীয়ে যদি পাৰে আমাৰ অসমে কিয় নোৱাৰিম? নিশ্চিভাবে আমি পাৰিম। তাৰ কাৰণে পলিচি মেকিং হ'ব লাগিব কেৱল নামত বিদ্যালয় দিলে ন'হব। তাতে পি জি টিচাৰ নিযুক্তি দিয়ক, নেট শ্লেট পোৱা টিচাৰ আমাৰ বহুত আছে অসমত। সেই সকলক নিযুক্তি দি একাদশ, দ্বাদশ কলা বিজ্ঞান, বানিজ্য এই তিনিটা শাখাৰ শিক্ষা যাতে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতে Higher Education ৰ কথা কৈছে। ভাৰতবৰ্ষৰ ভিতৰত সকলোতকৈ বেয়া আমাৰ পজিশ্যন। আজি ইউনিভাৰচিটি আমাৰ ঘোষণা হৈ আছে, faculty জানো তাতে আছে, নতুন নতুন বিভাগ জানো আমি ইন্ট্ৰডিউজ কৰিব পাৰিছো নাই পৰা। এইবোৰ কৰিব লাগিব আমি কেৱল ঘোষনা কৰি আমি world bank ৰ পইচাখিনি লোণ লৈ ডাঙৰ ডাঙৰ বিল্ডিং বনাই থৈ দিলে সেইটোক আমি ভাল Education system বুলি ক'ব নোৱাৰো। হয় আন্তঃ গাঠনি উন্নয়ন কৰাটো one of the part of Education. কিন্তু সেইখিনি Education নহয়। ভাল শিক্ষক দিব লাগিব ল'ৰা-ছোৱালীক সুবিধা দিব লাগিব। মাননীয় অদ্যক্ষ মহোদয় ইউনিভাৰচিটিৰ ক্ষেত্ৰত মই এটা কথা কৈ যাওঁ, এইবাৰ ৰাজ্যপালৰ ভাষনটো আছে আৰু বাজেট ভাষনটো নিশ্চয় আহিব। যোৱাবাৰো ঘোষনা কৰিলে এইবাৰো ঘোষনা হ'ব কিন্তু বৰপেটা জিলা, ইমান ডাঙৰ জিলা, ৫০ লাখতকৈ বেছি জনসংখ্যা, ওচৰতে গোৱালপাৰা জিলা লাগি আছে, ওচৰতে দক্ষিণ শালমাৰা জিলা, তাৰ কাষতে ধুবুৰী জিলা, বৰপেটাৰ পৰা আৰম্ভ কৰি গোৱালপাৰা দক্ষিণ শালমাৰা ধুবুৰীলৈকে এখনো বিশ্ববিদ্যালয় নাই। এই অঞ্চলৰ জনগন, ব্ৰহ্মপুত্ৰ চৰ দুয়োফালে, সংখ্যালঘু অধ্যুষিত অঞ্চল। ট্ৰাইবেল বিভিন্ন জাতি জনগোষ্ঠীৰে ভৰা এই অঞ্চল পুৰণি গোৱালপাৰাৰ পৰা বৰপেটা ধুবুৰীলৈকে ৪ খন জিলাৰ মানুহৰ কি অপৰাধ? বহুত জিলাত বিশ্ববিদ্যালয় থকাৰ পিছত আৰু একোখনকৈ ঘোযনা কৰি আছে। ভাল কথা এখন নহয় দুখনকৈ দিলেও বিৰোধিতা কৰাৰ কোনো কথা নাই। কিন্তু বৰপেটা, গোৱালপাৰা, চাউথ শালমাৰা, ধুবুৰীত কিয় বশ্ববিদ্যালয় ঘোযনা নহয়। মাননীয় অধ্যক্ষ মহোদয় এক তৃতীয়াংশ জনসংখ্যা বাদ দি বাকীখিনি লৈ যদি আমি চিন্তা কৰো আমাৰ ৰাজ্যখন আমি কেতিয়াও ১০ খনৰ ভিতৰত আমি লৈ যাব নোৱাৰিম। সেই কাৰণে মই গোৱালপাৰা, ধবুৰী, বৰপেটা প্ৰত্যেক জিলাত একোখনকৈ বিশ্ববিদ্যালয়

চৰকাৰে যাতে অহা বাজেটত ঘোষনা কৰে সেই কাৰনে মই আপোনাৰ মাধ্যমেৰে উত্থাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, লেগুৰ কথা কৈছে, বসুন্ধৰাত আজি ১৩, ১৪ লাখ মানুহে আবেদন কৰিলে তাৰে ২ লাখ২৬ হাজাৰ মানুহে পালে, আৰু ১১ লাখ ১২ লাখে নাপালে। এই ১২ লাখৰ সকলো প্ৰাপ্তবয়স্ক লোকে আবেদন কৰিছে সৰু ল'ৰা ছোৱালীয়েটো আবেদন কৰা নাই। তেখেত সকলৰ লগত যদি ৩, ৪ জনকৈ মানুহ ধৰে ৪০ , ৫০ লাখ মানুহ ইয়াতে হ'ব। অসমত শ শ এন চি ভিলেজ আছে। তাৰ জনসংখ্যা যদি আপুনি হিচাপ কৰে, ৫০ লাখ জনসংখ্যা হ'ব। more than one crore অসমৰ জনসংখ্যা আছে যি সকল ভূমিহীন। সেই সকলৰ হাত মাটি নাই। মোডী ডাঙৰীয়াই পাৰলিয়ামেন্টৰ বাহিৰত লালকিল্লাৰ প্ৰাচীৰৰ পৰা তেখেতে কৈছিল যে ২০২২ লৈকে ভাৰতবৰ্ষত ভূমিহীন মানুহ নাথাকে, ভাৰতবৰ্ষত ঘৰবিহীন মানুহ নাথাকে। কিন্তু দুৰভাগ্য যে ২২ গৈ ২৪ যাব এতিয়া । এতিয়াও আমাৰ অসমত প্ৰায় এক তৃতীয়াংশ মানুহৰ হাতত মাটি নাই, আৰু সেই সকলক মাটি দি থকা হোৱা নাই। এটা প্ৰক্ৰিয়াৰ মাজত দিছে যদিও, অসমৰ এটা বৃহৎ জনগোষ্ঠীক সেই সকলক বঞ্চিত কৰা হৈছে, টাৰগেট কৰা হৈছে মাননীয় অধ্যক্ষ মহোদয়। আজি গোৱালপাৰ, ধুবুৰী, শালমাৰা কওঁক, বৰপেটা কওঁক আৰু বহুতো অঞ্চল অসমত আছে যি সকলৰ জনগনে আজি বসুন্ধৰাৰ যোগেদি আবেদন কৰিছিল সেই সকল ব্যক্তিক কিন্তু মাটি দিয়া হোৱা নাই। এই সকল ভাৰতীয়ক সংবিধান পদত্ত অধিকাৰৰ পৰা বঞ্চিত হৈছে। গতিকে চৰকাৰে যদি discrimination ৰ স্বীকাৰ কৰে, শিক্ষা ৰ কথায়ে কওঁক বা অন্যান্ন সা সুবিধাৰ, ইফালে চাহ বাগানক deprive কৰিছে। প্ৰায় ৭০ লাখ জনসংখ্যা, আনফালে more than one crore জনসংখ্যা অসমৰ ৫০ শতাংশ জনসাধাৰণ, বাগান আৰু চৰ চাপৰি এই সকল সংখ্যালঘু জনসংখ্যা, ৰাভা, গাৰো আদি কৰি বড়ো এই সকলো বঞ্চিত। এই জনগোষ্ঠীখিনি যদি লয় more than 50% জনগন স্বাধীনতাৰ পিছৰ পৰা তেখেত সকলে বিভিন্ন সা সুবিধাৰ পৰা বঞ্চিত হৈছে। গতিকে চৰকাৰৰ পলিচি হ'ব লাগে one to all জনগনৰ কাৰনে development ৰ সমদৃষ্টিৰে চাব লাগে discrimination ৰ স্বীকাৰ কৰিব নালাগে। land distribution ৰ ক্ষেত্ৰতে হওঁক বা শিক্ষাৰ ক্ষেত্ৰতে হওঁক, বিশ্ববিদ্যালয় দিয়াৰ ক্ষেত্ৰতে হওঁক, মেডিকেল কলেজ বা অন্যান্ন সা সুবিধা আজি ১১ হাজাৰ ৬শ কোটি টকা বৰপেটা বা যিকেইখন জিলাৰ কথা কলো আপুনি যদি হিচাপ কৰে ৫ শ কোটি টকাও ন'হব। গতিকে চৰকাৰৰ পলিচি হ'ব লাগে one to all. জনগণৰ কাৰণে, উন্নয়ণৰ কাৰণে সকলোৰে ক্ষেত্ৰত সমদৃষ্টিৰে চাব লাগে যাতে কোনোৰেই discrimination ৰ স্বীকাৰ হ'ব লগীয়া নহয়। এইক্ষেত্ৰত land discrimination, শিক্ষা, বিশ্ববিদ্যালয় শিক্ষা, মেডিকেল কলেজ বা অন্যান্য সা-সুবিধা সকলোৰে যাতে সমানেই পাই এইটোৰ ওপৰত গুৰুত্ব দিব লাগে। আজি যি ১১ হাজাৰ ৬০০ কোটি টকাৰ কথা উল্লেখ কৰিছে, কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই বৰপেটা বা যিকেইখন জিলাৰ কথা ক'লো তাত যদি হিচাপ কৰে ৫০০ কোটি টকাও নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ ১০ মিনিট সময় আছিল। সময় শেষ হ'ল। মই আৰু ২ মিনিট সময় আপোনাক দিছো।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** .অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীক সমদৃষ্টিত যাতে চোৱা হয়, সংবিধান প্ৰদত্ত যি অধিকাৰ আছে তাৰ পৰা যাতে বঞ্চিত কৰা নহয় এইটো চৰকাৰৰ পলিচি হোৱা উচিত। সেই পলিচি বিলাক আমি ৰাজ্যপালৰ ভাষণতে হওক, বাজেটতে হওক প্ৰতিফলিত হোৱা দেখা নাই। মই বিশেষভাৱে দুটা জনগোষ্ঠীৰ কথা উল্লেখ কৰিছো। আৰু

বহুত জনগোষ্ঠী আছে। চৰ-চাপৰিৰ লোক সকলৰ শিক্ষা-দীক্ষা, এইসকলৰ চাকৰি, মাটি-বাৰী এইসকলক প্ৰভাইড কৰাৰ ক্ষেত্ৰত বিশেষ দৃষ্টি দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আজি চাহবাগানৰ পৰা আহিছে OBC, MOBC সকলৰ দাবী কৰিছে এইটো ভালকথা দিব লাগে। বাগানৰো এইবোৰ জৰীপ কৰি আৰ্থিক, সামাজিক ভাৱে যিসকল লোক বহুত পিছপৰা সেইসকলকো OBC, MOBC ৰ ষ্টেটাচ দিব লাগে। কেৱল ভাগ ভাগ কৰিলেই নহয়। এইবোৰ ষ্টেটাচ দিলেহে অসমখন আগবাঢ়ি যাব। আমি যি ভাৰতৰ ৫ খন ৰাজ্যৰ ভিতৰৰ এখন হোৱাৰ সপোন দেখিছো তেতিয়াহে আমি সফল হ'ব পাৰিম। অন্যথা এইটো কেতিয়াও সম্ভৱপৰ নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সদন ৮ ফেব্ৰুৱাৰী ২০২৪ তাৰিখ ৰাতিপুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।